# অসমীয়া জিকিৰ-জাৰী সাৰ

অধ্যাপক চৈয়দ আব্দুল মালিকৰ
সহযোগিতা আৰু নিৰ্দেশনাত
এছ. এম. হুচেইনৰ দ্বাৰা সংগ্ৰহিত আৰু সম্পাদিত

জ্যোতি প্ৰকাশন
যশোৱন্ত ৰোড : পাণবজাৰ
গুৱাহাটী-৭৮১০০১.

*ASAMIYA*

*JIKIR-JARI SAR,*

COLLECTED & EDITED by S. M. HUSSAIN

---

প্ৰকাশিকা :
শ্ৰীইলা শৰ্মা
জ্যোতি প্ৰকাশন
গুৱাহাটী-৭৮১০০১

বেটুপাত অলংকৰণ : অনিল দাস

প্ৰথম প্ৰকাশ :
এপ্ৰিল, ১৯৯০

মূল্য : ২৫·০০ টকা।

ছপা :
শ্ৰীসুনীল কুমাৰ নন্দী
শাক্ত প্ৰিণ্টাৰ্ছ
২৮ কে অবিনাশ ঘোষ লেন,
কলিকতা-৬

## সূচী

পাতনি / ৫
চুক্তিবাদ / ২১
জিকিৰ / ৩৭
জাৰী / ১৪৯
কেইটামান জিকিৰৰ শব্দাৰ্থ আৰু ভাবাৰ্থ / ১৭২

# পাতনি

## ॥ ভাৰতত মুছলমান ॥

১১৯২ খ্ৰীষ্টাব্দৰ পূৰ্বে ভাৰতলৈ কোনো ইছলাম ধৰ্মাৱলম্বী আহিছিল নে নাই, সেই কথাৰ নিশ্চিত প্ৰমাণ বা লিখিত ইতিহাস পাবলৈ নাই। হয়তো সমুদ্ৰ পথেদি পশ্চিমৰ পৰা, নাইবা গিৰিপথেদি উত্তৰ-পশ্চিমৰ পৰা আৰব ভূ-খণ্ড বা মধ্য-এচিয়াৰ মুছলমান মানুহ প্ৰধানতঃ জীৱিকাৰ অন্বেষণত বা ব্যৱসায়-বাণিজ্যৰ সম্পৰ্কত ভাৰতলৈ অহা-যোৱা কৰিছিল। কিন্তু হজৰত মোহম্মদে প্ৰৱৰ্তন কৰা ইছলাম ধৰ্ম সমগ্ৰ মধ্য-এচিয়া, আফ্ৰিকা আৰু ইউৰোপ পৰ্যন্ত সম্প্ৰসাৰিত হোৱা সত্বেও ৫৭০ খ্ৰীষ্টাব্দৰ পৰা ১১৯২ খ্ৰীষ্টাব্দ পৰ্যন্ত এই ছ'শ বছৰতো অধিক কালৰ ভিতৰত ইছলাম ধৰ্মাৱলম্বী লোক তেতিয়াৰ ভাৰতলৈ আহি বসবাস কৰিবলৈ লৈছিল বুলি জনা নাযায়। তেনে লোক আহিছিল যদিও তেওঁলোকৰ সংখ্যা নিতান্ত কম আছিল আৰু তেওঁলোকে কোনো ধৰণৰ ধৰ্মীয় প্ৰভাৱ ইয়াৰ জনসাধাৰণৰ ওপৰত পেলাব পৰা নাছিল।

১১৯২ খ্ৰীষ্টাব্দত গজনীৰ ৰজা চুলতান মোহম্মদ ঘোৰী (গোৰী)-ৰ পূৰ্ণমূৱা সামৰিক অভিযান আৰম্ভ হয়। সেই সময়ত পৃথ্বিৰাজ আছিল হস্তিনাপুৰ (দিল্লী) আৰু আজমীৰৰ ৰজা। তৰাৰী বা তাৰাইনৰ যুদ্ধত চুলতান মোহম্মদ ঘোৰীয়ে পৃথ্বিৰাজক পৰাস্ত কৰে আৰু যুদ্ধত পৃথ্বিৰাজৰ মৃত্যু হয়। ঘোৰীয়ে পৃথ্বিৰাজৰ ৰাজ্য অধিকাৰ কৰে। এই সময়ৰ পৰা প্ৰথমবাৰৰ বাবে ইছলাম ধৰ্মাৱলম্বী এজন অন্য দেশীয় ৰজাই ভাৰতৰ ভূ-খণ্ড নিজৰাজ্যৰ তলতীয়া কৰি লয়।

তাৰ পিছত মোহম্মদ ঘোৰীৰ সেনাপতি কুতুবুদ্দিনে থলুৱা শাসনকৰ্তাসকলৰ লগত যুদ্ধ কৰি দিল্লী, মীৰাট, গুজৰাট, গোৱালিয়ৰ মুছলমান শাসকৰ অধীনস্থ কৰে। তাৰ পিছত মোহম্মদ ঘোৰীয়ে কনৌজৰ ৰজা জয়চন্দ্ৰক যুদ্ধত পৰাস্ত কৰি তেওঁৰ ৰাজ্য কনৌজ আৰু বেনাৰচ দখল কৰে। প্ৰায় দু'বছৰৰ ভিতৰতে উত্তৰ ভাৰতৰ সমগ্ৰ অঞ্চল নতুন মুছলমান শাসনৰ অন্তৰ্ভুক্ত হৈ পৰে। ১১৯৪ খ্ৰীষ্টাব্দত সেনাপতি কুতুবুদ্দিনক ভাৰতৰ ৰাজ্য খণ্ডৰ শাসনৰ দায়িত্ব আৰু অধিকাৰ অৰ্পণ কৰি মোহম্মদ ঘোৰী গজনীলৈ ঘূৰি যায়। এনেকৈয়ে ভাৰতত মুছলমান ৰজাৰ শাসন আৰম্ভ হয়। মোহম্মদ ঘোৰীৰ আন এজন বিশ্বস্ত আৰু দক্ষ সেনাপতি মোহম্মদ ইব্‌নে বখ্‌তিয়াৰ খিলজীয়ে প্ৰায় [illegible] সময়তে

(১২০২ খ্ৰীষ্টাব্দত) পূবলৈ অভিযান আৰম্ভ কৰে আৰু বিহাৰ, বংগদেশ জয় কৰে। এই বিজয়ৰ পাছতে মোহম্মদ ইব্‌নে বখ্‌তিয়াৰ খিল্‌জীয়ে নতুন নাম লয়—ইখ্‌তিয়াৰুদ্দিন। ১১৯২ খ্ৰীষ্টাব্দত মোহম্মদ ঘোৰীয়ে সফল অভিযান আৰম্ভ কৰাৰ পিছত ১২০২ খ্ৰীষ্টাব্দত ইখ্‌তিয়াৰুদ্দিনে বংগদেশ জয় কৰালৈকে এই দহ বছৰৰ ভিতৰত প্ৰায় সমগ্ৰ উত্তৰ ভাৰত মুছলমান শাসকসকলৰ শাসনৰ তলতীয়া হৈ পৰিল।

১২০৫ খ্ৰীষ্টাব্দত এই ইখ্‌তিয়াৰুদ্দিনে এক উত্তৰ-পূবমুৱা অভিযান আৰম্ভ কৰিছিল তিব্বত, তুৰ্কীস্থান আৰু চীনদেশ জয় কৰিবৰ কাৰণে। তেওঁ প্ৰধানতঃ অশ্বাৰোহী আৰু পদাতিক সৈন্যৰ ওপৰতে নিৰ্ভৰ কৰিছিল। বংগদেশৰ দেৱকোট নামে ঠাইৰ পৰা বাৰ হাজাৰ মান অশ্বাৰোহী সৈন্য লৈ অভিযান আৰম্ভ কৰিছিল। তেওঁৰ এই অভিযানৰ এক প্ৰধান পথ-প্ৰদৰ্শক আছিল ইছলাম ধৰ্ম গ্ৰহণ কৰা এজন মেচ বংশীয় ৰজা। তেওঁৰ নাম আছিল আলী মেচ। দহ-বাৰ দিন মান উজাই অহাৰ পিছত বখ্‌তিয়াৰৰ যাত্ৰা থমকি ৰ'বলগীয়া হয়—এখন নৈৰ শিলৰ সাঁকোৰ পাৰত। এই নৈখন আছিল কামৰূপৰ এজন নৃপতি পৃথু নামৰ ৰজাৰ সাম্ৰাজ্যৰ অন্তৰ্গত। পৃথুৰ ৰাজ্যৰ মাজেদি নগলে বখ্‌তিয়াৰৰ তিব্বত, চীন আদি দেশলৈ আগবঢ়াৰ আন উপায় নাছিল। বখ্‌তিয়াৰে পৃথুৰজাৰ লগত পত্ৰ-বিনিময়ৰ যোগে তেওঁৰ ৰাজ্যৰ মাজেদি যোৱাৰ অনুমতি বিচৰাত পৃথুৱে বখ্‌তিয়াৰক নিবৃত্ত কৰাৰ উদ্দেশ্যে, সেইটো অভিযানৰ উপযুক্ত সময় নহয় বুলি, নিজ দেশলৈ উভতি গৈ এবছৰ মানৰ পিছত পুনৰ অভিযান আৰম্ভ কৰিবলৈ পৰামৰ্শ আগবঢ়ালে। তেনে কৰিলে বখ্‌তিয়াৰৰ তিব্বত জয় অভিযানত পৃথুৱেও সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

বখ্‌তিয়াৰে পৃথুৰজাৰ এই পৰামৰ্শক গুৰুত্ব নিদি যাত্ৰা অব্যাহত ৰাখি সৈন্যসামন্ত সহ শিলৰ সাঁকো পাৰ হৈ কামৰূপৰ মাজেদি তিব্বত অভিমুখে আগবাঢ়িল। কিছুদূৰ যোৱাৰ পিছত এখন মুকলি পথাৰৰ মাজত থকা এটা দুৰ্গৰ পৰা কামৰূপী সৈন্যই বখ্‌তিয়াৰৰ তুৰ্কী সৈন্যক বাধা দিলে। এখন যুদ্ধ লাগিল। ক্ষয়ক্ষতি হোৱা সত্বেও, বখ্‌তিয়াৰে যুদ্ধ কৰি যাবলৈ মনস্থ কৰিছিল, কিন্তু বুধাবীকাটাৰ কালৰ পৰা নতুন নতুন কামৰূপী সৈন্যদল আহি তুৰ্কীয়া সৈন্যৰ লগ লাগি বখ্‌তিয়াৰৰ সৈন্যৰ বিৰুদ্ধে যুঁজ কৰিবলৈ লোৱা দেখি অৱশেষত তিব্বত অভিযান সামৰি বখ্‌তিয়াৰে অহা বাটেদি ঘূৰি যোৱাৰ ব্যৱস্থা কৰিলে।

ইতিমধ্যে পৃথুৰজায়ো ঘূৰি যোৱা তুৰ্কী সৈন্যক বাটতে আক্ৰমণ কৰি

তেওঁলোকৰ বহুতো সৈন্যক বধ কৰিলে আৰু যথেষ্টসংখ্যক সৈন্যক বন্দী কৰিলে। সসৈন্যে বখ্তিয়াৰ উভতি গৈ পূৰ্বৰ শিলৰ সাঁকোৰ পাৰ পাই দেখিলে যে সাঁকোৰ শিল একেবাৰে খোলা হৈছে, আৰু নৈ পাৰ হোৱাৰ পথ বন্ধ কৰি দিয়া আছে। তেওঁলোক অন্য পথেদি ঘূৰি যোৱাৰ চেষ্টা কৰিলে। তেতিয়া বাঁহেৰে সজোৱা এক মজবুত গড়ৰহে সন্মুখীন হয়. অৱশেষত উপায়ান্তৰ হৈ তুৰ্কী সৈন্যই সেই অঞ্চলৰে এটা হিন্দুমন্দিৰত আশ্রয় লৈ ৰক্ষা পোৱাৰ চেষ্টা কৰিলে। কিন্তু কামৰূপী সৈন্যৰ আক্রমণক বাধা দিব নোৱাৰি বখ্তিয়াৰৰ সৈন্যই সাঁতুৰি নৈ পাৰ হোৱাৰ চেষ্টা কৰিলে। ইয়াৰ ফলত বহুত তুৰ্কী সৈন্য নৈৰ প্রবল সোঁতত উটি গ'ল। ইখ্তিয়াৰউদ্দিনে (বখ্তিয়াৰ) কোনো মতে কিছুসংখ্যক সৈন্য লগত লৈ বহুকষ্টে ঘূৰি গৈ কোচবিহাৰ পালেগৈ। তাতে ১২০৬ খ্রীষ্টাব্দত বখ্তিয়াৰ খিলজীৰ মৃত্যু হয়। তেওঁৰ তিব্বত, চীন অভিযানৰ স্বপ্ন অপূর্ণ হৈয়ে ৰ'ল। ১২০৬ খ্রীষ্টাব্দত আৰম্ভ হোৱা প্রথম মুছলমানৰ অসম আৰু কামৰূপী সৈন্যৰ লগত হোৱা সংঘৰ্ষৰ পিছৰপৰা ১৬৮২ খ্রীষ্টাব্দৰ ভিতৰত হোৱা সংঘৰ্ষলৈকে এই ৪৭৪ বছৰৰ ভিতৰত বহুবাৰ পশ্চিমৰ মুছলমান সৈন্যই কামৰূপ ৰাজ্য জয় কৰিবৰ বাবে অভিযান চলাইছিল। কেইবাবাৰো গুৱাহাটী, ৰঙা মাটি আদি জয় কৰি নগাঁৱৰ কলিয়াবৰ নৈৰ পাৰলৈকে অস্থায়ীভাৱে প্রভুত্ব বিস্তাৰ কৰিছিল। ১৬৬২—৬৩ খ্রীষ্টাব্দত মিৰজুম্লাই তেতিয়াৰ আহোম ৰজা জয়ধ্বজ সিংহৰ ৰাজ্যৰ ৰাজধানী গড়গাওঁ দখল কৰি ছ'মাহ কাল কামৰূপ ৰাজ্য শাসন কৰিছিল। পিছত জয়ধ্বজ সিংহই দিল্লীৰ বাদছাহৰ কৰতলীয়া হৈ থকাৰ সন্ধি চুক্তিত সন্মতি জনোৱাৰ ফলত মিৰজুম্লা গড়গাওঁ এৰি উভতি গৈছিল। সোঁতৰটা সামৰিক অভিযানৰ ফলস্বৰূপে মোগল সৈন্য আৰু কামৰূপী সৈন্যৰ মাজত দীৰ্ঘদিনীয়া ৰণ-বিগ্রহ চলি আছিল যদিও মিৰজুম্লাই ছ'মাহৰ কাৰণে অসম দেশত একচ্ছত্রী শাসন চলোৱাৰ বাহিৰে দীৰ্ঘকাল স্থায়ী কোনো শাসন অন্য মুছলমান সেনাপতি প্রশাসকে ইয়াত প্রতিষ্ঠা কৰিব পৰা নাছিল। শৰাইঘাটৰ ৰণৰ পিছত মোগল সৈন্য মানাহ নদীৰ সিপাৰলৈ ঘূৰি যাবলৈ বাধ্য হৈছিল। ব্রহ্মপুত্রৰ দক্ষিণ পাৰৰ হাদিৰাচকী থানেই হৈছে আহোম আৰু মোগল ৰাজ্যৰ সীমা।

প্রায় পাঁচশ বছৰ ধৰি মাজে মাজে চলি থকা যুদ্ধ-বিগ্রহৰ কালত ৰজা-ঘৰীয়া স্তৰত মোগল আৰু অসমীয়াৰ মাজত বিৰোধ আৰু সংঘৰ্ষ চলি আছিল যদিও, অসমৰ বাহিৰৰ পৰা অসামৰিক লোক, বেপাৰী, বেহেৰুৱা, কমাৰ, কুমাৰ, খাটি, তাঁতী আদি বৃত্তিধাৰী লোকৰ কামৰূপ ৰাজ্যত সোমোৱাৰ

বাট মুকলি হৈ পৰিছিল। যুদ্ধবন্দী বহুতো মুছলমান সৈন্য অসমত ৰৈ গৈছিল। তাৰে সৰহভাগেই ৰণুৱাৰ বৃত্তি এৰি কৃষি নাইবা অন্য বৃত্তিৰ যোগে ইয়াতে থাকি জীৱন নির্বাহ কৰিবলৈ লৈছিল। বহুত থলুৱা লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। মনত ৰখা ভাল যে, অসম দেশ জয় কৰাৰ কাৰণে কোনো সেনাপতি বা ৰাজ-বিষয়াৰ অধীনত অহা সৈন্যসকলৰ কোনোৱেই লগত নিজৰ পৰিয়াল অনা নাছিল। এই মুছলমানসকলে অসমৰে তিৰোতা বিয়া কৰাই ঘৰ-গৃহস্থী কৰি অসমতে বসবাস কৰিছিল। এনে প্ৰক্ৰিয়াৰ ফলস্বৰূপে অসমত মুছলমান লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই গৈছিল। প্ৰধানতঃ হুছেইন চাহৰ আক্ৰমণ, তুৰ্বকৰ অভিযান, মিৰজুমলাই অসম দখল কৰি ছ'মাহ অসম শাসন কৰাৰ কালছোৱাৰ ভিতৰত অসমত বহুতো মুছলমান ৰৈ যোৱাটো এটা ঐতিহাসিক কথা। বিশেষকৈ জয়ধ্বজ সিংহৰ লগত হোৱা সন্ধিৰ পিছত মিৰজুমলা নিজ দেশ অভিমুখে ঘূৰি যোৱাৰ সময়ত লগত অনা সকলো সৈন্য ঘূৰাই লৈ যোৱা নাছিল। দখলকাৰী সৈন্য হিচাপেই হওক বা চকুৰাখোতা হিচাপেই হওক, বহুত সৈন্য আৰু ৰণৰ সঁজুলি নিৰ্মাণ কৰা কাৰিকৰ, শিল্পী জাতীয় বৃত্তিৰ লোক অসমত থাকি গৈছিল। তদুপৰি তেতিয়াৰ মুছলমানৰ শাসনাধীন বংগদেশৰ প্ৰধান চহৰ গৌড়, দিনাজপুৰ, মুৰ্ছিদাবাদ আদি ঠাই অসমৰ পশ্চিম সীমাৰ পৰা অধিক দূৰত নাছিল। তাৰ উপৰি বহুকাল মানাহ নৈৰ পশ্চিম পাৰলৈকে মোগলৰ শাসন চলি আছিল। ফলস্বৰূপে পশ্চিমৰ পৰা মুছলমানসকল আহি অসমত সোমোৱাত বা ইয়াত বসবাস কৰিবলৈ লোৱাত বিশেষ বাধা বা অসুবিধা নাছিল।

ইয়াৰ উপৰিও মাজে মাজে দুই-চাৰিজন ইছলাম ধৰ্মৰ বিশিষ্ট অলী, দৰবেছ, সাধক, প্ৰচাৰক আৰু সংস্কাৰকো এই পূৰ্ব-ভাৰতৰ অঞ্চললৈকে আহি আছিল। অভিযানকাৰী সৈন্য-সামন্তৰ লগতো বুৰঞ্জীবিদ বা যুদ্ধৰ বৰ্ণনা লিখক সহ নামাজ আদি ধৰ্মকাৰ্য পৰিচালনা কৰিবৰ কাৰণে মুছলমান ধৰ্ম বিশেষজ্ঞ, ইমাম, হাফিজ আদিক লগত অনা হৈছিল। অসমত ৰৈ যোৱা সৈন্যসকলৰ লগতো এনে ইমাম, হাফিজ, মৌলবী আদি ৰৈ গৈছিল। সাধাৰণতে নিজ নিজ ঠাইলৈ ঘূৰি যোৱা বিবাহিত সকলৰ বাহিৰে অবিবাহিত মুছলমান ডেকাসকল ইয়াতে থাকি ক্ৰমে বিয়া-বাৰু কৰি অসমীয়া সমাজৰ লগতে মিলি গৈছিল। এনেদৰে মিলি যোৱাৰ আটাইতকৈ সহজ আৰু কাৰ্যকৰী উপায় আছিল এই অনা-অসমীয়া লোকসকলৰ অসমীয়া মাত কথা আৰু অসমীয়া সামাজিক আচাৰ-বিচাৰ নিজৰ কৰি লোৱাটো। ধৰ্মত মুছলমান হোৱাটোৱে তেওঁলোকৰ

অসমীয়া হোৱাৰ পথত কোনো বাধা বা ব্যৱধানৰ সৃষ্টি কৰা নাছিল। ক্ৰমে সহজভাৱে এনেদৰে অসমৰ বাহিৰৰ পৰা আহি স্থায়ীভাৱে বৈ যোৱা মুছলমান-সকল বৃহত্তৰ অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছিল। প্ৰধানতঃ ভাটি অসমৰ ফালেই এনে লোকসকলৰ সৰহভাগে থিতাপি লোৱাৰ কাৰণে বিশেষকৈ উজনি অসমখণ্ডত মুছলমানৰ সংখ্যা তুলনামূলকভাৱে কম আছিল।

যিসকল সাধক, ৱলী বা ধৰ্মপ্ৰচাৰক কেৱল ধৰ্মকাৰ্যৰ লগত জড়িত হৈ অসমলৈ আহিছিল, সেইসকলৰ সৰহভাগ গোৱালপাৰা আৰু কামৰূপ জিলাৰ ভিতৰতে বৈ গৈছিল। হাজোৰ পোৱামক্কাৰ হজৰত গিয়াচুদ্দিন আউলীয়াৰ দৰগাহ, গোৱালপাৰাৰ পাঁচ পীড়ৰ দৰগাহ, আৰু কামৰূপ জিলাৰ বিভিন্ন ঠাইত থকা দৰগাহবিলাকত যিসকল মুছলমান ৱলী বা সাধকৰ কবৰ আছে সেইসকল কোনো অভিযানকাৰী সেনাপতি বা সৈন্যৰ লগত অহা বুলি জনা নাযায়। এইসকল ৱলী বা পীড় স্বতন্ত্ৰভাৱে বিভিন্ন সময়ত অসমলৈ আহি বিভিন্ন ঠাইত নিজ নিজ কাৰ্যক্ষেত্ৰ প্ৰতিষ্ঠা কৰিছিল, এনেদৰে একোজন ধৰ্মীয় সাধক বা ৱলীক কেন্দ্ৰ কৰি একোটা সৰু ধৰ্মীয় গোষ্ঠী গঢ়ি উঠিছিল আৰু কোনো কোনো ঠাইত এনে ঠাই 'খানকাহ' বা ধৰ্মসাধকৰ বা ধৰ্মালোচনাৰ কেন্দ্ৰ হিচাপে গঢ়লৈ উঠিছিল। সাধাৰণতে ইছলাম ধৰ্মত 'ভকত' হোৱা বা ভকত কৰোৱা বা কোনো বিশেষ পীড় বা গুৰুৰ ওচৰত দীক্ষা লৈ আধ্যাত্মিক ধৰ্মসাধনা কৰাৰ ব্যৱস্থা নাই। ইছলাম ধৰ্মত নামাজ, ৰোজা আদি পালনীয় ধৰ্মকাৰ্যবিলাক সাৰ্বজনীন। পুৰুষ-নাৰী নিৰ্বিশেষে সকলো মুছলমানে এইবোৰ ধৰ্মকাৰ্য অপৰিহাৰ্যভাৱে পালন কৰিব লাগে, ইয়াত কোনো ব্যতিক্ৰমৰ স্থান নাই। তথাপি আনুষ্ঠানিক ধৰ্মকাৰ্য সম্পাদন কৰাৰ উপৰিও গূঢ়, আধ্যাত্মিক তত্ত্বসাধনাৰ যোগেদি সৃষ্টি আৰু স্ৰষ্টাৰ স্বৰূপ উপলব্ধি কৰাৰ ব্যক্তিগত আৰু গোপন কিছু বিধিব্যৱস্থা তত্ত্বজ্ঞ সাধক বা ৱলী সকলৰ পৰা লাভ কৰিব পৰা যায় বুলি বহুতে তেনে ৱলী বা পীড়ৰ ওচৰত বিশেষ দীক্ষা লয়। এনে তত্ত্বজ্ঞানক মাৰিফতী জ্ঞান বা গূঢ় তত্ত্বজ্ঞান বুলি গণ্য কৰা হয়; আৰু এজন সদ্গুৰু অবিহনে এনে জ্ঞান আয়ত্ত কৰাটো সম্ভৱ নহয় বুলি বহুতে বিশ্বাস কৰে। এই ক্ষেত্ৰত আনুষ্ঠানিক ধৰ্মকাৰ্য পালনৰ সাধাৰণ শিক্ষা দিওঁতাজনতকৈ আধ্যাত্মিক গূঢ়তত্ত্বৰ দীক্ষা দিওঁতা পীড়জনক বিশিষ্ট গুৰু হিচাপে মান্য কৰা হয় আৰু এনে গুৰুৱে কেতিয়াবা চৰম সত্য উপলব্ধি কৰিবৰ কাৰণে আপাতদৃষ্টিত কিছু অনানুষ্ঠানিক ধ্যানসাধনাত ৰত হোৱাৰ দীক্ষা দিলেও তাত কোনোৱে কোনো আপত্তি কৰাৰ থল নিবিচাৰে।

পীড় বা গুৰুভেদে আধ্যাত্ম সাধনাৰ পন্থাও পৃথক পৃথক হোৱা দেখা যায়। এনে পন্থাক 'তৰীকা' বোলা হয়। কোনো কোনো এনে পীড় বা গুৰুৱে সাধনাৰ কাৰণে কিছু বিশেষ জিকিৰ বা তত্বমন্ত্ৰ দান কৰে। অৱশ্যে এনে জিকিৰ ইছলাম ধৰ্মৰ লগত অমিল বা বিৰোধ থকা কোনো নাম বা মন্ত্ৰ নহয়। কোনো কোনো পীড়ে এনে গূঢ় তত্বকথা শিকাবৰ কাৰণে কেতিয়াবা গীত আদি ৰচনা কৰে। আৰু তেনে গীত ভকতসকলে বা সেই বিশিষ্ট পন্থাৰ অনুগামীসকলে, অকলে বা সমূহীয়াভাৱে গোৱাৰ ব্যৱস্থা কৰে। সাধক কবি কবীৰ, লালন ফকীৰ, আজান ফকীৰ আদি পীড়সকল কেৱল গূঢ় তত্বজ্ঞ ভক্তই নাছিল, তেওঁলোক কবিও আছিল, গায়কো আছিল আৰু গীত-নৃত্যৰ মাজেদি তেওঁলোকৰ শিষ্যসকলৰ মাজত আৰু সৰ্বসাধাৰণৰ মাজত তত্বজ্ঞান প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিছিল। ধৰ্মবিশেষৰ ধ্যান-ধাৰণা আৰু মৌলিক আদৰ্শক অৱলম্বন কৰি এনেবোৰ গীত ৰচনা কৰা হলেও, ইয়াৰ উদাৰতা আৰু সাৰ্বজনীন আবেদনৰ কাৰণে এইবোৰৰ জনপ্ৰিয়তা ব্যাপক। ধলুৱা সুৰ-সংযোজন কৰি এনেবোৰ গীত (দোহা, জিকিৰ আদি) গোৱা হয় কাৰণে এই গীতবোৰ সৰ্বসাধাৰণৰ মাজত অতি কৈ সৰৱৰহী হৈ পৰে। এনে কাৰণতে অলিখিত ৰূপতে এই ধৰণৰ গীত শ শ বছৰ ধৰি মানুহৰ মুখে মুখে প্ৰচলন হৈ আছিছে। জনপ্ৰিয় লোকগীত হিচাপে এনে গীতৰ আবেদন সাৰ্বজনীন আৰু সৰ্বকালীন। সেই কাৰণেই ইতিহাসৰ নানান উত্থান-পতন সত্বেও, এনে গীত কালে কালে জনসাধাৰণৰ মাজত জীৱিত আছে।

## ॥ আজান ফকীৰ—চমু ইতিবৃত্ত ॥

খৃষ্টীয় সপ্তদশ শতিকাৰ আগভাগতে অসমলৈ পশ্চিমবপৰা কেইবাগৰাকী মুছলমান সাধক আহিছিল। তাৰ ভিতৰত হজৰত চাহ মীৰাণ বা আজান ফকীৰো এজন। তেওঁ বাগদাদৰ মানুহ আছিল। আজমীৰৰ হজৰত খাজা মুইনুদ্দিন চিস্তীৰ দৰগাহ, দিল্লীৰ হজৰত নিজামুদ্দিন আউলীয়াৰ দৰগাহ আৰু তাৰ পিছত গৌড়ত কিছুদিন থাকি তেওঁ অসম অভিমুখে আগবাঢ়ে। প্ৰথমতে, তেওঁ কামৰূপৰ হাজোত কিছুকাল কটায় আৰু তাতেই অসমীয়া ভাষা কিছু আয়ত্ত কৰে। তেওঁৰ লগত আহিছিল তেওঁৰ ভাই নবী চাহেব। তাৰ পিছত ক্ৰমে উজাই আহি গড়গাঁৱৰ মাজেদি কেতিয়াবা

আহোম বজাৰ বাজধানী গড়গাঁৱলৈ যায় আৰু গড়গাঁৱৰ পৰা কিছু নিলগৰ চুনপোৱাত আয়েকৰ লৈতে বসবাস কৰিবলৈ লয়।

১২০৫ খ্ৰীষ্টাব্দৰপৰা বিভিন্ন সময়ত বিভিন্ন সূত্ৰে পশ্চিমৰ পৰা মুছলমানসকল অসমলৈ আহিছিল। ভাটি অঞ্চলত হাজো, গুৱাহাটী (উত্তৰ), কলিয়াবৰ, কছাৰীহাট, দেৰগাওঁ আৰু গড়গাঁৱৰ আশে পাশে পূৰ্বতে অহা মুছলমানসকল বসবাস কৰিছিল। বিশেষকৈ ভাটি অসমৰ কিছু সংখ্যক থলুৱা মানুহেও ইছলাম ধৰ্মৰ প্ৰতি অনুপ্ৰাণিত হৈ এই ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল। কিন্তু অসমতে থকা মুছলমানসকলৰ সৰহভাগেই প্ৰকৃত ইছলামীয় জীৱন যাপন কৰা নাছিল। স্থানীয় ৰীতি-নীতি, আচাৰ-বিচাৰ, জনবিশ্বাস, কু-সংস্কাৰ আদিৰ মাজত এই লোকসকলে জীৱন যাপন কৰিছিল আৰু চাহাবুদ্দিন তালিচৰ ভাষাত, নামটোৰ বাহিৰে মুছলমান বুলি তেওঁলোকৰ একোৱেই নাছিল। নৃত্য-গীত কৰি, স্থানীয় উৎসৱ অনুষ্ঠান পাতি তেওঁলোক সংসাৰৰ কামতে ব্যস্ত আছিল। তেওঁ-লোকে ধৰ্মীয় আৰু আধ্যাত্মিক জীৱন যাপনৰ প্ৰয়োজনীয়তা প্ৰায় পাহৰিয়েই আছিল।

চুনপোৱাত থকা সময়তে আজান ফকীৰ আৰু আয়েক নবী চাহেৰে লগলাগি কিছু স্থানীয় মুছলমান লোকৰ সহযোগিতাত দিখৌ নৈৰ পাৰত এটা মছজিদ সাজে আৰু তাৰ পৰাই চাহমীৰাণে আজান দি সমূহীয়াভাৱে নামাজ পঢ়াৰ ৰীতি প্ৰৱৰ্তন কৰে—যিটো ব্যৱস্থা পৃথিৱীৰ সকলো মছজিদতে আছে। আজান দি নামাজলৈ মানুহক আহ্বান কৰাৰ নিয়মীয়া ব্যৱস্থা কৰাৰ কাৰণে চাহ মীৰাণ (সৰ্বসাধাৰণৰ মাজত চাহ-মিলন নামেৰে জনাজাত) 'আজান ফকীৰ' নামে জনাজাত হৈ পৰে।

গড়গাঁৱলৈ আহি চুনপোৱাত বসবাস কৰিবলৈ লৈ আজান ফকীৰে থলুৱা অসমীয়া মাত-কথা আৰু গীত-মাতৰ ছন্দ আদি নিয়াৰীকৈ আয়ত্ত কৰে। স্থানীয় লোকৰ মাজত প্ৰচলিত লোকগীত, ধৰ্মীয় গীত, দেহবিচাৰ গীত, বৰাগী গীত আদিৰ আৰ্হিত শুদ্ধ অসমীয়া ভাষাতে সকলোৱে গাব পৰাকৈ আৰু বুজিব পৰাকৈ গীত ৰচনা কৰিবলৈ লয়। অসমত ইয়াৰ প্ৰায় দুশ বছৰ আগৰ পৰা চলি থকা বৈষ্ণৱ নাম-ধৰ্মৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি আজান ফকীৰে জিকিৰ গীত ৰচনা কৰে।

এই জিকিৰ গীতবোৰৰ যোগেদি ইছলাম ধৰ্মৰ মূল ৰীতি-নীতি আৰু ফকীৰ কাৰবিলাকৰ বিষয়ে শিক্ষা দান কৰিবলৈ লোৱাৰ লগতে, হিন্দু-

মুছলমানৰ মাজত ঐক্য আৰু সংহতিৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। জিকিৰ গীতবোৰৰ সহজ ভাষা আৰু চিনাকী সুৰ আৰু সকলো মানুহে গ্ৰহণ কৰিব পৰা নৈতিক শিক্ষাৰ কাৰণে সাধাৰণ নিৰক্ষৰ মানুহেও এই জিকিৰ গীতবোৰ গাবলৈ লয়। দিহা নাম, থিয় নাম, হুচৰী গীত আদি গাওঁতে যেনে ধৰণেৰে নৃত্য কৰে, সেইদৰে নাচি নাচি হাত-চাপৰি বজাই জিকিৰ গীত গোৱা প্ৰথা প্ৰচলন হয়।

আজান ফকীৰে গড়গাঁৱত থাকি জিকিৰ গীত আদি ৰচনা কৰি নিজে গাই আৰু আনৰ দ্বাৰাই গোৱাই যথেষ্ট খ্যাতি আৰু সুনাম অৰ্জন কৰে। দিনক দিনে তেওঁৰ ভকতৰ সংখ্যাও বৃদ্ধি হৈ পৰে। আজান ফকীৰে জনসাধাৰণক সাংসাৰিকতা আৰু বিষয়-সম্ভোগৰপৰা নিজক মুক্ত কৰি এক শান্তিপূৰ্ণ নৈতিক জীৱন-যাপন কৰিবৰ কাৰণে আৰু মানৱ জীৱনৰ অস্থায়ীত্বৰ কথা বাৰে-বাৰে সোঁৱৰাই দি আল্লাৰ নাম স্মৰণ বা জিকিৰ কৰি জীৱন তিবাহিত কৰিবৰ কাৰণে জনোৱা আহ্বানে সকলোৰে স্বীকৃতি আৰু সমাদৰ লাভ কৰিছিল।

দৰঙী ৰাজ্যত ৰূপাই দা-ধৰা নামৰ এজন মুছলমান ৰাজবিষয়া আছিল। দা-ধৰা হিচাপে তেওঁৰ প্ৰভাৱ আৰু প্ৰতিপত্তি যথেষ্ট আছিল আৰু তেওঁ ৰজাঘৰতো বিশ্বাসযোগ্য বিষয়া ৰূপে পৰিগণিত হৈছিল। আজান ফকীৰৰ প্ৰচুৰ জনপ্ৰিয়তা আৰু জনসাধাৰণৰ ওচৰত প্ৰভাৱ দেখি ৰূপাই দা-ধৰা অধৈৰ্য হৈ পৰিল। আজান ফকীৰক ৰজাঘৰ আৰু বাইজৰ মাজত অপদস্থ আৰু হেয় কৰিবৰ উদ্দেশ্যেৰে তেওঁ আজান ফকীৰ দিল্লীৰ মোগল সম্ৰাটৰ এজন গুপুত চোৰাংচোৱা বুলি ৰজাক গোচৰ দিবলৈ আৰম্ভ কৰিলে। ৰজা-ঘৰে ৰূপাই দা-ধৰাৰ গোচৰ মানিবলৈ সন্মত নহ'ল আৰু অৱশেষত এই বিষয়ে নিজে দায়িত্ব গ্ৰহণ নকৰি ৰূপাই দা-ধৰাকে ব্যৱস্থা লবলৈ দায়িত্ব দিয়ে। আজান ফকীৰৰ বিষয়ে কোনো প্ৰমাণ নোহোৱা সত্ত্বেও ৰূপাই দা-ধৰাৰ নেৰানেপেৰা হেঁচাত আজান ফকীৰৰ চকু কঢ়াৰ নিৰ্দেশ দিয়ে। কথিত আছে যে এই ৰাজ-আজ্ঞা মানি লৈ আজান ফকীৰে দুহাতে দুটা মলাচক লৈ প্ৰাৰ্থনা কৰাত আপোনা-আপুনি তেওঁৰ 'নজৰ' ( চকু ) সুলকি পৰে। অৰ্থাৎ আজান ফকীৰৰ দৃষ্টিশক্তিহীন হৈ পৰে।

কিন্তু অনতিপলমে ৰাজ্য জুৰি ইয়াৰ অদ্ভুত প্ৰতিক্ৰিয়াই দেখা দিয়ে, বিশেষকৈ হিথোত এটা ভয়ংকৰ বানপানী হৈ গড়গাওঁ তল নিয়ায়। অসম বুৰঞ্জীত উল্লেখ আছে যে, তেতিয়া ৰজাই আজান ফকীৰৰ মাহাত্ম্য

বুজিব পাৰে আৰু এনে দুভাৰ্গ্যজনক কাৰ্যৰ কাৰণে অনুতাপ কৰি দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলত থকা শৰাগুৰি চাপৰিত ভালেমান ঠাই জুৰি এটা মঠ সজাই দিয়ে। জিকিৰত আছে—

শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি
বজাই সজাই দিলে মঠ,
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাতুৰী বনবে কঠ।

অন্ধ হোৱাৰ পিছত মৃত্যু পৰ্যন্ত আজান ফকীৰে বহুসংখ্যক জিকিৰ ৰচনা কৰি সুৰ দি ভকতসকলৰ লগত গাই আৰু এটা শান্তিপূৰ্ণ সাত্বিক জীৱন যাপন কৰি শৰাগুৰি চাপৰিতে থাকিবলৈ লয়। সকলোৱে আজান ফকীৰক এজন ধৰ্মগুৰু বুলি মানি লয়, আৰু তেওঁ ৰচনা কৰা জিকিৰ গীতবোৰ অতি শ্ৰদ্ধাৰে গাবলৈ লয়। যোৱা তিনিশ বছৰৰো অধিককাল আজান ফকীৰে ৰচনা কৰা গীতবোৰ উজনি অসমৰ মুছলমানসকলে বিশেষকৈ গাঁৱৰ সাধাৰণ নিৰক্ষৰ আৰু অলপ শিক্ষিত মানুহে আস্থা আৰু শ্ৰদ্ধাৰে গাই আহিছে। সহজবোধ্য, সাধাৰণ মানুহৰ ভাষাত আধ্যাত্মিক আৰু নৈতিক আদৰ্শৰে পুষ্ট, পৰিচিত ছন্দত ৰচিত আজান ফকীৰৰ জিকিৰ গীতবোৰ ভকতসকলে নাচি নাচি আৰু ননচাকৈও গায়। এই গীতবোৰৰ আকৰ্ষণ আৰু আবেদন হৈছে ইয়াৰ জনপ্ৰিয় সুৰ আৰু গীতবোৰৰ মাজেদি ইছলাম ধৰ্মৰ মূল কথাবোৰ ব্যক্ত হোৱাৰ লগতে তাত থকা সাৰ্বজনীন মানবীয় আবেদন আৰু সাম্প্ৰদায়িক ঐক্য আৰু সংহতিৰ প্ৰতি কৰা সকল আবেদন। তেওঁ গাইছিল—

মোৰ মনত আন ভাব নাই ঐ আল্লা;
মোৰ মনত ভিনপৰ নাই ঐ আল্লা,
হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান,
মোৰ মনত একেটি ভাব।

লক্ষ্য কৰিবলগীয়া কথা যে, সুদূৰ বাগদাদৰ পৰা যথেষ্ট বয়সত অসমলৈ আহি অসমীয়া গীত-মাত শিকি সেই ভাষাত গীত ৰচনা কৰি এটা নতুন সাংস্কৃতিক পৰিবেশ সৃষ্টি কৰি বিভিন্ন সম্প্ৰদায়ৰ আৰু জাতি-ধৰ্মৰ লোকৰ মাজত ঐক্য, সম্প্ৰীতি আৰু সংহতি প্ৰতিষ্ঠা কৰিবৰ কাৰণে তেওঁ আমৃত্যু সাধনা কৰি গ'ল। আজান ফকীৰৰ জিকিৰ ৰচনাৰাজি অসমীয়া সাহিত্যত এক মহামূল্য সম্পদৰূপে স্বীকৃত আৰু সমাদৃত। তেওঁৰ সাধনা আৰু

ত্যাগ অতুলনীয়। তেওঁ অন্ধ হোৱাৰ পিছতো ৰজা-প্ৰজা কাৰো ওচৰত কোনো অভিযোগ নকৰি একান্তভাৱে নিজৰ পবিত্ৰ কৰ্তব্যতে ব্ৰতী হৈ থাকিল আৰু অসমকে নিজ মাতৃভূমি বুলি অসমীয়া ভাষাকে নিজৰ মাতৃভাষা হিচাপে লৈ এই ভাষাতে জিকিৰ গীত ৰচনা কৰি, নিজে গাই আৰু আনৰ হতুৱাই গোৱাই ইয়াতেই মৃত্যুবৰণ কৰিলে। কোনোদিনেই অসমক এৰি অন্য কৰবালৈ গুচি যোৱাৰ কথা নেভাবিলে।

একেধাৰে কবি, সাধক, সংস্কাৰক, গায়ক, গীতিকাৰ তথা সংহতি আৰু সম্প্ৰীতিৰ অগ্ৰণী প্ৰতিষ্ঠাপক হিচাপে আজান ফকীৰ আজি অসমৰ প্ৰখ্যাত আৰু স্বনামধন্য অসমীয়া ব্যক্তিসকলৰ মাজৰে এজন শীৰ্ষস্থানীয় ব্যক্তি। হিন্দু-মুছলমান নিৰ্বিশেষে অসমৰ গাওঁ-চহৰৰ সকলো ৰাইজে আজান ফকীৰৰ অৱদানক জাতীয় সম্পদৰূপে গ্ৰহণ কৰিছে। তেওঁ অসমৰ জাতীয় সংহতিৰ এক প্ৰেৰণাৰ স্থল।

আজান ফকীৰে ৰচনা কৰা আঠকুৰি জিকিৰৰ বহুখিনি লোপ পাইছে। যিখিনি পোৱা গৈছে, সেইখিনিৰ কথা আৰু সুৰ বহুক্ষেত্ৰত বিকৃত হৈছে আৰু অধিক বিকৃত হোৱাৰ আশংকা আছে। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ চৈয়দ আব্দুল মালিকে অসমৰ বিভিন্ন ঠাইত সিচৰিত হৈ থকা জিকিৰ গীতবোৰ আৰু লগতে জাৰী গীতবোৰো সংগ্ৰহ কৰি সম্পাদনা কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই সংগ্ৰহ অসমীয়া 'জিকিৰ আৰু জাৰী' নামে দি কিতাপ আকাৰত প্ৰকাশ কৰে ১৯৫৮ চনত। অসমৰ দুয়োটা অনাতাঁৰ কেন্দ্ৰৰ (গুৱাহাটী, ডিব্ৰুগড়) পৰা আজান ফকীৰৰ গীতবোৰ নিয়মীয়াকৈ প্ৰচাৰ কৰা হয়। এই বিষয়ে বিভিন্ন প্ৰবন্ধ পাতিও প্ৰকাশ হৈছে। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি 'আজান ফকীৰ' শীৰ্ষক এখনি সংগীতালেখ্য ধাৰাবাহিকভাৱে প্ৰচাৰিত হৈছিল। মহেন্দ্ৰনাথ বৰঠাকুৰে আজান ফকীৰৰ জীৱন আৰু কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা 'শৰাগুৰি চাপৰি' নামৰ নাটকখন অসমৰ বিভিন্ন অঞ্চলত ভ্ৰাম্যমান দলৰ জৰিয়তে সফলভাৱে অভিনীত হৈছিল। ভাৰতৰ সাহিত্য অকাডেমীয়ে 'Builders of India Series'-ত চৈয়দ আব্দুল মালিকে ইংৰাজী ভাষাত ৰচনা কৰা—'Ajan Fakir, The Poet Saint of Assam' নামৰ গ্ৰন্থখন প্ৰকাশৰ হাবিত লৈছে। ইয়াৰোপৰি আৰু কিছুমান জিকিৰ আৰু জাৰী বিদ্যালয়, মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ পাঠ্যপুথিতো অন্তৰ্ভুক্ত কৰা হৈছে।

অসমীয়া জিকিৰ আৰু জাৰী গীতবোৰত ভালেমান আৰবী, ফাৰ্চী আৰু উৰ্দু শব্দ আছে। এনেবোৰ শব্দৰ অৰ্থ আৰু তাৎপৰ্য বুজি নোপোৱাৰ কাৰণে জিকিৰ গীতবোৰৰ সাংগীতিক আবেদন থকা সত্বেও যথেষ্ট সংখ্যক জিকিৰ গীতৰ অৰ্থ বহুতৰ কাৰণে দুৰ্বোধ্য হৈ আছে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহতো শিক্ষক-শিক্ষয়িত্ৰীসকলে শ্ৰেণীত বুজাওঁতেও কিছু অসুবিধাৰ সন্মুখীন হোৱা দেখা যায়। তদুপৰি ইছলাম ধৰ্মৰ মৌলিক কথা আৰু চুফী দৰ্শনৰ ধাৰনাসমূহ স্পষ্টকৈ নেজানিলে জিকিৰ গীতৰ অৰ্থ অস্পষ্ট হোৱাৰ সম্ভাৱনাহে অধিক। এনেবোৰ কথা মনত ৰাখিয়েই বিশেষকৈ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে বুজাত সহায় হব পৰাকৈ কিছুমান জিকিৰৰ অন্তৰ্গত থকা আৰবী, ফাৰ্চী আদি শব্দৰ অৰ্থ দিয়াৰ লগতে কিছুমান জিকিৰৰ ভাবাৰ্থ সহজভাৱে দাঙি ধৰাৰ চেষ্টা গ্ৰন্থখনিত কৰা হৈছে। এই প্ৰসংগতে মনত ৰখা ভাল হব যে—আজান ফকীৰ আৰু অন্যান্য জিকিৰ গীতৰ ৰচকে ৰচনা কৰা সকলোবোৰ জিকিৰ গীত আৰু জাৰী গীতৰ বহল ব্যাখ্যাৰ প্ৰয়োজন আছে। কিন্তু গ্ৰন্থখনিত সেই চেষ্টা কৰা হোৱা নাই, যিহেতুকে ইয়াৰ বাবে বিস্তৃত অধ্যয়নৰ দৰকাৰ।

ইয়াত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা চৈয়দ আব্দুল মালিকৰ 'অসমীয়া জিকিৰ আৰু জাৰী' নামৰ পুথিত অন্তৰ্ভূক্ত কৰা কিছু সংখ্যক জিকিৰ গীতৰহে ব্যাখ্যা দিয়া হৈছে। এই বিষয়ত চৈয়দ আব্দুল মালিকে আগবঢ়োৱা সাহায্য আৰু দিহা-পৰামৰ্শ উল্লেখনীয়।

॥ অসমত আজান ফকীৰ ॥

আজান ফকীৰ বা হজৰত ছাহ মীৰানক ভাৰতৰ অন্যান্য চুফী সাধক-সকলৰ ভিতৰৰে এজন বিশিষ্ট চুফী বুলি গণ্য কৰা হয়। তেওঁ আজমীৰৰ হজৰত মইনুদ্দিন চিস্তীৰ ভক্তিপন্থাৰ অনুগামী আছিল বুলি জনা যায়। ১২০৫ খ্ৰীষ্টাব্দত বখ্‌তিয়াৰ খিল্‌জীয়ে অসম আক্ৰমণ অভিযান আৰম্ভ কৰাৰ দিন ধৰি, অসমত ইছলাম ধৰ্মাৱলম্বী লোক দুই-চাৰিজনকৈ বৈ যোৱাৰ প্ৰমাণ পোৱা যায়। ঠায়ে ঠায়ে, বিশেষকৈ ভাটি অসমত দুই-চাৰিজন থলুৱা লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰা বুলিও জনা যায়, যদিও এনে লোক-

সংখ্যাত সৰহ নাছিল। সপ্তদশ শতিকাৰ প্ৰথম ভাগত আজান ফকীৰে তাৰেক নবী চাহেবক লগত লৈ যেতিয়া উজনি অসমলৈ আহে, সেই সময়ত বহুসংখ্যক মুছলমান লোক ইয়াত থকাৰ কথা নিশ্চিতভাৱে জনা যায়। এই-সকলৰ কিছু সংখ্যক হয়তো ধৰ্মান্তৰ গ্ৰহণকাৰী থলুৱা লোকেই আছিল। তেওঁলোকে যথাৰীতি ইছলামৰ ধৰ্মীয় অনুষ্ঠান আদি পালন কৰাৰ পৰিবৰ্তে ইয়াৰ থলুৱা ৰীতিনীতিহে পালন কৰি চলিছিল। নামাজ পঢ়িবৰ কাৰণে মছজিদত আজান দিয়া প্ৰথা সমগ্ৰ মুছলমান সমাজতে হজৰত মোহম্মদৰ দিনৰ পৰা চলি আহিছে যদিও উজনি অসমত তেতিয়া হয়তো আজান দি মছজিদত ৰাজহুৱাভাৱে নামাজ পঢ়াৰ সাধাৰণ ৰীতি সকলো ঠাইতে প্ৰচলন হোৱা নাছিল। সেয়ে ধাৰণা কৰিব পাৰি যে গড়গাঁৱৰ ওচৰৰ চুনপোৰাত এটা মছজিদ সজাই লৈ আজান ফকীৰে আজান দি নামাজলৈ মুছলমান সকলক আহ্বান জনাবলৈ লোৱাৰ কাৰণেহে ছাহ মীৰানক 'আজান ফকীৰ' বুলিহে মানুহে চিনাক্ত কৰিছিল। সমূহীয়া নামাজলৈ আহ্বান জনাই আজান দিয়াটো যেন সম্পূৰ্ণ নতুন কথাহে আছিল।

আজান চাহেবৰ পূৰ্বে আৰু তেওঁৰ কালত উজনি অসমৰ মুছলমানবিলাকৰ আচাৰ-ব্যৱহাৰ, চাল-চলন কেনে আছিল তাৰ কিছু আভাস আজান চাহেবৰ নিজৰ ৰচনাৰপৰাই পোৱা যায়।

মুছলমান মানুহবোৰৰ কিছু অংশ নিৰক্ষৰ আৰু অশিক্ষিত আছিল। শিক্ষা আহৰণ কৰা 'ফৰজ' বুলি জানিও অসমৰ মুছলমানে তাৰ প্ৰতি অলপো চকু নিদিছিল।

তলবোল্ ইলমে ফৰিজ তোন—
ফৰজকো নকৰে কান,
হাল বাবলৈত শকও,
পহৰা দিবলৈকো শিয়ান।

শিক্ষাতকৈ যে খেতি-বাতিৰ প্ৰতি মুছলমানবিলাকৰ বেছি ধাউতি আছিল, এই উক্তিয়ে তাকে প্ৰমাণ কৰে।

আল্লা কুয়ে মুছলিমিন আও মুছলিমাত
মুমিন মুমিননী হল ফৰজৰ তাৰী।
খোদাৰ ধাৰক নিদি, ধৰবাক ফুৰে বিচাৰি।

ধৰ্ম বা জ্ঞান সাধনাতকৈ বৈষয়িক চিন্তাই বেছি আছিল—

দুনিয়াৰ কামক লাগি 'দীন'কো নগণে,
ইলিম কালামকো নপঢ়ে,
পঢ়্‌বাই পঢ়িলেও দুগুনে,
মুমিনে পঢ়ে , মোনাফিকে শুনে।
শুনিব নোৱাৰি হাঁহে আৰু কাহে।

সেই সময়ত অলপ সংখ্যক ভাল মুমিনো আছিল, আৰু তেওঁলোক মোনাফিক (মুখে মুছলমান, কপটীয়া) বিলাকক ধৰ্মশিক্ষা দিবলৈ চেষ্টা কৰিও সফল হ'ব নোৱাৰিছিল। কাৰণ ধৰ্মৰ প্ৰতি ইবিলাকৰ বিৰাগ বা অৱহেলা স্পষ্ট আছিল।

এই মুছলমানৰ মাজত ধৰ্মকাম যি চলিছিল, সি আছিল লোক-দেখনিয়াৰ আৰু কপটীয়া প্ৰকৃতিৰ। নামাজ, ৰোজা পালন কৰিছিল আনৰ আগত ধাৰ্মিক বোলাবৰ কাৰণে—"ৰোজাধৰে দেখুৱাহ, গুনাহ কৰে লুকুৱাই , পুণ্যৰ শত্ৰু, পাপৰ ভাগী, সাধু কথা শুনি আজানক কৰে ৮ং নামাজলৈকো হেলা, নাচিবলৈকো ৰং।" মছজিদত নামাজৰ কাৰণে আজান দিয়া হয়, সিহঁতে শুনে, কিন্তু মছজিদলৈ নামাজ পঢ়িবলৈ যোৱাতকৈ সাধু কথা শুনি বহি থকাকে সিহঁতে বেছি ভাল বুলি ভাবে। কিছুমান মানুহ নামাজলৈ নাহি, নাচিবলৈ গৈছিল, নাচ-গান আদিত ইহঁত ব্যস্ত আছিল। সেই সময়ত মৰ্চিয়া বা জাৰী গীত নাচি নাচি গোৱা হৈছিল। জিকিৰো নাচি নাচি হাত চাপৰি বজাই গাইছিল। এইবোৰ ধৰ্মৰ কাম বা পুণ্যৰ অনুষ্ঠান বুলি নলৈ, ৰং ধেমালি হিচাপে লৈছিল। জিকিৰ মৰ্চিয়া গোৱাৰ দৰে মুছলমানসকলে ওজাপালিও গাই ফুৰিছিল।

"মৰ্চিয়া গীতক শুনি বান্দা জাগে চৌপৰ ৰাতি।
খোদা মহম্মদৰ কথা শুনিলে গালক কৰে কাটি।
বান্দাই বন্দেগী নকৰে, পালিৰ বোলায় ওজা,
কাবালৈও নোদোৱাই মূৰ, মূৰ হ'ল মূৰৰ বোজা।
জিকিৰ-ফিকিৰ নাই, উশাহ আছে টানি।
কমাৰৰ হাতিনা ভাল, লোহাক কৰে পানী।"

মানুহবোৰৰ এদলে কেৱল খাইবৈ, উশাহ-নিশাহ লৈ জীয়াই থাকে। অন্য কোনো ধৰ্ম-কাম নাই, এইবোৰতকৈ কমাৰৰ হাতিনাই ভাল, লো গলাই পানী কৰে।

"নামাজৰ কৰে নিন্দা, চৰিয়তক কৰে বিতন্দা,
ৰছুলৰ নহয় উম্মত, খোদাৰ নহয় বান্দা।

আজানৰ মাত শুনি পিঙ্কাৰ দিয়ে পটন্তৰ,
তচ্‌বিহকো বোলে চানৰ মন্তৰ।
আওকা আল্লাহ তচবিহকো নেপাব বিচাৰি,
বুকু বাহ চপৰিয়াই জিকিৰৰ লগাই শাৰী।"

উক্ত কথাখিনিয়ে সেই সময়ত অসমত এদল মুছলমান যে নামতহে মুছলমান আছিল আৰু কামত ধৰ্ম আদৰ্শহীন আছিল সেই কথা ভালকৈ বুজায়। আৰু ই চাহাবুদ্দিন তালিছে কৰা মন্তব্যক সমৰ্থন জনায়—As for the Musalmans who had been taken prisoner in former times and had chosen to marry here, their descendants act exactly in the manner of the Assamese and had nothing of Islam except the name.

নতুন ধৰ্মান্তৰ গ্ৰহণকাৰীৰ নতুন ধৰ্মৰ প্ৰতি এটা আগ্ৰহ থাকে, কিন্তু মোনাফিক বা কপটীয়াক সৎ পথলৈ অনা অতি কষ্টকৰ, কাৰণ বাহিৰত সিহঁতৰ দোষবোৰ দেখা নেযায়। আজান চাহেব এনে এদল মানুহৰ মাজতে আহি পৰিছিল।

বস্তুতে ধৰ্মৰ ব্যভিচাৰ কৰাৰ উপৰিও ইছলামৰ মূল আদৰ্শৰ বিৰোধী কিছুমান কাম কৰিছিল। জিকিৰত তাৰ উল্লেখ আছে।

ধন ধাৰলৈ দি সুদ বা বাঢ়ি খোৱা ( ইচ্‌লামৰ মতে হাৰাম ), কুকুৰা যুঁজোৱা, আগলতি কলপাত পাৰি উপদেৱতা বা অপদেৱতাৰ পূজা কৰা (আই পূজা আদিও) এদল মুছলমানে নিৰ্বিবাদে কৰিছিল। এইবোৰ তওহিদ বা আল্লাৰ একত্বৰ পৰিপন্থী ক্ৰিয়া। আজান চাহাবে এনে মুছলমানকে প্ৰকৃত ইছলামৰ পথলৈ আনিবলগীয়া হৈছিল।

চান্দশাঁৰ দৰে মুছলমান বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱাত এহাতে যিদৰে সেই সময়ত বৈষ্ণৱ গুৰুজনৰ তথা মতবাদৰ শক্তিৰ বিষয়ে ভালকৈ বুজিব পাৰি, আনহাতে ইছলাম কিমান দুৰ্বল হৈ পৰিছিল তাকো সহজে অনুমান কৰা যায়। কোনো এটা ধৰ্মত শক্তিশালী থাকিলে সাধাৰণতে সেই ধৰ্মাৱলম্বীলোকে সহজে ধৰ্মান্তৰ গ্ৰহণ নকৰে।

বিভিন্ন চুফি পন্থাত জিক্‌ৰ্‌ কৰাৰ যি ব্যৱস্থা আৰু ৰীতি আছে, অসমৰ জিকিৰ গোৱা পদ্ধতিৰপৰা সি বহুত নিলগ; অসমত হিন্দুসকলে নাম কীৰ্তন গোৱাৰ দৰেই মুছলমানসকলে জিকিৰ গাইছিল। মচিদ্দা গোৱাত মুছলমানবিলাকে বাতি

কটোৱাৰ উল্লেখৰপৰা এই ৰীতি থলুৱা অসমীয়া হয় নে নহয় চিন্তা কৰিবলগীয়া হয়। "

অসমত নাট অভিনয়, ওজাপালি আদি আছিল। মুছলমানেও ওজাপালি গাইছিল। কিন্তু মৰ্চিয়াৰ বিষয়বস্তু কাৰবালাৰ কাহিনী আৰু তাৰ গোৱা আৰু নাচৰ পদ্ধতিও বেলেগ। বঙ্গদেশতো জাৰী-গীত, মৰ্চিয়া আদি গোৱা হৈছিল, এতিয়াও গোৱা হয়। কিন্তু অসমীয়া জাৰী-নাচৰ এটা স্বকীয়া ৰূপ আছে। উত্তৰ ভাৰতৰ (উত্তৰপ্ৰদেশ, বিহাৰ আদি ঠাইৰ) চিয়া সকলে (লগতে কিছু চুন্নিয়েও আৰু কিছু হিন্দুৱেও) এতিয়াও 'তাজিয়া' গায় আৰু নাচে। এই তাজিয়াত প্ৰধানতঃ তৰোৱাল, লাঠি, পটকা আদি যুদ্ধৰ অস্ত্ৰ পৰিচালনাৰ খেলা দেখুওৱা হয়। কিন্তু অসমীয়া জাৰী-নাচ তাজিয়াৰ লগত অতি কম মিলে। অসমীয়া জাৰী আঠ-দহজন মানুহে ঘূৰি ঘূৰি, নাচি নাচি গায়। নাচৰ খোজ অন্য নাচৰ লগত নিমিলে। গীত-নাচৰ লগে লগে বুকুত হিয়া ভুকুৱাৰ দৰে চাপৰি বজোৱা হয়।

হয়তো ওজাপালি, তাজিয়া, বধকাব্য, বঙালী মৰ্চিয়া আদিৰ প্ৰভাৱতে এই নৃত্যাই গঢ় লৈছে। কিন্তু অসমৰ আজান চাহেবৰ আগতে ই কেনেকৈ জনসমাজত বিয়পি পৰিল সিহে বিচাৰৰ বিষয়। সেই দেখি ধাৰণা হয় যে খৃষ্টীয় চতুৰ্দশ পঞ্চদশ শতিকাৰ পূৰ্বেই কোনো মুছলমান কবি আৰু নৃত্যবিদে এই গীত আৰু নৃত্যৰ প্ৰচলন কৰে। শিৱসাগৰ আৰু নগাওঁ জিলাৰ জাৰী নাচৰ লগত আমাৰ হুচৰি আৰু ওজাপালিৰ দূৰণীয়া সাদৃশ্য থকা যেন লাগে।

অসমীয়া বিয়া নাম, লৰা নিচুকুৱা গীত, বিহু গীত আদিৰ দৰে মুখে মুখে চলি অহাৰ ফলত জাৰী গীত আদিৰ সলনি হৈ আহি আছে আৰু ভাষাৰ কালৰ পৰা বিচাৰ কৰি যিদৰে সেইবোৰৰ ৰচনা কাল নিৰ্ণয় কৰা সম্ভৱ নহয়, সেইদৰে জিকিৰ জাৰীবোৰেও মুখে মুখে চলি অহাৰ ফলত পূৰ্বৰ নিজস্বৰূপ ভাগেথিনি হেৰুৱাইছে। সাধাৰণতে যিবোৰ জিকিৰ আৰু জাৰী বেছি জনপ্ৰিয় আৰু প্ৰায় সকলো ঠাইতে গোৱা হয়, সেইবোৰৰ ভাষাই যুগৰ দাবী মানি আধুনিকতা পাইছে। যিবোৰ অলপ কম গোৱা হয়, সেইবোৰৰ ভাষাৰ গঢ় বেছি সলনি হোৱা নাই। জিকিৰ জাৰীবোৰৰ ভাষাৰপৰা কাল নিৰ্ণয় কৰা নিৰাপদ নহয়।

কিন্তু, এই কথা অবিসম্বাদী সত্য যে আজান চাহেবৰ আগতে দুই-চাৰি বচকে জিকিৰ আদি ৰচনা কৰিছিল (আজান চাহেবৰ গীতত তাৰ উল্লেখ আছে) আৰু মুছলমানবিলাকে সেইবোৰ গাইছিল যদিও তাত স্থানীয় ঠাঁচ সুৰ আদিৰ বেছিকৈয়ে প্ৰভাৱ পৰিছিল।

আজান ফকীৰ এজন চুফী সাধক আছিল বুলি আগতেই কোৱা হৈছে। এই প্ৰসংগতে চুফীবাদ বা ৰহস্যবাদ সম্পৰ্কে আৰু ইয়াৰ বৈশিষ্ট্য তথা তাৎপৰ্য সম্পৰ্কে কিছু আভাষ দিয়া দৰকাৰ। আজান ফকীৰে চুফীবাদৰ সাৰ কথাখিনি অসমৰ সাধাৰণ মানুহে বুজিব আৰু গ্ৰহণ কৰিব পৰাকৈ জিকিৰ গীতৰ যোগেদি আগবঢ়াবলৈ যত্ন কৰিছিল। ইয়াত চুফীবাদৰ বিকাশ, বিবৰ্তন আৰু বিশেষত্ব সম্পৰ্কে কিছু আলোচনা দাঙি ধৰা হ'ল।

## ॥ চুফীবাদ—ইয়াৰ বিশেষত্ব ॥

বঙ্গদেশত মুছলমানৰ শাসন কালত (প্ৰায় ছশ বছৰ) বহু প্ৰকৃত চুফী সাধক থকাৰ আৰু তেওঁলোকৰ শক্তিশালী প্ৰভাৱৰ ধাৰণা কৰিব পাৰি। বৰ্তমানৰ বঙ্গদেশত এতিয়াও প্ৰচলিত মাৰিফতি গীত আৰু বাউল গীতবোৰেও চুফী প্ৰভাৱৰ নিদৰ্শন দাঙি ধৰে। বাউল সম্প্ৰদায়ক সম্পূৰ্ণ ইছলামী আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত বুলি ক'বলৈ টান। কিন্তু মুৰ্ছিদা গীত আৰু মাৰিফতি গীত-বোৰ সহজ বঙলা ভাষাত হোৱাৰ কাৰণে আৰু বহু গীত দ্ব্যৰ্থবোধক হোৱাৰ কাৰণে সেইবোৰক এক প্ৰকাৰৰ চুফীসকলৰ গূঢ়াৰ্থ-সম্বলিত গীত বুলি শ্ৰদ্ধাৰে গ্ৰহণ কৰা হয়। দৰবেছ নূৰ কুত্‌বে আলম বঙ্গৰ ৰজা গণেশৰ দিনত এজন প্ৰখ্যাত চুফী আছিল। চট্টগ্ৰামৰ বায়েজিদ বিস্তামীৰ দৰ্গাহ এক বিখ্যাত দৰ্গীৰ সমাধীক্ষেত্ৰ।

উত্তৰ ভাৰতৰ হজৰত মইনুদ্দিন চিস্তী আজমীৰি, হজৰত নিজামুদ্দিন আউলিয়া, হজৰত চলীম চিস্তি, হজৰত কুতুবুদ্দিন বখ্‌তীয়াৰ কাকী, ছেখ ফৰিদুদ্দিন গঞ্জছকৰ, চিৰাজুদ্দিন ওচমানী, হোচামুদ্দিন মানেকপুৰী, নচিৰুদ্দিন চিৰাগ দেহলি, এখ্‌তিয়াৰুদ্দিন ওমৰ, হাচান চৰমস্ত, চালাৰ ফাৰুকী, হজৰত মস্তান হাজী দাস্কানী, হজৰত আলা-আস্‌হক্‌, হজৰত ছাহ জালাল আদি বিশ্ববিখ্যাত চুফী পীৰসকলৰ লগতে অসমৰ হজৰত আজান পীৰ, হজৰত গিয়াচুদ্দিন আউলিয়া আদি বহু চুফী সাধক থকাৰ আৰু তেখেত সকলৰ কাৰ্যকলাপৰ ঐতিহাসিক বিৱৰণ পোৱা যায়।

### ॥ অসমৰ চুফীবাদৰ ধাৰা ॥

ইংৰাজী ১২০৫ চনতে অসম মুছলমানৰ সংস্পৰ্শলৈ আহিছিল যদিও অসমলৈ কেতিয়া কোন চুফীসকল আহিছিল, আৰু আহিছিল যদিও কোন চুফী কোন পন্থাৰ আছিল জনা নাযায়। গোৱালপাৰাত থকা পাঁচ পীৰৰ দৰ্গাহৰপৰা একে সময়তে কোনো ঠাইলৈ পীৰসকল আহিছিল বা কোনো ঠাইত বসবাস কৰি ধৰ্ম প্ৰচাৰ কৰিছিল বা ধৰ্ম জীৱন যাপন কৰিছিল বুলি বুজিব পাৰি। হাজোত হজৰত গিয়াচুদ্দিন আউলিয়াৰ মাজাৰ আৰু দৰগাহ আছে। এখেতো কোন তৰিকাৰ পীৰ আছিল সঠিক জনা নাযায়। পূৰ্বে অসমৰ অন্তৰ্গত থকা

ছিলেটত হজৰত ছাহ জালাল য়মনীৰ ( ১১৯৭-১৩৪৭ ) দৰ্গাহ আছে। অসমৰ অন্যান্য ঠাইতো বিভিন্ন অলী আৰু মুছলমান সাধকৰ মাজাৰ বা দৰগাহ আছে।

অসমৰ প্ৰায় সকলো মুছলমান চুন্নী সম্প্ৰদায়ৰ। পৃথিৱীৰ অন্যান্য ঠাইৰ মুছলমানে কাৰবালাৰ কৰুণ কাহিনীক স্মৰণ কৰি মোহৰ্‌ৰম উৎসৱ উদ্‌যাপন কৰে যদিও, কোনো অসমীয়া মুছলমানে সেই উপলক্ষে তাজিয়া পালন কৰাৰ কথা জনা নাযায়। উত্তৰ প্ৰদেশ, বিহাৰ আদিৰপৰা অহা মুছলমানসকলে তাজিয়া পালন কৰে যদিও, তেওঁলোক অসমলৈ অহাৰ বেছি দিন হোৱা নাই, আৰু তাজিয়া পালন কৰোতা সকলো সকলো চিয়া সম্প্ৰদায়ৰ লোক নহয়। বিহাৰ আদিৰ নিচিনাকৈয়ে অসমতো কোনো কোনো ঠাইত বিহাৰ আদিৰ হিন্দুৱেও তাজিয়াত যোগদান কৰা দেখা যায়।

- অসমত যিহেতু চিয়া মতাৱলম্বী মুছলমান নাই, বা থাকিলেও সংখ্যাত তেনেই তাকৰ, সেই দেখি অসমত কাদিয়ানী মজহবৰ মুছলমানো মুষ্টিমেয়, আৰু থাকিলেও কৰ্মজীৱনৰ ক্ষেত্ৰত তেওঁলোকৰ বিশেষ কোনো প্ৰভাৱ থকাৰ কথা জনা নাযায়।

অসমত, বিশেষকৈ উজনি অসমত, পীৰসকলৰ নামৰ পৰম্পৰাগত তালিকা উদ্ধাৰ হৈছে। তাৰপৰা কেইটামান কথা দেখা যায়।

(১) অসমলৈ ধৰ্ম প্ৰচাৰৰ কাৰণে আৰু অসমতে বৈ যোৱা পীৰসকলৰ সৰহ ভাগেই চৈয়দ আছিল।

(২) কোনো কোনো পীৰ ভাৰতৰ বাহিৰৰপৰা পোনে পোনে অসমলৈ আহিছিল আৰু ইয়াতে বৈ গৈছিল।

(৩) পীৰসকলে খানকাহ বা মঠ পাতি শিষ্য বা মুৰিদ পৰিবেষ্টিত হৈ ধৰ্ম জীৱনৰ শিক্ষা-দীক্ষা দিছিল।

(৪) কোনো কোনো পীৰে বংগদেশৰ মাজেদি অসমলৈ আহোতে, বংগদেশত থকা পীৰবো শিষ্যত্ব গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে চুফীসকলে ভৌগোলিক সীমাৰেখাক কাহানিও আধ্যাত্ম-সাধনাৰ পথৰ সীমাৰেখা বা অন্তৰায় বুলি গণ্য নকৰিছিল। শিষ্যত্বৰ মাধ্যম সাধকৰ হৃদয়হে, গতিকে পীড় মুৰিদৰ সম্পৰ্ক আলোকৰ পথত মানৱ হৃদয়ৰ অভিযানৰ যোগেদি হোৱা আত্মীয়তাৰ সম্পৰ্কহে। গুৰু আৰু শিষ্য সাধন পথত অভিন্ন-হৃদয় হৈ পৰে।

(৫) অসমত কাৰবালাৰ কাহিনীক অৱলম্বন কৰি জাৰী গীত ৰচিত হৈছিল যদিও, আৰু সেই গীত আজিকালিও গোৱা হয় যদিও, চিয়া আদৰ্শৰ

লগত জাৰী গীতত অংশ গ্ৰহণকাৰীসকলৰ কোনো সম্পৰ্ক থকাৰ নিদৰ্শন দেখা নাযায়।

(৬) অসমলৈ অহা যিসকল পীৰৰ নাম, বিৱৰণ আদি অসম বুৰঞ্জীত পোৱা যায়, সেইসকল আটায়ে চিস্তীয়া নিজামিয়া তৰিকাৰ বুলি জনা যায়। হজৰত মোহম্মদৰপৰা (দঃ) আৰম্ভ কৰি. তেওঁলোকে নিজক খাজা মইনুদ্দিন চিস্তীৰ চিস্তীয়া পন্থাৰ অনুগামী বুলি কয় আৰু তেওঁলোকৰ ওচৰত থকা পীৰৰ তালিকাত এই কথাৰ প্ৰমাণ পোৱা যায়। অন্ততঃ হজৰত মইনুদ্দিন চিস্তীৰপৰা আৰম্ভ কৰি মাজত কোনো ছেদ নথকাকৈ পীৰসকলৰ নামৰ ক্ৰমিক তালিকা পোৱা যায়, তাৰপৰা দেখা যায় যে পীৰসকল চুন্নী মতাৱলম্বী আছিল আৰু তেওঁলোক হানাফী মজহৰৰ আছিল।

হজৰত আজান পীৰ, চালেহ পীৰ, চায়াল পীৰ, নবী পীৰ, খোন্দকাৰ আব্দুল গণি পীৰ আদিৰ মতাদৰ্শ সম্পৰ্কে যি জানিব পৰা গৈছে তাৰপৰা চমুকৈ এনে ধাৰণা কৰিব পাৰি যে বংশগতভাৱে এখেতসকল চৈয়দ আছিল, কিন্তু তেওঁলোকৰ পূৰ্বগামী পীৰসকলৰ ভিতৰত কোনো কোনো অনা চৈয়দ পীৰো থকাটো অসম্ভৱ নহয়। গুৰুসকলে ভকত কৰোৱা বা মুৰিদ কৰোৱা প্ৰথা আৰু গুৰুৰ ওচৰত বয়আত হোৱা বা শিষ্যত্ব গ্ৰহণ কৰা প্ৰথা আজি পৰ্যন্ত চলি আছে। অৱশ্যে অসমৰ মুছলমানৰ মাজত ব্যৱসায়ী গুৰুগিৰিৰ ব্যৱস্থা নাই। কোনোবাই কাৰোবাক মুৰিদ কৰিলেও বা কোনো কাৰোবাৰ মুৰিদ হ'লেও তাক গোপনে ৰখা হয়। কাৰণ চুফী দীক্ষা গ্ৰহণ কৰি, কৰিব লগাখিনি যথাযথ পালন কৰিব নোৱাৰিলে, মুৰিদজনৰ বহুত ক্ষতি হ'ব পাৰে বুলি এটা ধাৰণা আছে।

ফৰজ, চুন্নত আদি অৱশ্যে পালনীয় ধৰ্মীয় কৰ্তব্যখিনি নিষ্ঠাৰে পালন কৰি এক সাত্বিক জীৱন যাপন কৰাকে সৰ্বসাধাৰণ মুছলমানে যথেষ্ট বুলি ভাবে। তথাপি সংখ্যাত তাকৰ হ'লেও, এতিয়াও কোনো গুৰুৰ ওচৰত দীক্ষা লৈ বিশেষ জিক্‌ৰ আদি পালন কৰি চুফী সাধন-মাৰ্গ অনুসৰণ কৰি চলা কিছু সংখ্যক মুছলমান অসমত আজিও আছে। চুফী পন্থা অৱলম্বন কৰি চলিলেও এওঁলোকে সাধাৰণতে চুফী বুলি নিজৰ পৰিচয় নিদিয়ে, আৰু আনেও তেওঁলোকক চুফী আখ্যা সাধাৰণতে নিদিয়ে।

হজৰত আজান পীৰে প্ৰৱৰ্তন কৰা পন্থাৰ মাজত দুটা কথা লক্ষ্য কৰা যায়। (১) তেওঁ প্ৰধানতঃ সেই সময়ৰ নামত-মাথোন-মুছলমান হৈ থকা মানুহ-বিলাকক প্ৰকৃত মুছলমান কৰিবৰ কাৰণে ছৰিয়তৰ আদেশ-নিৰ্দেশবোৰ প্ৰচাৰ কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ কোনো বিশেষ নিৰ্বাচিত মুৰিদ বা শিষ্য থকাৰ কথা জনা নাযায়। কিন্তু পীৰসকলে বহু সময়ত নিজৰ কোনো পুত্ৰ বা

আত্মীয়ক কেতিয়াবা মুৰিদ কৰোৱাৰ প্ৰথা আছে। এনে কৰিলে বংশগতভাৱে আধ্যাত্ম সাধনাৰ পৰম্পৰা বৈ যায়। আৰু, দ্বিতীয়তে নিজ সন্তান অন্যান্য সম্পদৰ উত্তৰাধিকাৰী হোৱাৰ উপৰিও ধৰ্মৰ ঐশ্বৰ্যৰো উত্তৰাধিকাৰী হয়।

হজৰত আজান পীৰে ৰচনা কৰা জিকিৰ গীতবোৰত আল্লাহ, ৰছুল, নামাজ, ৰোজা, কল্‌মা ( জিকিৰত কলিমা ), জাকাত আদিৰ বিষয়ে সাধাৰণে জানিবলগীয়া ইছলাম সম্পৰ্কীয় কথা আছে। সেয়া সৰ্বসাধাৰণৰ কাৰণে। কিন্তু তাৰ লগে লগে গূঢ়াৰ্থ-সম্বলিত তত্ব…বা চুফী-সাধনাৰ কথাও আছে। অন্যান্য চুফীসকলৰ দৰেই তেওঁ আল্লাহ আৰু ৰছুলৰ ওপৰত ঈমান অনা বা বিশ্বাস কৰাত গুৰুত্ব দিছে। কিন্তু জিকিৰৰপৰা যি দেখা যায়, তেওঁ কল্‌মাতেই অৰ্থাৎ আল্লাৰ নামৰ জিক্‌ৰ্‌ কৰাতেই অধিক গুৰুত্ব দিছে। তেওঁৰ মতে—

নেৰিবা কলিমা, ধৰিবা কলিমা,
কলিমা ধৰমৰ গুৰি।

নাইবা—

কলিমাৰ নাম সাৰথি
আল্লা জীউৰ লগে যায়,
কলিমা হকিকত, কলিমা ছৰিয়ত,
কলিমা পঢ়িব পায়।

অন্যান্য চুফীসকলৰ দৰেই হজৰত আজান পীৰেও আল্লাৰ স্বৰূপ সম্পৰ্কে যি কৈছে তাত অন্যান্য চুফীসকলৰ ভাৱাদৰ্শৰ প্ৰতিধ্বনি শুনা যায়—

আল্লা কাদিৰ কামাল,
চাহেব কাদিৰ কামাল।
মাজ সাগৰত পৰিছো বান্দাক
কৰিবা আচান।
মাৱৰ চাবি, বাপৰ চাবি
আল্লাৰ লোৱা দহ।
ওঠৰ মোকামৰ মাজে পীৰে মধুৰ বহ,
ওঠৰ মোকামৰ মাজে কোন কোন মোকাম জ্বলে,
তেল নাই, শলিতা নাই,
সদায় প্ৰদীপ জ্বলে।
লাহুতৰ দৰিয়াৰ মাজে
ধনে পেলায় জাল।

কহৰ দৰিয়াৰ মাজে
বহি আছে কাল।
জব্‌কত মোকামৰ মাজে
জলে দুই তৰা.
সেই তৰা নেথাকিলে দুনীয়া আন্ধাৰা।
অপাৰ সাগৰৰ মাজে
পুলচেৰাতৰ পাৰ,
ৰছুল হ'ব কাণ্ডাৰী,
উম্মত হ'ব পাৰ।

আল্লাহ যে 'নুৰুল-আল্লা-নূৰ' বা পৰম জ্যোতি সেই কথা, 'তেলো নাই শলিতা নাই, সদায় প্ৰদীপ জলে' বোলা কথাষাৰৰ যোগেদি প্ৰকাশ কৰা হৈছে।

হজৰত আদমৰ যোগেদি এই নূৰ বা জ্যোতিৰ অধিকাৰী হ'ল মানুহ, নিজৰ সৃষ্টিৰ দাপোনত আল্লাই নিজকে চালে। জিকিৰত আছে :—

নূৰে মোহম্মদী আল্লাৰ পয়দা,
দুনীৰ অধিকাৰী স্বামী,
আদম চফিউল্লা সবাৰে ইমাম
দমৰ পয়দাচী আমি।
দমে আদমত থাটনি ধৰিবা,
নূৰৰ চাই যাবা ৰং।
চাৰিটা চিজৰে মূল নাইকিয়া (মোল ?)
সি থাকে বান্দাৰ সং।
আ'ৰে, আতচে, এই থাকে, এই বাদে
চাৰিও থাকে চাৰি ভাগে,
যাৰ লাগিছে জগৰা দুনীলৈ
সৃষ্টি বাঢ়িব লাগে।
চাৰিটি চিজৰে চাৰিটি আতমা
চাৰিয়ে ইমানক লয়,
চাৰিটি চিজক দমত বাখি লৈ
আল্লাৰ চিজ্‌দা হয়।

হজৰত মোহম্মদ (দঃ) আল্লাৰ নূৰৰ প্ৰথম অধিকাৰী আছিল বুলি ধৰা হয়। আল্লাই এই নূৰ প্ৰথম মানুহ আদমৰ ওচৰত গচ্ছিত ৰাখিছিল। 'দমে আদমত

খাটনি ধৰিবা, নূৰৰ চাই যাবা ৰং'—অৰ্থাৎ আল্লাৰ নূৰৰ প্ৰথম বক্তক আছিল হজৰত আদম, আৰু আদমৰেই সন্তান হজৰত মোহম্মদে (দঃ) আল্লাই সৃষ্টি কৰা এই নূৰ লাভ কৰিছিল। বায়ু, পানী, মাটি, জুই (আ'ব, আতছ, খা'ক, বা'দ) এই ভূতসমূহেৰে গঠিত নৰদেহাত আল্লাৰ নূৰ এক অপাৰ্থিব আশীৰ্বাদ, পাৰ্থিব-ভৌতিক দেহাই মানুহক সংসাৰলৈ টানে (জগৰা দুনী) সৃষ্টি বঢ়াবৰ কাৰণে. কিন্তু আত্মাৰ অৱস্থান এই দেহাৰ ভিতৰতে যদিও আত্মা উৰ্দ্ধমুখী, যি আল্লাৰ নৰৰ জ্যোতিৰে উদ্ভাসিত।

চাৰিটি চিজৰে চাৰিটি আতমা,
চাৰিয়ে ইমানক লয়;
চাৰিটি চিজক দমত ৰাখি লৈ
আল্লাৰ চিজ্‌দা হয়।

আন এটা জিকিৰত আছে :—

এক ফুল অলিয়া;
এক ফুল বলিয়া;
আৰু ফুল ললিত বৰণ,
একেটি ডালতে
চাৰি ফুল ফুলিছে
চাৰিওৰো চাৰি বৰণ।
চাৰিওৰো উপৰি
যি ফুল ফুলিছে
ভগ্নোতা জনেহে পায়।

আল্লাহ আৰু হজৰত মোহম্মদৰ (দঃ) সম্পৰ্কে কোৰাৰ পিছত হজৰত আজান পীৰে কোৰাণৰ গুৰুত্ব সম্পৰ্কে কৈছে—

বেহাজল কোৰাণ
তামামৰ ইমান
আছে কলিমাক লৈ,
চৈধ্য তবকত বিচাৰি আহাগৈ
মুছিদৰ পাৱতে থৈ।

কোৰাণ হজৰত মোহম্মদৰ (দঃ) যোগে অৱতীৰ্ণ হোৱা আল্লাৰ বাণী. কিন্তু হজৰত আজান পীৰে কৰজচুন্নতৰ উপৰিও জিকিৰ বা কলিমাৰ গুপৰতেই আটাইতকৈ অধিক গুৰুত্ব দিছে। জিকিৰৰ বা আল্লাৰ নাম জপ কৰাৰ এক

বিশেষত্ব এইযে ইয়াৰ কাৰণে জপ কৰোতাজনৰ বিশেষ কোনো শিক্ষা-দীক্ষাৰ প্ৰয়োজন নাই।

ইলিম পঢ়ি পঢ়ি
তত্বক হেৰুৱালে,
কালামৰ বিচাৰে সাৰ,

সেই দেখি—

ওঁঠেই কলম, জিভাই কাগজ,
দাঁতে চাব চিয়াহী বাটে,
সন্ত মহন্ত আউলীয়াসকলে
একেটি নামতে থাটে।

জিকিৰৰ বা নাম জপ কৰাৰ এই সাৰ্বজনীনতা আৰু সৰলতা অসমৰ নিৰক্ষৰ সাধাৰণ মানুহৰ কাৰণে কোনো কষ্টসাধ্য ধৰ্মানুষ্ঠান নাছিল। যিসকলে কোৰাণ কিতাপ পঢ়িব নাজানে, তত্ব আলোচনা কৰিবও নাজানে, সেইসকলৰ কাৰণে ওঁঠেই কলম, জিভাই কাগজ, মাথোন নাম ধ্যান কৰিলেই হয়। কোৰাণতো এই কলিমা বা আল্লাৰ নামৰ জিকিৰৰ গুৰুত্ব আছে।

কলিমাই ছৰিয়ত, হকিকত, মা'আৰিফত সকলোকে সামৰিব পাৰে।

নাম সাৰথি জীউৰ লগে যায়,
কলিমা হকিকত, কলিমা ছৰিয়ত,
কলিমা তৰিবৰ উপায়।

আধ্যাত্ম সাধনাৰ পথত সাধাৰণ ভকতে গুৰুৰ ওচৰত একান্তভাৱে জীউ তৰাব পাৰে।

আৰছত পৰিব বেৰা,
যদি সত গুৰুত থাটনি ধৰিবা
দিব আল্লাৰ নূৰে গোৰা (হ)।

সত গুৰুৰ ওচৰত দীক্ষা লৈ জিকিৰ কৰি মানুহ ভৱনদী পাৰ হ'ব পাৰে—

জীউ তৰিবলৈ যাৰে মন আছে,
আল্লাৰ নামকে ধৰ,
আল্লাহ হক—সত্য
হক হৰ·········বিনে আল্লা কেও নাই আন্,
হক হৰে·········জুৰি আছে জমীন আস্মান।

এই—

হকৰ বিনে চক্কৰ নাই,
আল্লাৰ বিনে গতি নাই,
নবীৰ বিনে নাই নিস্তাৰ,
আওৱল কলিমাৰ বিনে
আন জিকিৰ আৰু নাই,
বন্ন বিনে অথল ই সংসাৰ।

আওৱল কলিমা ( প্ৰথম কলিমা ) হৈছে—লা ইলাহা ইল্লাল লাহ মোহম্মদুৰ ৰছুলোল্লাহ, ( আল্লাত বাদে আন কোনো পূজ্য নাই, আৰু মোহম্মদ তেওঁৰ প্ৰেৰিত পুৰুষ )।

হজৰত -আজান পীৰে আকল্ আৰু দলীল সম্পৰ্কেও জিকিৰত আলোচনা কৰিছে—

আকলৰ দৰিয়াত
পৰি তলে গ'লো
তৰিবৰ নেপালো চিন।

* * *

এই তন ফানা,
আকলে নেৰাখে,
তোৰ জানো পৰিচয় নাই,
পীড় মুৰছিদক
শিৰত তুলি লৈ
আজান ফকীৰে গায়।

আজান ফকীৰে ভক্তিত অধিক প্ৰাধান্য দিছিল। কিন্তু আন চুফীসকলৰ দৰেই আল্লাৰ স্বৰূপ, সৃষ্টি-তত্ত্ব, কোৰানৰ বিশেষত্ব, ৰছুলৰ গুৰুত্ব, আৰু সৰ্বোপৰি কলিমা বা নামধ্যানৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। নৰদেহৰ অস্থায়ীত্ব, মায়া-মোহৰপৰা নিজকে ৰক্ষা কৰা, মৃত্যুৰ অবশ্যম্ভাবিতাৰ সম্পৰ্কে সদায় সচেতন থকা, আৰু ছৰিয়ত, তৰিকত, হকিকত আৰু মা'আৰিফতৰ পথেদি আত্মাক নিজ স্ববশে যোৱাৰ কাৰণে সক্ষম কৰি তোলাৰ আহ্বান জনাইছে।

আজান চাহেবে ৰচনা কৰা জিকিৰ ঠাই বিশেষে নাচি নাচি আৰু হাত চাপৰি বজাই সমূহীয়াভাৱে গোৱাৰ যি ৰীতি বৰ্তমানো চলি আছে, তাৰপৰা

তেওঁ জিকিৰৰ অংগ হিচাপে নৃত্যক অনুমোদন জনাইছিল বুলি ধাৰণা হয়। বংগদেশত যিদৰে চুফীসকলে এঠাতে খানকাহ, দৰ্গাহ আদি স্থাপন কৰি শিষ্য বা ভকত লৈ সাধন-চক্ৰ বা 'হাল্‌কা' স্থাপন কৰাৰ লগতে ইছলাম ধৰ্ম প্ৰচাৰো কৰিছিল, তেনেকৈয়ে হজৰত আজান পীৰ, চালেহ পীৰ, খোন্দকাৰ পীৰ আদিয়েও চুফী মাৰ্গীয় আধ্যাত্ম-সাধনা কৰি আৰু নিজ নিজ ভকতৰ দ্বাৰা পৰিবেষ্টিত হৈ আচুতিয়া সাধনা কৰাৰ লগতে সেই সময়ৰ নিৰক্ষৰ আৰু সাধাৰণ মুছলমান-সকলৰ মাজত ইছলামৰ মূল আদৰ্শ প্ৰচাৰ কৰাৰ দায়িত্বও বহন কৰিছিল। আজান চাহাবৰ সময়ত ভুৱা গুৰু থকাটোও অসম্ভৱ নাছিল। সেয়ে তেওঁ সঁচা গুৰুৰ ওপৰত গুৰুত্ব দিছিল, আৰু সত গুৰুক চিনাৰ প্ৰয়োজনৰ কথা কৈছিল--

জীৱৰ সাৰথি নাম,
সত গুৰুক ভেটিবা, আতমাক চিনিবা,
সিজিব দীনৰো কাম।

ভুৱা বা ভণ্ড গুৰুৰপৰা ৰক্ষা পৰিবৰ কাৰণে তেওঁ সাৱধান বাণী শুনাইছিল—

"সকলো হস্তীতে মুকুতা নেথাকে,
সৰ্বকাষ্ঠ নহয় চন্দন,
সকলো ভকতত ভকতি নিসিজে
সৰ্ব সাধু নহয় মহাজন।"

সাধু হোৱা সহজ, মহাজন ( মহৎজন ) হোৱাটো সহজসাধ্য নহয়।

আল্লাৰ সৰ্বব্যাপী অস্তিত্বৰ ( হাজিৰ ৱ নাজিৰ ) ভিত্তিত আজান চাহেবে কৈছিল—

আল্লাৰ নাম সাৰথি জীউৰ লগে যায়,
যি ঠাইলৈকে চালায় যোগায়
তাতেই খোদাই।

গৰ্ব-অহংকাৰ লোপ কৰিব নোৱাৰিলে ভক্তিত একাগ্ৰতা আহিব নোৱাৰে। এই বিষয়ত আজান চাহেবে দঢ়াই দঢ়াই কৈছিল—

মহৰাই, দূৰ কৰাই মনৰে বড়াই।
মাছক লাগি বগুলাই
জুপি মাছ আছে মহৰাই,
বলে আছে কেমনে মৰদ ঐ
মহৰাই।

বিষয়-বাসনা, নিৰ্মোহ, নিৰাসক্ত ভক্তি-পথৰ অন্তৰায়—

বিষয়ধন, বিষয়ধন গলগ্ৰহ বিষয়ধন,
বিষয় গলৰে মণি ।
বিষয়ৰে লগতে পানীত তই ডুবাইছ,
চা মন দকৈ গুণি ।
বিষয় তোৰ বিষধৰ, বিষয় তোৰ হবাদৰ
বিষয় তোৰ থাওঁতা নাই ।
এই ভব নদীত পৰি তলে গ'লো
বিষৰ-মণি গলতে বান্ধি ।

তেওঁ আৰু কৈছে—

সৰু কৈ সৰু অতি বৰ সৰু,
সৰুতেহে ভকতি বয় ।

মানৱী জনম আল্লাৰ পৰম কৰুণাৰ দান । এবাৰ গ'লে ইয়াক আৰু পুনৰাই পোৱা নাযায় । বিষয়-বাসনা জৰ্জৰিত এই কণ্টকীয়া জীৱনপৰাই জানোকা-জনে হীৰা মুকুতা অমূল্য সম্পদ গোটাই লয়—

মুখৰে চুলিয়ে কানকো ঢাকিলে,
পিথৱী ঢাকিলে বনে ।
গেল্লেলা পানীতে " সোণা কমাই ল'লে
আমাক চিনাই দিব কোনে ?

মানুহৰ দেহা যদিও স্থূল আৰু নশ্বৰ, তথাপি চুফী সাধকৰ কাৰণে এই দেহাই ৰূহ বা আত্মাৰ আধাৰ । এই আত্মাই লাভ কৰিছে আল্লাৰ নূৰ বা ঐশ জ্যোতি । বিষয়-বাসনাত এই দেহাক লিপ্ত নাৰাখি, উৰ্দ্ধতন সাধনাৰ অৱলম্বন স্বৰূপে দেহাক ব্যৱহাৰ কৰিব লাগে । কাৰণ আমাৰ দেহাতে আকাশ, পৃথিৱী সকলো আছে ।

গা'তে আস্মান গাতে জমীনে,
আকল হৈ মেলিছে পুলি ।
ৰহৰে ভিতৰত ওলাল চৈধ্য সাৰী
ওলাইছে পুলি মেলি ।

• • •

আস্মান সবজিলে, জমীন সবজিলে,
ছায়াত সবজিলে কায়া।
সজাৰে ভিতৰত মইনাক সবজিলে
আল্লাৰ তাত কিনো মায়া।

দেহাৰ সজাত আত্মাৰ মইনাৰ বাস, এই মইনাৰ (আত্মাৰ) স্থায়ী ঘৰ দেহাৰ সজা নহয়। ইয়াক সাধনাৰ যোগে আল্লাৰ সমীপৱৰ্তী স্থান 'লৌহ' 'কলম'লৈ তুলিব পাৰি—

ৰূহৰে বাতৰি উঠিল 'কলম'লৈ,
ইলিমৰ চেতনা নাই,
ইলিমে কালামে একেটা লেখিলে,
তেবে ফকিৰালি হয়।
একনা হকিকত একনা ছৰিয়ত,
দুজনাক মানি যাও গুৰু,
পূবে আয়ু পশ্চিমে বায়ু
মইধত্ত আমৰ জীউ।

গেজেলা পানীত সোণা কমাই ল'ব লাগিলে মাহুহৰ দেহা আৰু আত্মাৰ (ৰূহ) স্বৰূপ বুজি পোৱাৰ দৰকাৰ। আস্মান জমীন (আকাশ পৃথিৱী) দেহাৰ ভিতৰতে আছে। সাধনাৰ বলেৰে আত্মাক আল্লাৰ সমীপৱৰ্তী স্থানলৈ উন্নীত কৰিব পাৰি। কিন্তু ইয়াৰ উপায় ভক্তিহে, আকল বা জ্ঞান নহয়:

আকলৰ দৰিয়াত পৰি তলে গ'লো,
তৰিবৰহে নললো চিপ।

দেহাৰ প্ৰতিটো অংগই, প্ৰতিটো তেজৰ কণাই আল্লাৰ জিকৰ কৰে:—

আ'বে কোন নাম লয় চোতানাল্লা,
থাকে কোন নাম লয়,
ভোমোৰা পুৰতে আল্লাৰ নিজ নাম
উভতি দৰিয়া বয়।
উভতি দৰিয়া ব'ব লাগিছে
সুতীৰ সীমা সংখ্যা নাই।
সবে ভৰা সোতা যাৰ তলে পৰি,
ল'ব ভৰা সোতাই ঠাই।

মানুহৰ আত্মা এই ভৰা সৌন্দৰ্যৰ সন্ধানত চিৰ ব্যাকুল। পথত দেহাত বাধা, কিন্তু এই দেহাৰ মাজেদিয়ে আত্মাৰ আকাশমুখী যাত্ৰা। এই যাত্ৰাৰ পথ চিনাই দিয়ে পীৰ বা সদ গুৰুৱে। এই পথেদি আগুৱাওঁতে নফচে আত্মাৰাই পথভ্ৰান্ত কৰিবলৈ বিচাৰে। নফচে লওৱামাৰ মাজেদি নিশ্চিতভাৱে অগ্ৰসৰ হ'বলৈ ধৰোতে মায়া-মোহ, আসক্তি, কামনাই পিছলৈ টানে। ছৰিয়ত, তৰিকত, মা'আৰিফত, হকিকত বিভিন্ন স্তৰৰ মাজেদি গৈ মুৰ্ছিদৰ নিৰ্দেশ অনুসৰণ কৰি নশ্বৰ দেহাৰপৰা বন্ধনমুক্ত হৈ, আত্মাই আল্লাৰ আৰছৰ সমীপৱৰ্তী হোৱাৰ যোগ্যতা অৰ্জন কৰে। ছৰিয়তৰ নিৰ্দিষ্ট বিধান মানি নামাজ, ৰোজা, হজ, জাকাত আদি ধৰ্মকাম সম্পন্ন কৰি মানুহ পুণ্যৰ অধিকাৰী হ'ব পাৰে, কিন্তু পীৰৰ ওচৰত দীক্ষা লৈ, কলমা ধ্যান কৰি, মোমিন 'জিকিৰৰ' সহায়ত চুফী গুণৰ অধিকাৰী হ'ব পাৰে। আজান চাহেবে সমকালীন অসমৰ নিৰক্ষৰ বিভ্ৰান্ত মানুহৰ কাৰণে জিকিৰেই সহজতম পন্থা ৰূপে গ্ৰহণীয় বুলি আগবঢ়াইছিল। বিষয়-বাসনাৰ নাগপাশৰপৰা নিজক মুক্ত কৰি, ছৰিয়তৰ পথেদিয়ে ধৰ্মজীৱন যাপন কৰাটো, সৰ্বসাধাৰণৰ কাৰণে গ্ৰহণীয় বুলি আগবঢ়ালেও আজান ফকীৰে সাধনাৰ উৎকৰ্ষৰ কাৰণে এক গূঢ় মা'ৰিফাতি পথৰো আভাস দি গৈছে। তেওঁৰ বিভিন্ন জিকিৰৰ মাজত নাচুত, জবৰুত, মলকুত আদিৰ সঙ্কেত দিয়াৰ লগতে চুফী গূঢ় তত্ত্বৰো সন্ধান দি গৈছে।

লাহুত, নাচুত, জবৰুত, মলকুত,
চাৰি দৰিয়াৰ মূল,
চাৰিও দৰিয়াক যি জনে চিনিছে
দিছে আমকত বুৰ।

এই 'আমক' বা অমৰ লোকৰ অধিকাৰী হোৱাৰ সহজ পন্থা আজান চাহেবে পীৰে শিকাই দিয়া জিকিৰৰ মাজেদি লাভ কৰিব পাৰি বুলি ইংগিত দিছে।

আৰব পাৰস্যত মহা মহা সাধকসকলে যি চুফীপন্থাৰ যোগেদি আত্ম-উপলব্ধি আৰু আল্লাহ প্ৰাপ্তিৰ কাৰণে ৰহস্যবাদৰ সু-গভীৰ ৰস-জগতৰ মাজত আত্ম-গোপনৰ পৰমানন্দ আহৰণ কৰাৰ বিশিষ্ট ব্যৱস্থা দিছিল, সেই ব্যৱস্থাৰ মাজেদিয়ে ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমৰ চুফী আউলিয়াসকলেও মানুহক আধ্যাত্মমাৰ্গৰ পথ চিনাই দিছিল। চুফীবাদৰ মূল উৎস আৰু ভিত্তি ইছলাম, কিন্তু চুফী সাধন-মাৰ্গৰ ক্ষেত্ৰ সাধকৰ অন্তৰ-জগত, হৃদয়, আত্মলোপ আৰু আল্লাহ-প্ৰেমত নিমজ্জন এই পথৰ আছিল। প্ৰকৃত চুফীৰ কাৰণে ধৰ্মৰ আনুষ্ঠানিকতাৰ বিশেষ প্ৰয়োজন নাই, হৃদয়ৰ বিকাশ আৰু বিস্তাৰেই এই পথত সাফল্য লাভৰ উপায়।

সাধনাৰ শীৰ্ষ বিন্দুত ধ্যানী আৰু ধ্যেয়ৰ মাজৰ ব্যৱধান লোপ পায়। 'মই' আৰু 'তুমি' এক হৈ পৰে, স্থান আৰু কালৰ সীমা নোহোৱা হয় আৰু দেহাৰ সীমাত আবদ্ধ থাকিও মানৱাত্মা দেহাতীত এক পৰম ৰসলোকৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়।

ফাৰ্চী কাব্যৰ বিশ্ববিখ্যাত কবিসকলে যিদৰে চুফী ভাবধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ মহৎ কাব্য সৃষ্টি কৰি চুফীতত্ব আৰু কাব্যিকতাৰ এক অনুপম সমন্বয় সাধন কৰি থৈ গ'ল, সেইদৰে ভাৰততো কেইবা গৰাকীও চুফী কবিয়ে তেওঁলোকৰ ধ্যান-ধাৰণাৰ কথা কাব্য-ছন্দত ৰচনা কৰি থৈ গ'ল। বঙলা ভাষাত লালন ফকিৰৰ মাৰিফতি গীত যিদৰে আজিও সাধাৰণ বঙালী মুছলমানৰ কাৰণে অতি আদৰণীয়, অসমতো আজান ফকিৰৰ জিকিৰ গীতবোৰ সকলোৰে আদৰণীয়। মালিক মোহম্মদ জায়ছীৰ হিন্দী ৰূপক কাব্য 'মৃগাৱত' চুফী ভাবধাৰাৰ বাহক ৰূপেই সমাদৃত হৈছে। লায়লা-মজনু, চিৰী-ফৰহাদ, আনকি ইউচুফ জুলেখাৰ কাহিনীকো চুফী ৰূপক ৰূপেই গণ্য কৰা হয়, যদিও এইবোৰ আখ্যান-কাব্যত কাহিনীৰ মনোৰম আবেদন আৰু কাব্যিক সৌন্দৰ্যই নিজস্ব মূল্যৰ ওপৰত নিৰ্ভৰ কৰি সমাদৰ লাভ কৰাৰ যোগ্যতা ৰাখে।

লক্ষ্য কৰিবলগীয়া কথা যে ইছলামৰ বুকুতে জন্ম লাভ কৰি চুফীবাদে এক গতানুগতিক অৰীতিবদ্ধ মুক্ত মনোধৰ্মী সাধন পন্থা ৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ লগতে ই এক অভিনৱ ভাববিপ্লৱৰো জন্ম দিয়ে আৰু এক ভাব-মধুৰ কাব্য-সাহিত্যৰো প্ৰেৰণাৰ মূল বস্তু হৈ পৰে।

চুফীবাদ অত্যধিক জনপ্ৰিয় হৈ পৰাৰ ফলত প্ৰকৃত চুফীৰ লগতে ভণ্ড চুফীৰো উদ্ভৱ হোৱাটো অস্বাভাৱিক নহয়। কোনো কোনোৱে আধ্যাত্মিক সাধনাৰ পথ অৱলম্বন নকৰি কেৱল বাহিৰৰ চুফী সুলভ বেশ-ভূষাৰেই চুফী বোলাবৰ প্ৰয়াস নোপোৱাকৈ থকা নাছিল আৰু তেওঁলোক ওমৰ খায়য়ামৰ নিচিনা নিৰ্ভীক চুফী কবিৰ ব্যংগ তিৰস্কাৰৰো পাত্ৰ হৈছিল; প্ৰকৃত চুফী দুৰ্লভ; গতিকে গুৰু নিৰ্বাচনত সাৱধান হোৱা নিতান্ত প্ৰয়োজনীয় বুলি আজান ফকীৰে সাৱধান বাণী শুনাইছিল।

আত্মগোপন চুফীসকলৰ এক বিশেষ গুণ। কোনো প্ৰকৃত চুফীয়েই নিজৰ পৰিচয় দি চুফী বোলাই নুফুৰে। বহু চুফীয়ে আনকি গৰ্ব অহংকাৰ নিৰ্মূল কৰিবৰ কাৰণে মানুহৰ ঘৃণা, অৱজ্ঞা লাভ কৰিবৰহে যত্ন কৰি ফুৰে। ওমৰ খায়য়ামে কৈছিল—

> দৰ্ বাহ চুৰ্নী, বও, কে চাল্যামত নকুনন্দ্,
> বা খল্‌কু চুৰ্নী জী, কে কেৰামত নকুনন্দ্,

দৰ্ মছজিদ আগৰ খৰী, চুনাঁ ৰ্ৰ্ কে তোবা
হৰ্ পে'ছ নথানন্দ্, ব ইমামত নকুনন্দ্।

"বাটেদি,যাওঁতে এনেদৰে যাবা, যেন—

কোনোৱে তোমাক চালাম নকৰে,
পৃথিৱীত এনেকৈ জীয়াই থাকিবা, যেন
তোমাক দেখি কোনোৱে থিয় নিদিয়ে।
মছজিদলৈ যোৱা যদি এনেকৈ যাবা, যেন
আগলৈ মাতি নি তোমাক ইমাম নেপাতে।"

হাফিজ, ওমৰ খায়্যাম আদি চুফী কবিয়ে ভূৱা চুফীক মুকলিভাৱেই তিৰস্কাৰ কৰিছে—

গুয়ন্দ মোৰা দোজখী বাছদ মস্ত,
কওলে ই খিলাফে দিল দৰুন নতৱান বস্ত,
গৰ আছিকে মস্ত দোজখী থাহ্‌দ বুদ,
ফৰ্দা বিনী বিহিস্ত হামচুঁ কফ্দস্ত।

আমাক কয় যে উন্মাদবোৰ নৰ্কবাসী হ'ব,
কয় বোলে যি হৃদয়-বিৰোধী সি
তাত ঠাই নেপায়।
প্ৰেমৰ পাগল যদি নৰকবাসী হয়,
কাইলৈ দেখিবা স্বৰ্গ শূন্য পৰি আছে।

কামনা-বাসনা, আশা-অভিলাষ, গৰ্ব-অহংকাৰ সকলোৰে অৱসান ঘটাই এক চৰম প্ৰেমৰ সন্ধানত আত্মহাৰা হ'ব নোৱাৰিলে কোনোৱেই প্ৰকৃত চুফী হ'ব নোৱাৰে। কিন্তু এই প্ৰেম লোকক দেখুৱাবলগীয়া বস্তু নহয়, ই সাধকৰ নিজস্ব গূঢ় উপলব্ধিৰ বস্তু। এই উপলব্ধিৰ কথা গোপন কৰিব নোৱাৰি, প্ৰকাশ কৰি দিয়াৰ কাৰণেই মহাসাধক চুফীবো চুফী মনচুৰ হাল্লাজে মৃত্যু বৰণ কৰিবলগীয়া হৈছিল। আত্ম-উপলব্ধিৰ এক চৰম মুহূৰ্তত তেওঁ কৈ উঠিছিল—

"আনল হক"—ময়েই সত্য বা ময়েই আল্লাহ। এনে উক্তিয়ে সমাজত বিভ্ৰাটৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছিল। এই উপলব্ধি দোষনীয় নাছিল। কিন্তু এই উপলব্ধিৰ প্ৰকাশ সামাজিকভাৱে ক্ষতিকৰ আছিল। সেই দেখি মনচুৰ হাল্লাজক প্ৰাণদণ্ডেৰে দণ্ডিত কৰা হৈছিল। প্ৰকৃত চুফীসকলে তেওঁলোকৰ অন্তৰ-

জগতৰ সাধনা বা সাফল্যৰ বিষয়ে বাহিৰ জগতক জানিবলৈ দিব নালাগে, আনকি চুফী বুলি নিজৰ চিনাকিও দিব নালাগে, চুফী কবি হাফিজে কৈছিল—

"বদ্‌ৰেচে ইস্ক বছাজ, ৱ খমোছ ছত হাফিজ,
অমুজে ইস্ক মকুল ফাছ পেছে আকুলে আকুল।
(—মছনৱী)

অন্তৰ্‌বেদনা অন্তৰতে লৈ থাকা,
আৰু মনে মনে থাকা হাফিজ।
জ্ঞানীৰ সভাত প্ৰেমৰ গোপন কথা
সদৰি কৰি নিদিবা।

প্ৰকৃত চুফীৰ অলংকাৰ বিনয় আৰু গৰ্বহীনতা। সাধকে একো দাবী কৰিব নোৱাৰে, পাৰে মাথোন পৰম কৰুণাময় মহান দাতাৰ কৰুণা ভিক্ষা কৰিব। তেওঁৰ কৰুণা বিনে সাধনা অসাৰ্থক আৰু বিফল হ'ব পাৰে। কিন্তু কোনো ৰাজাধিৰাজৰ ৰাজ্যৰ এক অৱহেলিত কোণত পৰি থকা কোনো ভিক্ষাৰীও যি-দৰে কেতিয়াবা ৰজাৰ চকুত পৰি যাব পাৰে আৰু ভিক্ষাৰীৰ ভিক্ষা-পাত্ৰ কৰুণাৰ ঐশ্বৰ্য সম্ভাৰেৰে উপচি পাৰিব পাৰে, সেইদৰে চুফী সাধনাৰ পথতো কোনো শুভ মুহূৰ্তত সাধকৰ সাধনাই পূৰ্ণতা আৰু সফলতা লাভ কৰি উঠিব পাৰে।

আখেৰ দৰি খেয়াল
কে দাৰদ্ গদায়ে ছহৰ,
ৰোজে ছৱদ্ কে য়াদ কুনদ্
পাদছাহ আজু। (—হাফিজ)
ৰজাৰ নগৰত ভিক্ষাৰীৰ মনত
এয়ে আশা।—
(কোনোবা ক্ষণত) এটা দিন আহিব।
যিদিনা ৰজাই তেওঁক মনত পেলাব।
এইটো ক্ষণৰ কাৰণে প্ৰতীক্ষা কৰাৰ
প্ৰয়োজন আছে। এইটো শুভ মুহূৰ্ত লাভ
কৰিবৰ কাৰণে বহু নিৰ্যাতন বুৰ পাতি
ল'বলগীয়া আছে। কিয়নো প্ৰেমৰ পথ
কণ্টকাকীৰ্ণ। সেইবাবে অভিযোগ কৰিব খোজা
মানে কৰুণাময়ৰ কৰুণাৰ ওপৰত আস্থা নৰখা।
মানুহে জানো বুজিব পাৰে আল্লাৰ কাৰ্যৰ অৰ্থ?

সুহুন্ হাফিজ আজ জোরে গর্দ্ব ছিকায়ত,
চে দানী তু এই বান্দা, কাবে খোদাই।

( —হাফিজ )

কালের যন্ত্রণার বিরুদ্ধে অভিযোগ
নকরিবা হাফিজ,
আল্লার কামের অর্থ, হে দাস
তুমি কি বুঝিবা ?

---

# অসমীয়া জিকিৰ-জাৰী

## জিকিৰ

ঘোষা—ৰহমৰ গিৰিহঁত তুমি আল্লা চাহাব ঐ,
যদি কৰা দৰিয়াৰ পাৰ ॥

চিন্তো হেৰা মোৰ মন আল্লাৰ নামত ।
ভজো হেৰা মোৰ মন গুৰুৰে পাৱত ॥
পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত ।
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত ॥
খোদা ৰছুল লুকাই আছে, নকৰা বিচাৰ ।
মক্কাৰ দুৱাৰত বান্দা, মাৰিলা সঙ্কাৰ ॥
মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি ।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি ॥
মক্কাৰ দুৱাৰত চাহেব ত্ৰিৱেণীৰ ঘাট ।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ॥
আচ্মানৰ কুটুব তৰা আদমৰ জাত ।
সজাত মইনা আছে, ঘনে লগায় মাত ॥
সজাৰ মইনাটিৰ অনেক যুগুতি ।
দেও মাৰি পাৰ হলে এৰিলে পিৰীতি ॥
দেও মাৰি পাৰ হৈ জীৱই আছে চাই ।
চোৱা চোৱা জীৱসকল ভেলাৰে বিলাই ॥

ঘোষা—হক্ হু এ'—ল' আল্লাৰ নাম।

হক্ নামে কলিমা পাক নামে পীড়,
আল্লাৰ জিকিৰ।

হকৰ নামে বন্দেগী, আল্লা নামে হু।
জলিলে বঢ়ায় বাতি, মুমালে মাৰে ফু॥
জলিলে বঢ়ায় বাতি, মুমালে কিবা জলে।
নেকি বদি সবে যাব এই খাকৰ তলে॥
নেকি যাব নেকি হালে, বদি থাকে চাই।
যেনে বাঘে গৰু ধৰে বাখোঁতা খোদাই॥
আব দেখি খেলা কৰে, বাদ দেখি হাঁহে।
দেখাই দিয়া মুছিদ ভাই আব ক'তবা আছে॥
আব দেখি খেলা কৰে, বাদ দেখি যায়।
বুজা লোকে কথা দিলে অবুজে পলায়॥
বুজা লোকক কথা দিলে চাৰিৰ চাৰি খুটি।
নিচিন্তা আল্লাৰ কথা, হায়াত যাব টুটি॥
অবুজ লোকক কথা দিলে ধৰে আক এৰে।
বিৰিখৰ পাৰ্ত যেনে হুকখাই পৰে॥

ঘোষা—চাহেবে জান—চৈয়দে জান,
আকৌ জানি আজানে জলায় ঔ আল্লা হেই॥

খোদা খোদা বুলি যাওঁৰি নেপালো
খোদা কোন দুৱাৰে নামে।
গজ মাণিকৰে আল্লাই পোহাৰ দিলে
হৰণে পূৰণে জানে॥

গজ মাণিকৰে আল্লাই পোহাৰ দিলে
ভাটী পছিমলৈ চাই ।
শ্ৰীকুলৰ নগৰত অমন পমন
মুকুতা লোৱা বেহাই ॥
গজ মুকুতাৰে আল্লাই পোহাৰ দিলে
মোমিন হৈ নেপালো পাক ।
লক্ষে লক্ষে টকাৰ সমে নাইকিয়া
কেলেইবা মোলাইছ তাক ॥
ঘূৰাব লাগিছে দুনিয়াই আলম
যেনে কুমাৰৰ চাক ।
চিনি বেহাবা নিচিনি এৰিবা
বিঘিনি মিলাব তাক ॥
কৰিব লাগিছে উজনী এ ভাটী
মলয়া পছোৱাৰ বা ।
কাণেৰে শুনিছো চকুৰে নেদেখো
বলাইছে কেহুৱা বা ॥
কবলৈ ধৰিছে ভিখাৰী আজানে
আকলৰ আৰছত ধৰি ।
দিলৰ কোৰাণত চোৱা বিচাৰ কৰি
কলিমা নামতে ধৰি ॥

ঘোষা—নাম তাল, নাম তাল, হয় চাহেব হয় ।

আল্লা কাদিৰ কামাল্, চাহেব কাদিৰ কামাল্ ।
মাজ সাগৰত পৰিছো বান্দাক কৰিবা আচান ॥
মাকৰ চাৰি, বাপৰ চাৰি, আল্লাৰ লোৱা নহ ।
ওঠৰ মোকামৰ মাজে পিয়ে মধু বহ ( বল ) ॥

ওঠৰ মোকামৰ মাজে কোন কোন মোকাম জ্বলে ।
তেল নাই, শলিতা নাই, সদায় প্ৰদীপ জ্বলে ॥
লাহুনত দৰিয়াৰ মাজে ঘনে পেলায় জাল ।
কহৰ দৰিয়াৰ মাজে বহি আছে কাল ॥
অবকত মোকামৰ মাজে জ্বলে দুই তৰা ।
সেই তৰা নেথাকিলে দুনিয়া আন্ধাৰা ॥
বৰ ঘৰ, বৰ বাৰী, থাকিব পৰিয়া ।
গৃহস্থৰ বৰ পুত্ৰ যায় ফকিৰ হৈয়া ॥
বৰ বৰ আউলিয়া, বৰ বৰ পীড় ।
বৰ বৰ দৰখ্‌ত ভাগি বাগৰি পৰিল ॥
অপাৰ সাগৰৰ মাজে পুল্‌চেৰাতৰ পাৰ ।
ৰছুল হব কাণ্ডাৰী, উম্মত হ'ব পাৰ ॥
আল্লা নামৰ ওপৰেদি ( সিপাৰেদি ) মোহম্মদ চাৱাৰ ।
সেই নামে কৰিব বান্দাক পুল্‌চেৰাতৰ পাৰ ॥

ঘোষা—কেৱল নামে কেৱল নাম, কেৱল নামে ৰতি
দিনে-ৰাতি লবা নাম নকৰিবা খটি ॥

কেৱল নামে কেৱল নাম, কেৱল নামে সাৰ ।
দুচকু মুদিলে বান্দাৰ দিনতে আন্ধাৰ ॥
কিছু নাই, কিছু নাই, কিছু নাই সাৰ ।
কেঁকোৰাৰ মাটি যেনে কুমাৰ ব্যৱহাৰ ॥
যাৰ নাম পালো আল্লা তাৰ নাম লৈলো ।
যাৰ নাম নাপালো আল্লা চৰণে ভজিলো ॥
মুখেৰে পঢ়িব লাগে মোমিন-মুছলমান ।
দিলেৰে জানিবা বান্দা মুজাম্মীল ঈমান ॥

প্ৰথমে জানিবা বান্দা পাক চোব্‌হান।
ডেড়কুৰি চিপাৰাই হৈছে কোৰাণ॥
কাদিৰ, কামাল আল্লা আছে নিৰঞ্জন।
খাকত পয়দা কৰিলে আদমৰ তন॥
মাও নাই, বাপ নাই, নাই বেৰাদৰ।
আয়াল চওয়াল নাই, আছে অকলশৰ॥
উজীৰ নাজিৰ নাই, নাই পটন্তৰ।
আশ্মান জমিন পয়দা ছদিনৰ ভিতৰ॥
খুটা চতি নোহোৱাকৈ আস্মানক ৰাখিছে।
পানীৰ ওপৰৰ পুনী জমিনক ৰাখিছে॥
চান্দ সূৰুয চলাই আছে, কৰি ৰাতি দিন।
আদমৰ তন পয়দা কৰি থলে ভিন ভিন॥
আচমানৰ তৰফৰ পৰা বাৰান পৌচাইছে।
জমিনত বান্দাৰ ৰিজক্ কোছাদা কৰিছে॥
মাহে মাহে মেৱাসকল দিছে ভাগে ভাগ।
অতনা চিজ্ খাই বান্দা নকৰ শলাগ॥
চৰিহা চুৰত নাই, নাই পাও হাত।
'কুল্ হু আল্লাহ' পঢ়ি কোৱা নাম পাকজাত॥
আল্লাৰ হুকুমৰ পৰা বান্দা আছো দূৰ।
আমি উম্মত গুনাহগাৰ বখ্‌ছোতো গফুৰ॥

* * *

দুইতে জানিবা বান্দা ফিৰিস্তা ঈমান।
পয়দা কৰি আল্লাই থলে ভিন ভিন॥
শুনিছ ফিৰোস্তা নহয়, ফিৰিস্তাৰ জাত।
খাৱনে জিকিৰ লয়, পিয়নে খোদাৰ মাত॥

ৰাতি-দিনে তহ্‌বিহ্ পঢ়ে, থাকে একেথৰ।
চাৰিজনা মালিক আছে, আল্লাৰ ওচৰ॥
কেৰামন কাতেবীন আছে, আমোলৰ দেৱান।
মন্‌কিৰ নেকিৰ আছে, গোৰৰ চাৱাল॥
তিনিতে জানিবা বান্দা কিতাবত ঈমান।
এশনো চাৰি কিতাব নবীলৈকে জান॥
দহ চহিফা নামে আদমৰ ওপৰ।
তিৰিশ চহিফা নামে চীচৰ ওপৰ॥
তিৰিশ চহিফা নামে নূহৰ ওপৰ।
তিৰিশ চহিফা নামে খলিলৰ ঘৰ॥
ইঞ্জিল কিতাব নামে ইছাৰ ওপৰ।
জবুৰ কিতাব নামে দাউদৰ ঘৰ॥
তৌৰিত কিতাব নামে মুছালৈকে জান।
মোস্তফা নবীলৈ নামিল কোৰআন॥
কোৰাণ চৰিফ আছে সবাৰ মুখে মুখ।
তিনিও কিতাবৰ কথা কৰিলে মনচুখ॥
একুৰি তিনি বছৰত কোৰাণ নামিল।
আওৱলে "ইক্‌ৰা" নামে, আখেৰে "কন্দিল"॥

* * *

চাৰিতে জানিবা বান্দা নবীতে ঈমান।
দিন-ৰাতি মানি চলা আল্লাৰ কোৰাণ॥
কোৰাণ পঢ়িবলৈ বান্দা নকৰহে মন।
তলবোল ইল্‌মকো নকৰ যতন॥
আওৱলে পয়দা হ'ল আদম ছফী।
আখেৰে জাহিৰ হ'ল মোস্তফা নবী॥

মুছা পয়গম্বৰৰ লেখত ওঠৰ জনা।
বুজকগ কোৰাণে কয় তিলেক যাতনা॥
নবীজীয়ে আৱাজ পায়, জিব্ৰাইলে কয়।
পয়গম্বৰৰ মোজেজা আছে তৈয়াৰ হৈ॥
সকলো পয়গম্বৰক শুদ্ধ বুলি জান।
ইখ্তিলাফ আছে চেকেণ্ডৰ লোকমান॥
সকলো নবী ওফাত হল, চাৰিজনা জিন্দা ৰ'ল।
ইদ্ৰিছ পয়গম্বৰ মওতক চাকি, জিন্দা বিহিস্তলৈ গ'ল॥
হায়াতন নবী খোৱাজ খিজিৰ দুয়ো একেই ৰ'ল।
মৰিয়মৰ চিকমত আদমৰ হাঁচিৰ পৰা কছলা পয়দা হ'ল॥

ঘোষা—আল্লাৰ বিনে কেও নাই আন ঔ আল্লা হে।

হকৰ বিনে চকৰ নাই আল্লাৰ বিনে গতি নাই
পানীৰ বিনে নাই নিৰমল।
হকৰ বিনে চকৰ নাই, আল্লাৰ বিনে গতি নাই,
নবীৰ বিনে নাই নিস্তাৰ।
আওৱল কলিমাৰ বিনে আন জিকিৰ আৰু নাই
ৰব বিনে অথল ই সংসাৰ॥
দুনিয়ালৈ আহিলো যে ৰঙে ৰসে বেহালো যে
নেবেহালো মাণিকৰ হাট।
অময়াৰ মাধুৰি পাই মুহিদলৈ মনত নাই
দুগুনিলো সংগুৰুৰ মাত॥
আল্লা আছে আলগত ৰছুল আছে নিলগত
তাৰ ওপৰে আছে খোদাই।
ভাবিলেহে তৰিবা এৰিলেই মৰিবা
জিলতে টিস্তিবা সদায়॥

একেটিয়ে মাৰলিতে শাৰী শাৰী কৰা তাত
মাৰলিত বিন্ধিলে ঘুণে ।
পছোৱাত লৰ চৰ হুকসাই পৰে ঘৰ
ঢোকা দিবা ৰাখিব কোনে ॥

ঘোষা—জীউ তৰাবলৈ যাৰে মন আছে
আল্লাৰ নামকে ধৰ ।

জীউ তৰাবলৈ যাৰে মন আছে
আল্লাৰ নামকে ধৰ ।
হকে হালালক বাচি খাই যাবা
বদিকো কৰিবা দৰ ॥
হকে হালালক বাচি খাই যাবা
বদিক কৰিবা দূৰ ।
হকৰে ঈমানক হকতে ৰাখিবা
কলিমা নামেহে মূৰ ॥
মিছাতে বঢ়ালো ভেবেলা শৰীলক
কচুতে ভজালো কাচি ।
আমিতো নেজানো আল্লাৰ এক নাম
কাকে কোনে দিব যাচি ॥
হাতত লাঠি ধৰি বাটক হেৰুৱালো
পুৰণি বাটেহে যায় ।
পলুত মাছ বান্ধি হেলাতে নধৰে
সাগৰত হেঙাৰ যায় ॥

আইকো নেজানো, বোপাইকো নেজানো
গুৰুলৈ দি গলো পিঠি।
যেহা যেপাৰলৈ যেনেকৈ ধাউতি
ভাবো ( তাতে ) আউলিয়া বিধি॥
কপালো কপাল ঐ অভাগী কপাল
কপালত লাগিলে ভাল।
জকে মকে কৰি ফুলিবলৈ নেপালে
মলয়াত ভাগিলে ডাল॥
এই সোনা কলে এই সোনা নগজে
মুকুতাই নেমেলে পাত।
আপোনাৰ শৰীলক আপুনি নিচিনা
দমতে যাব হায়াত॥

মোৰা—নেৰিবা আল্লাৰ নামে মোল্লাজীউ,
নেৰিবা চাহাবৰ নাম।

আল্লাৰ কুদ্ৰতে বান্দাৰ জগতে
দৰিয়া আছিছে বৈ।
বনি আদমে জীৱৰ খেতি কৰে
হবেক চহৰলৈ গৈ॥
বনি আদমে জীৱৰ খেতি কৰে
হবেক চহৰত বয়।
বনি আদমে জীৱৰ খেতি কৰে
সাতোটা বাৰকে লৈ॥
বনি আদমে জীৱৰ খেতি কৰে
জগতে ইয়াৰি লৈ।

জগতে ইয়াৰি জলে কাকে কাকে
তাৰ তুনো আমক নাই ॥
আ'ৰ আতছ কোন নাম, বাদ কোন নাম
খাক কোন নামে লয় ?
আ'বে আতছে খা'কে এই বাদে
চাৰিওবো পোৱালী লয় ॥
চাৰিও ভাঙিছে চাৰিও পাতিছে
চাৰিও কৰি আছে মেল ॥
চাৰিওৰে আচলত ( আলচত ? ) এই দুনী পাতিছে
মাটিৰ সাজিছে ভেল ॥
আদমৰ সাজিলে মাটিৰ কলবুদ
বেহাই আমক জীউ ।
জীৱক বোলো ভাই আমক ( পামক ? ) মনাই
ভৰষা কৰিছা ক'ত ?
যেই বেলা মাৱৰ গৰ্ভে থিত ললো
মায়া হৈ ভেটিলে ত'ত ।
ইফালে মথুৰা সিফালে মথুৰা
মাজতে তনৰ সাগৰ ।
তনৰে ভিতৰত মনে খেলা কৰে
কি আল্লাৰ বুদ্ধিৰ নগৰ ॥
তোমোৰা পুৰতে আদম নামে জলে
উভতি দৰিয়া বয় ।
উভতি দৰিয়া বব লাগিছে
সোঁতৰ সীমা সঞ্চাৰ নাই ॥
সদৌ চেৰা সোঁতা যাৰ তলে পৰি
সৰ ভৰা সোঁতাই ঠাই ।
লাহুতে নাহুতে জৰকতে মলকুতে
চাৰিও দৰিয়া বয় ॥

ভালেকৈ ধৰিবা মাটিৰ কলবুদ
দিবগৈ অময়াত বুৰ।
অময়াৰ দেশতে মায়া নেদেখিবা
জানো মায়া লাগি বয়॥
দেখিলে চকুৰ হও ভুপাৰৰ ধূলা লওঁ
বৈ আছো খৰমৰ ভাৰ।
সঁচা গুৰু বুলি তোমাক সেৱা কৰো
নিদানত কৰাবা পাৰ॥

ঘোষা—মই তোৰ বান্দা কিছু নেজানিলো ঔ আল্লা হে।

আল্লা আল্লা বোলা ভাই
নবীৰ নামে সাৰ।
নবীৰ কলিমা পঢ়ি
হৈয়া যাবা পাৰ।
কোনোৰ মনে কাঞ্চন মাণি,
কোনোৰ মনে বালি,
কোনো কোনো কৰি আছে
দিল মেহেৰবাণী।
পীড় মানো মুৰ্ছিদ মানো
ঈমান বান্ধো খুটি,
পিছোঁতে পিছোঁতে শেষে
চন্দন যাব টুটি।

মকবাৰ শূতে মোমিন
বান্ধে মত্ত হাতী,
তুনাই নেকি আছি পাব
মোমিনৰ সঙ্গতি।
পুখুৰীতে পানী নাই
পাৰ ছুটি বুৰে,
বাঁহ আছে, পখী নাই,
জাকে জাকে উৰে।
সাগৰতে ঢউ উঠে
সাগৰে মিলায়,
দিলৰ মাজে উঠে ঢউ
গহীনে ডুবায়।
এক নামে যত পাপ
সংহৰিব পাৰে,
পাপী লোকে তত পাপ
কৰিব নোৱাৰে।
তোমাকে নিচিনি মই
সংসাৰে ভ্ৰমিলো,
কত পুইনৰ ভাগ্যে
আহি লাগ পাইলো।
কোনো পকা, কোনো কেচা
ডালিম ডকৰা·
পকিলে সৰিয়া যাইব
যেনে নাৰিকলা (?)·

**ঘোষা—নাম সাৰথি, আল্লা জীউৰ লগে যায় ॥**

আল্লাই পাতি দিলে এই হাট বজাৰ
পাতে মোহম্মদী গাওঁ।
মুঠি টানে কৰি বাবা ভালে কৰি
হৰত বুৰাব নাও ॥
অমনে পমনে ছুখানি নৌকা
তাকো ভাল কৰি বাবা।
পুল চাৰাত সাকো বগাব লাগিব
এখেতে আছি গৈ চাবা ॥
এই দুনীৰ সাগৰ ওঠৰটি সোঁতা
নেজানো কোন সোঁতাই বয়।
ইলিমৰ বৈঠা কালামৰ কৰ্শালী
লব ভৰা সোতাই ঠাই ॥
কবলৈ ধৰিছে হকৰ মুৰছিদে
আকলৰ আৰছত ধৰি।
সঁচা গুৰু বুলি যি লোকে নভজে
পৰিব তললৈ সৰি ॥
ওঠেই কলম, জিভাই কাগজ
দাঁতে চাব চিয়াহী বাটে।
সন্ত মহন্ত আউলিয়া সকলে
একেটি নামতে খাটে ॥
সেইটি নামৰ যি জনা মোমিনে
সদায় কৰি আছে ৰতি।
মাৱৰ সাত পুৰুষ বাপৰ সাত পুৰুষ
সিও পাই যাব গতি ॥
নামক সেৱা কৰে নামেহে আল্লা
দেহক সেৱা কৰে দেও।

ধৰম হেন বস্তু ফুৰে অনাই বনাই
চিনোতা নহলে কেও ॥
এই দুটি চকু চকুযে নহয়
উই পকৰাৰে গাঁত।
আল্লাৰ চাবি কথা ৰাখিব নোৱাৰা
কেলেই চকু মেলা তাত ॥
এই দুই কাণ কাণ যে নহয়,
বাঁহৰ পৰীয়া চুঙা।
আল্লাৰ চাবি কথা ৰাখিব নোৱাৰা
কিয় কাণ পাতি শুনা ॥
এই খনি মুখ মুখ যে নহয়
ক'ৰে মুগুকুৰা ঘা।
আল্লাৰ চাবি কথা লব যে নোৱাৰা
কিয় মুখ মেলি চা ॥
নাও তলে গ'ল খুটি উঘালিল
বেহা খৰে কৰি হাট।
বেহাৰ দিলে তোক হীৰাকৈ মুকুতা,
বেহা কণা-কড়িৰ হাট ॥
এই দুনীত থাকোতে বেহাই ল মুকুতা,
পাবি গৈ অময়াৰ থান।
আকতো নেপাবি মানৱী জনম
আল্লালৈ নকৰ কাণ ॥
আপোনাৰ মা বাপ শৰীলৰ সঙ্গতি
কমাৰৰ হাতিনা ভাই।
জীয়াই থাক মানে জীৱৰ প্ৰতিপাল
মৰিলে জগত নেযায় ॥

ঘোষা—মন ভাই, মন ভাই, নাম ললে মেহেৰবায়।

নূৰে মোহম্মদী, আল্লাৰ পয়দা, ছুনীৰ অধিকাৰী স্বামী।
আদম চফিউল্লা সবাৰো ইমাম, দমৰ পয়দাচী আমি ॥
দমে আদমত খাটনি খাটিবা, নূৰৰ চাই যাবা বং।
চাৰিটি চিজৰে মূল নাইকিয়া সি থাকে বান্দাৰ সঙ্গ ॥
চাৰিটি চিজৰে চাৰিটি আত্মা চাৰিয়ে ঈমানক লয়।
চাৰিটি চিজকে দমত ৰাখি লৈ আল্লাৰ চিজদা হয় ॥
চাৰিটি চিজৰে চাৰিটি আত্মা চাৰিউৰে বিচাৰ টান।
এই তিনি চাৰি আল্লাৰ বিশ্বাসী চাৰিউৰো চাৰি মোকাম ॥
আ'গে আতছে এই থাকে বাদে চাৰিও থাকে চাৰি ভাগে।
যাব লাগিছে জগৰা ছুনীলৈ, সৃষ্টি বাঢ়িব লাগে ॥
ৰহনি কহনি ছুখনি কিতাব থৈছে আমোলে ভৰি।
আল্লা মোহম্মদক শিৰত তুলিলৈ দিলত লবা একিন কৰি ॥

ঘোষা—মনুবাই পাৰ কৰা মোকে।

তলে দৰিয়া, ওপৰে আস্মান ॥
তাৰ মাজে নাও চলে নবীজীৰ ফৰমান ॥
গোৰৰ চাৰিউ ফালে চাৰি ডালি খুটি।
সাত দিনৰ সাত খানা, তিনি দিনে কটি ॥
ঘৰ কেনে বান্ধ মনাই ঘৰ কেনে বান্ধ ?
আপুনি মৰিব লাগে, পৰক লাগি কান্দ ॥
দৰিয়াৰ ঢৌ দেখি চমকিল গা।
ত্ৰিপানী কুলৰ মাজে মুৰ্ছিদ লাগি যা ॥
চাহ-মিলনে বৈঠা বায়, মাদাৰে সিচে পানী।
আপুনি কৰিম আল্লা, সেই নাৱৰ কাণ্ডাৰী ॥

ঘোষা—আল্লা খোদাৰ বুজ্‌ৰুগাম ঔ
মজুৰাই, তোমাৰ বুজ্‌ৰুগাম ॥

পচা শিমলুৰে নাওখনি সজালে
নুৰৰ দি গ'ল ভৰা।
এক নাম জাহিৰত, একনাম বাতিনত,
পাতে মোহম্মদৰ ছৰা ॥

একেটি বুধিয়ক সজালে কাঠৰ নাও
দুই বাৰত বৈঠা বায়।
অপাৰ সাগৰত ঢউয়ে কোবাইছে-
পাৰ কৰা তহ্‌কিক খোদাই ॥

ইঞ্জিল, জবুৰ তৌৰাত তিনি যুগ
ফোৰকানত নামিল কোৰাণ।
মোমিনৰ কাৰণে নামিল অজু গোচল
আলিমলৈ কিতাপ কোৰাণ ॥

কোৰাণ কিতাপক পঢ়ে ৰাতি দিনে
কেও-কেওৰে মেলি চাই।
ভাবক্তৰ বৰিষত জীউৰ পাক লাগিছে-
তাহালৈ মনতে নাই ॥

ইলিম পঢ়ি পঢ়ি তত্বক হেৰুৱালে,
কালামৰ বিচাৰে সাৰ।
আপোনাৰ মহাভাৰ আপুনি চিন্তিলে
পৰৰ থাইছিলে ধাৰ ॥

ইলিম কালাম ফুল কেও নহয় সমতুল-
তই মন নহবি গোমোৰা।
শূইনত ফুলিল ফুল তাৰ নাই আদি মূল-
তাত পৰি গুঞ্জৰে ভোমোৰা ॥

জাহুত নাচুত জবকত মলকুত
চাৰি দৰিয়াৰ মূল।
চাৰিও দৰিয়াক যি জনে চিনিছে
দিছে আম্মকত বুৰ॥
মাটিৰ কলবুদ এৰি অময়ালৈ যাবা
অমন পবনক পাবা।
চনত.ভৰি দি নাওখনি বুৰালা,
মমিনে কৰিব কি॥
মোমিনে মোমিনে চেনেহা চেনেহী
চকুৱে চকুৱে দেখা।
নপঢ়া ফকিৰে কবলৈ ধৰিছে
আদি কলমৰ কথা।

ঘোষা—নিয়ত ৰমেজ্ঞানৰ খোদাইতে খাটনি,
মোমিনে লৈবা জানি।

বেহাজল কোৰাণ তামামৰ ইমাম
আছে কলিমাক লৈ।
চৈধ্য তবক ত বিচাৰি আহাগৈ
মুছিদৰ পাৱতে থৈ॥
উজাই ব'লে জবকতৰ দৰিয়া
ধাৰেদি উজনী বায়।
ভটিয়াই বলে মলকুতৰ দৰিয়া
জানো ভাটি মাৰি যায়॥

লাহুত নাচুত জবৰূত মলকুত
আওৱল দৰিয়াহে মূল।
থানিৰ পৰা মই অথানিত পৰিছো
মুৰ্ছিদ হাতত ধৰি তোল॥
কোৰাণ বেহাজল তামামৰ ইমাম
চকুৰ ভিতৰত মণি।
আব'ৰে চাৱালে কৰে ধুৰফুৰ
ধৰিব নোৱাৰে চিনি॥
পূবে ওলাই পছিমলৈ যায়
আছে কোন পিনে ঘূৰি।
বালি চাহীৰ পেটত যি আসন মাৰিছে
চৈধ্য তবক জুৰি॥
চৈধ্য তবকক ইঙ্গিতত ভাঙ্গিব
আৰছত পৰিব বেৰা।
যদি সত গুৰুত থাটান ধৰিবা
দিব আল্লাৰ নূৰে গোৱাহ॥
খোদায়ে পাতিছে ভৰপুৰ দুনিয়া
বলাইছে মলয়াৰ বাও।
কাণেৰে শুনিছো চকুৰে দেখিছো
কিনো সুখেমন গাওঁ॥
তোমাক বুলি যাওঁ ভাই আজৰাইল
তোমাক বুলি যাওঁ ভাই।
অতক মোমিনৰ জীৱক লৈ গৈছা
মইতো দেখা পোৱা নাই॥
ফৰিয়াদ কৰিলে পয়গম্বৰ চাহেবে
আল্লাৰ আৰছলৈ চাই।
অতক মোমিনৰ জীউক লৈ গৈছা
মইতো দেখা পোৱা নাই॥

আল্লাই নমাই দিলে বিমানি ৰথক
শূন্য মণ্ডলত ৰ'ল।
ইল্লিনৰ দৰিয়াত কৌউক মেলি থলে
নেজানো কিহে লৈ গ'ল॥
আল্লাই নমাই দিলে বিমানি ৰথক
শূন্য মণ্ডলত ৰল।
যাৰ ঘৰৰ ৰশ্মি (?) আগে আহিছিল
তাৰ ঘৰে ঘুৰি গ'ল॥
তালুত এই কথা তলুৱাত এই মাথা
ইঙ্গিতত লোৱা খবৰ।
চাৰিওৰে ভিতৰত হায়াৎৰে খুটা
সত মুৰছিদক ধৰ॥
তালুত এই কথা তলুৱাত এই মাথা
অজুদত লোৱা খবৰ।
দমৰ শিতানত বলাব নোৱাৰি
দোৱাম কেনে কৰি মাথা॥
বিচিতে শুকালে, বিচিতে লুকালে,
বিচিতে বিচমিল্লা নাও।
জানা বিচমিল্লাহ তামামৰ ইমাম
বিধি চিনি ঘৰ সোমাও॥
কোৰাণ বেহাজল তামমৰ ইমাম
ভকত ভালে কৰি জান।
মুচল্লি সকলে ফৰীয়াদ কৰিলে
এই বেহাজলৰ থান॥
কব লাগিছে কোৰাণ বেহাজলে
চাৰি মজহবৰ কথা।
তনৰ চিন্তাকটাক দেখাব নোৱাৰো,
দোঁৱাও কেনে কৰি মাথা॥

দাইৰো ইলিম ঐ বাইৰো কলম ঐ
তাৰ মাজে তনৰ সাগৰ।
থাকৰ সজা সাজি জীৱক বহাইছে
আল্লাহে বুজিৰ নগৰ॥
চলি পৰিল ঐ, জেউতি চৰিল ঐ
নেখিবা ধৰমৰ ঝুৰি।
জমীন আচমান কঁপে থৰথৰি
যায় কোনো মতে ঘূৰি॥
শিলৰ নাওখনি দিলৰ বঠা গছি
ভেৰোণ দুই ভায়ে বায়।
একত ধৰিবা পিচলি নপৰা
যদি সঁচা গুৰু হয়॥
দহ শ হুকুৰি নবীচন হিজিৰি
আকৌ পাঁচ বছৰ যায় (?)।
আজান ফকিৰে এই জিকিৰ কৰিলে
কোৰাণ কিতাবত পাই॥

ঘোষা—মোমিনে লৈবা জানি ঐ॥

ইঞ্জিলে জবুৰে তৌৰাত ফোৰকানে
চাৰিটি চিজকে লয়।
চাৰিওৰে ওপৰে যি ফুল ফুলিছে
চিনিলে মুকুতি হয়॥
আৰে কোন নাম লয় চোভানাল্লা
থাকে কোন নাম লয়।
ভোমোৰা পুৰতে আল্লাৰ নিজ নাম
উভত দৰিয়া বয়॥

উভত দৰিয়া ৰ'ব লাগিছে
সুঁতিৰ সীমা সংখ্যা নাই।
সবে চেৰা সোতা যাব তলে পৰি,
লব ভৰা সোঁতাই ঠাই ॥
যেনে ভৰা নাওৰ কৰ্ণালী মুকলি
ভৰা নাৱে পাৰ কৰে।
অগ্নি শিখাতে ফুল ফুলি আছে
তলৈ আপুনি সবে ॥
ৰজা সষ্টম গুৰু তিনি ডোলে কাটি
ছত্ৰখন ফালিয়ে যায় ॥
কিনো ভকতৰে ভাও চোভান আল্লা
কিনো ভকতৰে ভাও।
আগলৈ বাই গলো পিচলৈ নেচালোঁ
কোনে ওপজালে মাও ॥
মুখেকৈ থাকোতে নলও আল্লাৰ নাম
পাতকত গৈ আছো বুৰ।
কিনো গতি হলে মোৰে চোভা'নাল্লা
কি-কৈ গতি হব মোৰ ॥
আজুৰি আনিলে মুখে নাম নাহিলে
তেৱেঁ ওপজালে মাও।
যেনে মৌ ডিমৰুৰ ভিতৰে পকৰা
ওলাবৰে সন্ধি নাই ॥
বাপি চাহিৰ পৰা হস্তীক সীমা কৰি
অনেকে জনমে পায়।
যেনে মৌ ডিমৰুৰ ভিতৰে পকৰা
ওলাবৰে সন্ধি নাই।
সত্ত্ব, ৰজ, তম, তিনি ডোল কাটি
ছত্ৰ ফালি জীউ যায় ॥

লাহুত নাচুত জবৰুত মলকুত
চাৰিও দৰিয়াৰ মূল ।
চাৰিও দৰিয়াক যি জনে চিনিব
দিব অমূলতে বুৰ ॥

ঘোষা—হক হুৰ বিনে আল্লা কেউ নাই আন ।
হক হুৱে জুৰি আছে জমিনো আস্মান ॥

আকলৰ দৰিয়াত পৰি তলে গলোঁ
তৰিবৰহে নললো চিন ।
হাততে তৰোৱাল ধৰি আজ্ৰাইলে
জীৱক কৰে ভিন ভিন ॥
লাহুতৰ দৰিয়াত যিটো বুৰ দিলে
মনৰো ভাগিল সংশয় ।
গাৰে হাড় ছাল গাতে বাঢ়ে টুটে,
আয়ুখিনি মুঠেই খয় ( ক্ষয় ) ॥
গাৰে হাড় বাঢ়ে মনত ৰং লাগে
কিবা পিতল দেখোহে পুত (?)
কৰম নচিবত লেখে চাহেব বখতত
এইটো দুখ আৰু সুখ ।
আপোনাৰ আকলক বুজাব নোৱাৰো
লোকৰে মনলৈ ধায় ।
পলত মাছে বান্ধি হেলাতে নধৰি
সাগৰত হেতাব যায় ॥

আপোনাৰ মৃত্যুক তথাপি নেদেখে
লোকৰহে মৃত্যুক দেখে।
কেৰামন কাতেৰীন দুজনা ফিৰিস্তা
শুনাহ ভাই দিলতে লেখে॥
এই তন্ ফানা, আকলে নেৰাখে
তোৰ জানো পৰিচয় নাই।
পীড় মুৰছিদক শিৰত তুলি লৈ
আজান ফকিৰে গায়॥

যোৰা—অ' ৰহিম আল্লা, অ' চোভান আল্লা।

সাতে (গা'তে) আস্মানে, সাতে (গা'তে) জমিনে
আকল হৈ মেলিলে পুলি।
ঝহৰে ভিতৰত ওলাল চৈধ্য সাক্ষী
ওলাইছে পুলি মেলি॥
চুম্মতে ফৰজে হলে একেমতি
ঝহানি কিতাবত পায়।
ঝহৰে বাতৰি উঠিল কলমলৈ
ইলিমৰ চেতনা নাই॥
ইলিমে কলমে (কালামে) একেটা লিখিলে
তেবে ফকিৰালি হয়।
এজনা হকিকত এজনা হৰিয়ত
দুজনাক মানি যাওঁ গুৰু॥

পূবে আয়ু পছিমে বায়ু
মধ্যত আমৰ জীউ।
আমৰ জীউৰে ফুৰে ঘৰে (ধৰে) সদাই
দহখন দুৱাৰক পাই॥
দহখন দুৱাৰৰ দহোটি দুৱৰী
দহো ৰূপে গুণে বিলায়।
মাতিব ধৰিলে মুখৰখন দুৱাৰে
আদমী চিনি নেপায়॥
আস্মান সৰজিলে জমিন সৰজিলে
ছায়াত সৰজিলে কায়া।
সজাৰে ভিতৰত মইনাক সৰজিলে
আল্লাৰ ভাতে কিনো মায়া॥
ইবিলে সিবিলে দুখনি দৰিয়া
পানী হৈ খেলনি কৰে।
ই পানী নহলে ই সৃষ্টি নেবাচে
জীয় হৈ উমলি ফুৰে॥
মূৰবে চুলিয়ে কাণকো ঢাকিলে
পৃথিৱী ঢাকিলে বনে।
গেন্ধেলা পানীতে সোণা কমাই ললে
আমাক চিনাই দিব কোনে?
আবেলি বেলিয়া বানে ৰৰঘুণে
সাতো সাগৰবে বেৰা।
পাৰিকি নোৱাৰি ভৰষা কৰিব
তথাপি মেলি যাওঁ খেৱা॥
বৰে বৰে গছৰ বৰে বৰে বতাহ
বতাহ কোন ঢালে বয়।
পঢ়ুৱা আলিমক সোধা ভালে কৰি
বতাহক কি দিলে বয়॥

ওঁঠেই কলম জিবাই কাগজ
দাঁতে চাব চিয়াহী বাটে।
হকতু হেজাৰে আউলিয়া সকলে
একেটি নামতে খাটে ( মাতে ) ॥
সেইটি নামৰে যিজনা মোমিনে
সদায় কৰি আছে ৰতি।
মাৰৰ সাত পুৰুষ বাপৰ সাত পুৰুষ
সিও পায় যাব গতি ॥

যাকে সক বোলো সেয়ে সক নহয়
মাৰে আচমানে দেও।
আচমানৰ পৰা বাগৰি পৰিব
ৰাখোতা নহব কেও ॥
চালেও নেৰাখে বেৰেও নেৰাখে,
নেৰাখে তিখিৰ ( ? ) দেও।
গুৰুৱে ভকতে নেৰাখে এমানে
ৰাখোতা নহব কেও ॥
নীতি ধৰম আচৰণ প্ৰবৰ্ত্তন
মনেই মহত্ত্বৰ সং।
সন্ত জনলৈ আশা মই কৰিছো
আশা নকৰিবা ভঙ্গ ॥
নীতি ধৰম আচৰণ প্ৰবৰ্ত্তন
মনেই মহত্ত্বৰ সং।
সন্ত জনেৰে পিৰীতি কৰিছো
পিৰীতি মহা ধৰম ॥
সন্ত জনেৰে পিৰীতি কৰিছো
আল্লাৰ পাবলৈ চাই।
আল্লাৰ এক নাম পঢ়োহা ৰতাহ
আল্লাই দিলেহে পায় ॥

ঘোষা—বিচাৰ কোন ৰূপে পালা ঐ আল্লা।

এইটো চাৰি যুগে (যোগে) বিচাৰ যে কৰিলো
আত্মা চিনি নেপায়।
চাৰিও যুগৰে চাৰিটি কলিমা
চাৰিওকে ইমামে লয়॥
এই চাৰিৰ ওপৰে যিটি ফুল ফুলিছে
চিনিলে মুকুতি হয়।
এই চাৰি যুগে ভৰমি আহিলো
আল্লাকহে কেৱলে কয়॥

দুই পাৱত ধৰি চিজ্‌দা কৰিছো
যদি আল্লাৰ পাৱে লয়।
এই চাৰি যুগে ভৰমি আহিলো
কৰিমে ৰহিমৰ তন্।
দুই পাৱত পৰি চিজ্‌দা কৰিছো
পাৱত সুগুচাবা মন॥

এইটো চাৰি যুগে ভৰমি আহিলো
কতো মুজুৰালে তন্।
ইদৰে থাকোতে দৰশন নেপালো,
জীউ যাব নকৰা মন॥

মানৱী জনম পাই আল্লাকে নিচিন
মৰণক নকৰ দৰ।
দম পলকতে চাহাবে ভাঙ্গিলে
বত্রিশ লক্ষণৰে ঘৰ॥
মানৱী জনম পাই আল্লাকে নিচিন
যতনাহে বহুতো দুখ।
খোদাৰ হুকুম হব জীৱক লৈ যাব
নামকহে বুজিবা মোখ॥

মানৱী জনম পাই আল্লাকে নিচিন
কিনো নিদাৰুণ চিত।
হৰেক চহৰত খাওঁ ভিক্ষা কৰি
নামকহে পাইছো বিত॥
দুই চকু মুদিলে কাকো কেও নেদেখে
পলকে হৈব আন্ধাৰ।
ক'ব লাগিছে হকৰ মুৰছিদে
এইটো বাৰেহে বাৰ॥

ঘোষা—হয় চাহেব হয়।

ৰগৰ কামি কাঠি দমৰ ধৰণী,
সজাই লওঁ কলিমাৰ ঘৰ (গড়)।
হাড়ৰ কামি কাঠি চালৰ চাটনি
সজাই লওঁ খাকৰে ঘৰ॥
খাকৰ ঘৰে সাজি আমক বেহালে
আচল হৈ বিচাৰে চল।
ৰূহৰে ভিতৰত দমে বাটি কৰে
যাক দেখো চাহেব নজৰ॥
কাক শুধি যাম কোনে কৈ যাব
আদি কলমৰ কথা?
চপায়ে আমি মই বুজাব নোৱাৰো
দোৱাম কিয়ে বুলি মাথা॥
তালুত এই কথা তলুৱাত এই মাথা
ইঙ্গিতত লোৱা খবৰ।

মক্কাত এক চিজ্‌দা, মদিনাত এক চিজ্‌দা
দিলত এক ৰাকাত পঢ় ॥
ছুনীৰ বৰপীড়ে বেহানি বেহালে
অমূল্য হৈ বেহালে হাট ।
বেহাব দিলে মোক হীৰাকৈ মুকুতা
বেহাৱ কণাকড়িৰ হাট ॥
অন্ধলা, ক'তে হেকৱালি বাট,
ক'তে হেকৱালি বাট,
বেহাব দিলে মোক হীৰাকৈ মুকুতা,
তই বেহা কণাকড়িৰ হাট ॥

ঘোষা—হক নামে কলিমা, পাকে নামে পীড় ।
আল্লাৰ জিকিৰ ঔ আল্লাৰ জিকিৰ ॥

কহলি কমলি শীতলা মজলা
আল্লাৰ চাৰিজনী গাই ।
ধুব (ছুহিব) লাগিছে বনি আদমে
গোটে সমে শৰীৰ যায় ॥
সক কৈ সক অতি বৰ সক
সকতহে ভকতি বয় ।
বৰে কৈ নোৱাৰে সাগৰ পাৰে হব
সকয়েহে পাৰ হয় ॥
যাকে সক বোলো সেয়ে সক নহয়
মাৰে আচমানে দেও ।
আচমানৰ পৰা বাগৰি পৰিব
ৰাখোতা নহব কেও ॥

চালেও নেৰাখে যেৰেও নেৰাখে
নেৰাখে ত্তিৰথ ( ? ) দেও।
খোদা ৰছুলৰ হুকুম নহলে
ৰাখোতা নহব কেও॥
দেখি ফোৰকান কৰে আওকাণ
আখেৰি ৱক্তৰ বেলা।
ৰব ৰব বিৰিখ উফালি পৰিব
মাৰে নিজ গুৰুক ঠেলা॥
ৰবে ৰবে গছৰ ৰবে ৰবে বতাহ
বতাহ কোন দিশে বয়।
পঢ়ুৱা আলিমক সোধা ভালে কৰি
বতাহক কি দিশে বয়॥
পূবে পৃথুৱী উত্তৰে মোমিন
মাজত চৌত্রিশ হেজাৰ জাতি।
পছোৱা বতাহে ফুৰে ভাঙ্গি চিঙি
থৈছে ইস্রত ( ? ) ৰাখি॥
মক্কালৈ নগলো মদিনালৈ নগলো
নহলো মুছিদৰ ভেট।
তীৰে তীৰে নৌকা কৰে অহা যোৱা
আল্লাৰত ভৰাও পেট॥

ঘোষা—মছুৱাই ছুৰ,বয়্য মনৰে বঢ়াই।
মাকৰী জীৱন আৰু মায়ে ঘুৰাই।।

মাছক লাগি বগুলাই    ভুপি আছ মছুৱাই
ৰখে (বসে) আছ কেমনে মৰম্ হেই।

পানী শুকাই যাব    বগে ধৰি খাব
কিম্মন পানীৰ তই মাছ হেই মছুৱাই।।

বিষয়ধন বিষয়ধন    গলগ্ৰহ বিষয়ধন
বিষয় গলৰ মণিহে মছুৱাই।

বিষয়ৰে লগতে    পানীত তই শুকাইছ
চা মন দকৈ শুণি হেই মছুৱাই।।

সাগৰলৈ এ বুলি    বান্দাই জাপ মাৰিলে
মাণিকো পাবৰে আশে হে।

সাগৰো শুকালে    মাণিকো লুকালে
বান্দাৰ নাই কপালৰ ভাগে হেই মছুৱাই।।

বিষয় তোৰ বিষধৰ    বিষয় তোৰ দৰাদৰ
বিষয় তোৰ থাওঁতা নাই।

এই ভৱ নদীত    পৰি তলে গৈলো
বিষয় মণি গলতে বান্ধি হেই মছুৱাই।।

একে ভুপি বিৰিখে    ছুনিয়া আলম ভুৰিছে
নতু দেখো বিৰিখৰ গুৰি।

দৰখ্‌তৰ সক পাত    অজু নামাজ লিখা তাত
পাতে আছে কণ-ফুল কৰিছে মছুৱাই।।

দৰখ্‌তৰ সক পাত    অজু দোৱা লিখা তাত
বান্দাৰ নামো লিখা আছে তাত।

বিজাচৰ মাজে ঠৈ আমাৰ বাম আৱৰু ঠৈ
দিলৰ মাজে দৰিয়া বয় হেই মনুবাই ॥
পাত নাইকিয়া বিৰিখিৰ গুটি লাগে বিহিতৰ
পানী নাইকিয়া নদী তীৰে বয় হেই মনুবাই ॥

যোৰা—জীৱৰ সাৰথি নাম ।
সতগুৰুক ভেটিবা, আত্মাক চিনিবা, সিজিব জীৱনে কাম ॥

অমন পৱনক চন্তালি বাখিবা কোনোবাই ভাঙ্গিব ধৰি ।
মনৰ পাঁচ হাতীক থিৰ কৈ বান্ধিবা কলিমা লাহৰে জৰী ॥
মনকে বান্ধিবা, মনকে চাটিবা, মনকে নিদিবা লাই ।
অবুজন মনকে বুজাব নোৱাৰি যেনে গজমুৰী গাই ॥
মনকে বান্ধিবা মনকে চাটিবা, মনকে নিদিবা লাই ।
দুৰ্জ্জন মনকে বুজাব নোৱাৰি, বুজায়ো পাৰ নেপায় ॥
তিনি আঠে বছৰ মনকে বুজালো জগৰা বনলৈ যায় ।
জগৰা বনলৈ কেনেই নেযাব, স্মৃতি বাঢ়িবৰ ঠাই ॥
বাঁহে কি এ তিতা, গজালি কোমল, খাওঁতে মাধুৰি ভাল ।
কুকুৰাৰ ডিমাতে পানী চল চল তাতে কুকুৰাৰ আল ॥
জাবৰে কোমল সৰগৰে ৰ'দ, ঘামৰে কোমল বা ।
মাছৰ গৰভত দহ মাহ নবকত, পণ্ডিতে বিচাৰি চা ॥
জুয়ে কোমলাবৰ লাহে লোৱে, পানী কোমলাবৰ মাটি ।
নামৰে কোমল, ভকতৰে বচন, ধৰিছে অমূলক আটি ॥
এইনো ঘৰে ঘৰ কেনেকৈ সাজিলা, গুৱঠেল নোজোৰে পাটি ।
গাৱঁৰে পিয়াতী চপাই মাজি আনি ল'লে বাৰীচুকত মাটি ॥
কাপে কাপে তুলা-জিজিত শিলিখা, জঁকালত শিজিলা লোং ।
যাবৰ বেলিকা ল'লা কিয়ে নাদ, জলটো মুখকে গুণ ॥

**ঘোষা—তুই মনে ভাবিলে তথা ডুব ঐ চাহেব।**

যেনে ভাটী পানী চৌদিশে নচলে
যেনে বাৰিষাৰে বাণ।
সচা গুৰু বুলি তোমাতে ভজিলো
চিনাই দিয়া ত্ৰিপানীৰ ঘাট॥

ত্ৰিপানী চন্দনৰ ঘাট নিতে গোচল কৰে তাত
পানীৰ জমক হে নাই।
ত্ৰিপানী চন্দনৰ ঘাট নিতে খেলা কৰে তাত
দহো নখে নোচোৱে পানী॥

লাও ডুবে ডুবে পানী ডুবে ডুবে
আছে ডুবে ডুবে কৰি।
খোদাৰ দোস্ত পয়গম্বৰ বন্দেগী কৰিছে
তনৰ মচুলা পাৰি॥

লাও ডুবে ডুবে পানী ডুবে ডুবে
আছে ডুবে ডুবে কৰি।
খোদাৰ দোস্ত পয়গম্বৰ বন্দেগী কৰিছে
মধ্যৰ মোকামত বহি॥

এক ফুল অলিয়া এক ফুল মলিয়া
আক ফুল ললিত বৰণ।
একেটি ডালতে চাৰি ফুল ফুলিছে
চাৰিওৰো চাৰি বৰণ॥

চাৰিওৰো উপৰি যি ফুল ফুলিছে
ভজোতা জনেহে পায়।
যাকে যিয়ে লাগে তাকে সেয়ে পায়
মুৰ্ছিদৰ বৰতে গৈ॥

বুজিবক নিচিনি আখেৰত হ'ব কি
ক্ৰোধে পাপে পিঠি দি যায়।
কলিৰ পুত্ৰৰ বল খোদাৰে নাই ভৰ
আখেৰত নেপাবা খোদাই ॥

ঘোষা—যায় কলন্দৰ মৰণ সকল হে।
তাৰ কলন্দৰ মৰণ সকল হে ॥

পানী পাই পুনীয়ে কৰে তুলবুল
বামে পাই ধৰিলে গিয়া।
পচুলি পচুলি কিহৰ জুমা জুমি
দৰা নাইকিয়া বিয়া ॥
ফকীৰৰে খুলি কান্ধে ললে তুলি
জানো ক'ত পৰি জাগে।
বামত পাৰে কণী পানীত লয় উমনি
জানো কিনো কৰি জগে ॥
ফকীৰৰ জিকিৰ জিভাত জিকিৰ
লাগিল তালুকাত ধ্বনি।
ফকীৰৰ ল'ৰা মৰবেহৰ নাতি
কৈ যাবা এই সাৰ মানি ॥
পানীত জিলিকিল কেনে সুইকাৰে
বামত জিলিকিল চন্দা।
ফকীৰৰ ল'ৰা মৰবেহৰ নাতি
কৈ যাবা এই সকল কথা ॥

হাতে বৌদি মেলি আঙুলি মেকোৰা
মুখে লিখি জলে খিৰা ( কিবা ? )।
বৈছাজিল কোবাপত সজাত ধৰিলে
আখেৰত পুৰিব জিৰা।।
নাৱত ভৰা দিলে কচলু কোমোৰা
বাৰত দুই ভৰি দি।
মৰম হৈ নেজান এই তনৰ খবৰ
আওৰত হৈ বুজিব কি ?

যোৰা—ঐ আয়া হে।

তুমীয়াই এদিনৰ তুমীয়াই দুদিনৰ
তুমীয়াই তুলসী বাৰী।
কতক চলে বলে কৰ ভাই তুমীয়াই
ধৰিব খেৰাপী মাৰি।।
খেৰাপী জানবে ভৰা বাৰে বুলি
পাছৰ লেখে-জোখে নাই।
টিকলিতে ধৰি চোতলি আনিব
সৰাকো এতে ঠাই পাই।।
হাইৰ আজি বাঢ়ি কি কৈ বগালি
বৰবুৰৰ চৌপাশত লাগে।
পিলৰ আজি বাঢ়ি বলাধ জালিলে
জেহে লিখিতে থাকে।।

ৰবীয়ে আঁৰলে পুখুৰী খনালে
চৌপাশে বান্ধিলে পাৰ।
এখুৱা পুখুৰীত চিতহৈ বুৰিলে
মলিও হুগুটিল পাৰ॥
পুখুৰী ইচনে পুখুৰী বিচনে
পানীত পোনাবাহ চৰে।
পানীৰ পোনাবাহি বাৰলৈ উঠিলে
সাধুৰ গুণ বিলাপ কৰে॥
নামৰে তাওৰ চাবিটি কলিমা
চিৰৰে তাওৰ তাত।
তাকে মেখালে পামক নৰহে
নোলায় শৰীলৰ মাত॥
আকাশত ফুলিলে আকাশী চন্দ্ৰমা
তাত পৰে লোণৰ জোৰোৰা।
আপোনাৰ শৰীলক আপুনি মিচিন
হৈ আছ জীয়াতে মৰা॥
যদি আৰৰে এই আলি বৰালে
দীঘলী এখনি থল।
হাড়া ও আদমে পুখুৰী খনালে
সবিয়হ মগলে তল॥
এই ছুনীয়ালে কেলেই আহিলো
সকণ্ডে মগলো খনি।
পোৰ আজাৰ বাতৰি তনি মোৰ
আগলৈ যকলে তলি॥
কি কাম কৰিলো কি বুধি কৰিলো
বাবাত ভাবে কলা কই।
আগেয়ে নেজানো এতিয়া জানিলো
শৰীলত এজুৰা জুই॥

অসমীয়া জিকিৰ-কাৰী

সকলে পৰা গৰু ৰাখিছিলো
মাথাৰো পকালো চুলি।
পাপক মনায়ে বুজিব নোৱাৰে
নামেহে সাৰ কথা বুলি॥
এই ৰব ঘৰ কেনেই সজালা
কেনেই সাচিলা ধন।
জপাৰ ঘৰে কাপোৰ জপাতে পচিব
হাড়তো গজিব বন॥
ঘৰে ঘৰ ভাগিলে সাজিম ভালে কৰি
কালতকৈ ৰূপহী কৰি।
দেহা বুঢ়া হলে ৰাখিম কেনে কৰি
যাব নিজ ঘৰে চলি॥
ঘৰো ভাগিব মাড়লি হালিব
চঁডিত ধৰিব ঘুণে।
মৌৰতৰ টেকেলাই ধৰি লৈ যাব
জামিন হৈ ৰাখিব কোনে॥
ঘৰো ভাগিব মাড়লি হালিব
ৰাতিৰৰ শিহৰ পৰ।
দীঘলে ছুমাৰি পথালি এমাৰি
লবা ৰাৰী চুকত ঘৰ॥
কাৰবি নেৰাৰা ৰাগৰি পৰিবা
আচল মৰিয়াৰে কোল।
ধনো এৰিলো জনো এৰিলো
যোজা হাতত ধৰি ডোল॥

ঘোষা—কলিমাৰ নাম সাৰথি, আল্লা, জীউৰ লগে যায়।
কলিমা হকিকত, কলিমা হকিমত, কলিমা পঢ়িব পায়॥

কলিমাহে ল' মোমিন কলিমাহে সাৰ।
কলিমা নহলে বান্দা, দিনতে আন্ধাৰ॥
কলিমাহে ল' মোমিন ভেটি আছে কালে।
যেনে মৃগ পক্ষ ভেটে চৌপাশে জালে॥
কলিমাৰ নাম সাৰথি জীউৰ লগে যায়।
যি ঠাইলৈকে চালাম যোগায় তাতেই খোদায়॥
কলিনাহে ল' মোমিন থাক আৰহত।
কলিমা ললে দোষোক্ত নহয়, না-পাকৰ মুখত॥
কোকিলৰ ডাকৰ আগে সৰ্ব্বলোক জাগে।
কিবা বস্তু লৈয়া যাবা গুৰুজনৰ আগে॥
নিশিয়া পোহাই গৈলে কোকিলে কাঢ়ে ৰাও।
সাউদ সতে চাহ মিলনে মেলি আছে নাও॥
পুৰুষৰ জাতি যেন অনেকলৈ মন।
পৰেক নিশা আছন্তে নেপায় চেতন॥
ৰাতি দিনে টুটে আয়ু নিচিনে খোদায়।
পুৰুষৰ জাতি যেন নামেহে চেতাই॥
আতমাতে আছে সব বিচাৰি নেপায়।
কলিমাৰ নাম সাৰথি জীউৰ লগে যায়॥

ঘোষা—হক্ লাইলাহা ঐ—ইল্লা হু।
মোহম্মদৰ ৰছুল আল্লা তোতালাল্লা হু॥

নয়নেহে পৰম ধন শুনা মোৰ ভাই।
বিৰয়তে হয় ( হ্ন ) মুল মানিক বিকায়॥

বিষয়তে বিয়াকুল মোরো নাহল খুলি ।
ধরিছে মওতের কাঁদে নেচাও চক্ষু তুলি ॥
যতেক দেখো ভার্য্যা পুত্র একে খুলি হবো ।
এবিয়ারে আমার সমান ( ? ) বিষয়তে মরো ॥
জিগির মথিয়া, মথি কলিমা পালো সার ।
আল্লার বিনে যতেক দেখো সর্ব্বে অন্ধকার ॥
অনেক শাস্ত্রে সুখে যাহার গুণ গায় ।
হেলাতে অমূল্য রতন হাততে হেরায় ॥
আজি ভাটি কালি ভাটি ভটিয়াওঁতে যায় ।
ভটিয়াওঁতে ভটিয়াওঁতে সাগরো শুকায় ॥
শিরর চাহেতে কর জীউ হেলে বৈয়া যায় ।
মায়ার বাজিনী পাইয়া লাবি চাবি খায় ॥

ধোয়া—লেবিবা কলিমা. খকিমা কলিমা
কলিমা সামনে শুরি ।

আওয়লতে এই কলিমা    আখেরতে এই কলিমা
জাহিরতে এই কলিমা বাত্তিনরো মূল ।
ছরিয়ত্তত এই কলিমা    হকিকত্তত এই কলিমা
তরিকত্তত এই কলিমা মারিফতের মূল ॥
আছমানতো এই কলিমা    জমিনতো এই কলিমা
দোজখতো এই কলিমা বিহিস্তরো মূল ।
আরছতো এই কলিমা    কুরছিতো এই কলিমা
লৌহতো এই কলিমা অহদূরের মূল ॥

দুনীয়াতো এই কলিমা          ইমানতো এই কলিমা
জিন্দেগীতো এই কলিমা সৱতৰো মূল ।
লাহুততো এই কলিমা          নাচুততো এই কলিমা
মলকুততো এই কলিমা জবৰুতৰো মূল ॥

জোৰা—হায় হায় অ’,

অজু হলে কবুল হয়, মোমিন মুছলমান ।

বেগাৰ হৈয়া কৰে অজু ওজু ।
অজু ওজু কৰিবা          আল্লাৰ নামক লৈবা
বিহিস্তৰ নিচানি লৈবা কিছু ॥
আওৱলতে লৈবা          আল্লাহৰে নামকে
দোছৰে লৈবা নামে ৰছুল ।
ডাক দিলা মুছুৰাই          মাও বিবি ফাতিমাই
মক্কা মদিনা আছে কত দূৰ ॥
চৈয়দে ৰছুলৰ বেটা          পাছে বোলে লৈ যায়
ৰব পাছে হজৰত ৰছুল ।
যেতে বেলা পয়গম্বৰ          খোদাৰ ঠাইলৈ যাওঁতে
থলকে থলকে উঠে নূৰ ॥
নূৰ মাণিৰ হুঁচলে          নূৰ মাণিৰ খিচলে
নূৰ মাণিৰ পাক ছুৰাৰ ।
যেতে বেলা পয়গম্বৰ          খোদাৰ ঠাইলৈ যাওঁতে
লগত লগে চাৰি ইয়াৰ ॥
সিহি সিহিৰ বোৰাখিত          চৈয়দ হলে চাবাব
হাতত লগে লোণৰে চাবুক ।

সেযাই নিবিলাই ধন বান্দাৰ কঠিন মন
খাচি তেলে নলগালো বাতি ।
ঘাৰে ধনে মালে সেয়ে চিনি নেপায়
বখিলৰ মুৰত মাৰে পক লাঠি ॥
এই খাকৰ ভৰণে এই খাকৰ বুৰণে
খাকক লাগি হৈলা উতপতি ।
সাতো হাজাৰ আদমে এই খাকক ভজিব
খাকে হব বান্দাৰ বিচমপতি ॥ (?)
মধু পান কৰিয়া ভোমোৰা উৰি গ'ল
মিছাতে কান্দিলা বাপ-ভাই ।

ঘোষা—নেৰিবা কলিমা জিকিৰ লৈবা বুকুত বান্ধি ।

নেৰিবা কলিমা ধৰিবা কলিমা
কলিমা ধৰমৰ গুৰি ।
একেটি কলিমাই ব্ৰহ্মাণ্ড তেজিলে
চৰাই হৈ আছিলে ঘুৰি ॥
লোৱৰে হাতুৰি লোৱৰে নিয়াৰি
লোৱৰ শৰাকেৰে ধৰে ।
নিয়াৰিত তুলি লৈ কোৰকে মাৰিলে
চৈধ্যখন ব্ৰহ্মাণ্ড লৰে ॥
মচ্‌ৰিকে মগ্‌ৰিবে দেখো কত দূৰে
দুই কদমৰ বাট ।
এই নাক মুখ বিচাৰি নেপালো
চাহেবে কুলালে হাত ॥

তুমি জাল পাতা     তুমি পহু চান্দা
তুমি হৈ মাকৰক ধৰা ।
হৰিণ ৰূপে ধৰি     এই বনে সোমাই
ব্যাঘ্ৰ ৰূপে ধৰি খোৱা ॥
সৃজন পালন     তোমাৰে হাতত
তুমি যি লাগে কৰা ।
ইহ পৰলোকে     আমাকে নেৰিবা
জীৱ দিও হুপাৰত আঁৰি ॥
কেৰামন কাতেবিন     হুজনা ফিৰিস্তা
হঙেহি আগতে ঠিয় ।
নেক মুছলমানক     নিব নেক ৰূপে
বদিৰো উৰাব জীৱ ॥
জমিনৰ ওপৰে     আস্মানৰ তলে
চাহেৰে ভেটিলে বাট ।
কাফিৰ কুফিলোকে     কৰে গুণা গুণি
চেতনো নহলে গাত ॥
নাও শাল কাঠৰ     কৰ্শালি অঙোঁৱা
শিল ভৰা দিলে তাত ।
একাঠু পানীতে     নাও মেলি দিলে
নামিও নেচালে তাত ॥
আবেলি বেলিকা     বাণে বৰষুণে
সাতো সাগৰে বেৰা ।
পাৰিকি নোৱাৰি     ভৰষা কৰিব
তথাপি মেলি যাও খেৱা ॥
সৰগত আছে ঐ     বেলি চাৰি ভঁাৰ
বাই আছো খাগৰি খৰি ।
ইহ পৰলোকে     আমাকো নেৰিবা
জীৱ দিও হুপাৰত পৰি ॥

ডুবুকি ডুবুকি নাৱে পানী খায়
একে ধান পাৰৰে কাঢ়ি।
একাট্টু পানীতে শিয়াল ভয়া দিলে
নামিও নাচালে উঠি।
ডুবুকি ডুবুকি নাৱে পানী খায়
একে ধান পাৰৰে কাঢ়ি।
ইপাৰো নাপালো সিপাৰো নাপালো
নেপালো মুৰ্ছিদৰ ঘৰ।
নৈ ঘুৰণীয়া (পকনীয়া) নৌকা তলে গলে
ৰাখা তৰকুলক ধৰ।।
তৰকুলৰ ঘৰ পাই জীৱ থিত হলে
তুতিকে নকৰ ডৰ।
তুমি হৈ খুৱালা তুমি হৈ ধুৱালা
তুমি হৈ লগালা মাত।
হাটে বজাৰত তুমি হৈ ফুৰালা
মাতিলা অমাতৰ মাত।।
সকলে এপৰা বুঢ়ালৈ বঢ়ালো
নিচয়কৈ জানিবি তই।
ভীখাৰী আজানে আছে হাতে পাতি
যদি আলিম কাজিল হয়।।

ঘোষা—আল্লাহে আল্লাহ আৰ ঐ,
আৰেহে এই আৰ।
আল্লাৰ নামে লবা হজৰত ৰছুল
আলেইহে চালাম্॥

কলিমাহে বৰ ধন, লাগে মানে তাৰ।
আওয়ালে পয়দা হ'ল কলিমাহে আগ॥
কলিমাহে বৰ ধন, কলিমাহে তাৰ।
মোহম্মদৰ হকিকতত কলিমাহে আগ॥
কলিমাহে বৰ ধন, মনে লৈবা ধৰি।
খেতো লোকে নেপায় কলিমা হলে গুনাহগাৰী॥
কলিমাহে বৰ ধন, আহে নহয় সাৰ।
বান্দাক ভেটিয়া আছে কুঁৰলী আল্লাৰ॥
কলিমাহে বৰ ধন, আনে নহয় তুল।
তামাম আলমৰ মাজে কলিমাহে ফুল॥
কলিমাহে বৰ ধন, মোমিনে লবা জানি।
আখেৰতে হব বান্দাৰ বিহিস্তৰ নিচানি॥
কলিমাহে লোৱা মোমিন কপালৰ ভাগে।
ভাবো নহয়, সাজীও নহয়, যাব আগে আগে॥
লক্ষ লক্ষ টকা ভাজি কৰা যজ্ঞ দান।
এক হৰফ কলিমাৰো নহয় সমান॥
কলিমাকে লোৱা মোমিন মুৰ্ছিদকে ৰাখি।
সেই কলিমা লগে যাব আল্লাৰবে চাকি॥
এনে হেন কলিমাক বান্দা কৰি আছ হেলা।
দুখতে পৰিবি বান্দা, হিচাবৰে বেলা॥
আগলতি পাত পাৰি পূজে নানা দেৱ।
দোজখত পৰিব বান্দা, মুকুলিব কেও॥
দোজখৰে পোক-পৰু বান্দাক বেঢ়ি খায়।
সেইটো বান্দাৰ আত্মাতে গগনে উৰায়॥

জানি শুনি যিটো বান্দা ধনৰ বাঢ়ি যায়।
যিটো বান্দাক দোজখতে লাগনি জলায়॥
জানি শুনি যিটো বান্দা কুকুৰা যুজায়।
সিটো বান্দাক দোজখতে নৰক ভুঞ্জায়॥
যত পাইল ধন-জন, যত পাইল ভাই।
বিৰিখৰে লতা যেন আছিল মেৰাই॥
ধন জন পুত্ৰ-ভাৰ্য্যা সবে অকাৰণ।
ছায়া মুঠে বেঢ়ি আছে মায়াৰে কাৰণ॥
লাভে মূলে কাঢ়ে কোচে পাতি আছে জেঙ্গা।
বৰষুণৰ পানী যেন টানি মৰে হেঙ্গা॥ (?)
আকাশৰ শগুনীয়ে দীৰ্ঘে দিলে ৰাও।
তিনি চাৰি শগুনীয়ে ললে ভৰা নাও॥
সুবৰ্ণৰে কাঠি-কামি মাণিকৰে কৰা।
তাতে বহি ভোজন কৰে শগুনি বপুৰা॥
পকৰা পিপৰা আদি সবে তোলে মাটি।
জোৰা-জোৰে সুলকিৰ শৰীলৰে গাঁঠি॥
বৈয়া চঞ্চল পানী ভাল, বৈয়া চঞ্চল পানী।
নাকে কাণে শলা মাৰি জিভা কাটে টানি॥
কলিমাহে বৰ ধন দীন ছুনিয়া পোহৰ।
ইচলামত উঠি চোৰা কফুতন চহৰ॥
তিনিও যুগে ভিক্ষা মাগে নিচিনিলে কেও।
কোৰাণ কিতাপ মেলে যদি আমাৰ সাক্ষী দিও॥
ৰসৰ ভড়াল পাই আজানে দিলে মেলি।
কলিমাৰ বৰকতে কুফৰক দিলে ঠেলি॥
জিকিৰ মথিয়া মথি জিকিৰকে গাওঁ।
তুমি আমি সজৰ ভাই সঙ্গে চলি যাওঁ॥
ভিখাৰী আজানে কয় আহো পৰদেশ।
বিনা গুৰুৰ মুখে কেৱে নেপায় নামৰ ভেদ॥

**ঘোষা—প্ৰথমে লইলো, প্ৰথমে লওঁ, আল্লাৰ নাম।**

ছুনীয়ালৈ আহিলোহে        ৰঙ্গে ৰূপে গোঁৱালোহে
ঘুমুজিলো মাও বাপৰ ধাৰ।
সাৰক নিচিন্তি        অসাৰক চিন্তিলো,
আমি বান্দা বহুত গুনাহগাৰ॥
দৰিয়া বাঢ়িলে        ছুই জানে বহিলে
খেলাই আছো চন্দন কাঠৰ নাও।
নাৱৰে ভিতৰত        পঞ্চজাটি ঘূৰিছে
মনে কাটে কোকিলৰ ৰাও॥
খেলি আছো ভগানাও        বৈঠা হল হায়ৰাণ
কৰ্শালিয়ে কৰে তলবল।
খোদাৰ হুকুমে        ভেটিটি বান্ধিছো
হায়াত পৰি গলে তল॥
চান্দে ৰমজানৰ        নিয়তক ৰাখি
ভিক্ষাৰী আজানে গায়।
দিল কোৰাণত        চোৱা বিচাৰ কৰি
কলিমা নামকে পায়॥

**ঘোষা—নামে গঙ্গাজল,        সবলৈ কোমল,**
**বৈ আছে হৃদয়ৰ মাজে।**

হাবিৰে পৰা নওঠা ওলালে
হাতত একদা লৈ।
লোকে যে হালোৱাই হালো মেজিলে
জুবৈৱাই জুজিছে বৈ॥

বাপেক আছিলে হালোৱা মোলোনা
পিতেকৰ ছুবিয়া নাম।
হালোৱাৰ পিতেকে ললে যৈ জৰি
থলে বাহ বাটত তুলি॥
নৈ খহনিয়া, পানী চেঙেলীয়া
তকলাই যায় মন।
আচমানত ঢাকিলে জোনাকী পিপৰা
জমিনত ঢাকিলে বন॥
কেলেই ফুলিলি কপহী মদাৰ ঐ
কেলেই পেলালি কলি।
গুৰুতো নেলাগ, ভকতত নেলাগ
থাক তলে ভৰি সৰি॥
অতি সুখেমলি কপহী মদাৰ ঐ
অতি সুখেমলি কলি।
অতি সুখেমলি সোৱামী ভকতি
থাকো খেদমত কৰি॥
লাও বাই পোহাৰী, জিকা বাই পোহাৰী
জিকাৰ মুৰবে ফুল।
জিকা বেচি বেচি পিয়াহ লাগি গলে
পুথুবী কিমানৰ দূৰ॥
ভেবেকো নহয় ঐ পৰেকো নহয় ঐ
নহয় চাৰি ভাঁৰৰ বাট।
লাহে বেহে কৰি গৈনো পাবাগৈ
সোণ-সুবৰ্ণৰে ঘাট।
দকৈ পুথুবী আদমে খনালে
সৰিয়হ মথলে তল।
গুৰুকৈ গোনাৱে সাধু মহাজনে
শাই-পাক পুথুবীৰ জল॥

কাৰ ঘৰৰ জীয়াৰী, কাৰ ঘৰৰ বোৱাৰী
ভাজি কথাযাবি কোৱা।
ভাঙি কথাযাৰি কবকে নোৱাৰি
হাততে ৰসবে বাটি ॥
শঙ্কৰদেউ জীয়াৰী মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ।
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি
দিয়া সকলোকে বাটি।
আই আই বুলি মইনো মাত লগালো
আয়ে শুবুলিলে পুত।
লাহুতৰ মোকামত উকমি লাগিলে
চিঁগিল কামায়নৰ সুত ॥

ঘোষা—অতকতি প্ৰাণ, জনম বিফলে যায়।

আহো পৰদেশ, যাওঁ পৰদেশ, লগতো সাৰথি নাই।
আজি আজি কৰি, কালি কালি কৰি, দিনৰ মূল ভাগি যায় ॥
আজি কালি কৰি, দিন গল চলি, কিয়বা বিচাৰ মন।
কালে সংহৰিব, চেতনো হেৰাব, নগৰক কৰিব চম ॥
জীৱন আগে কৰি গিয়ান আহিব, তোকো পাবহি কালে।
সজাৰ মইনা সজাতে হেৰাব, তাৰনো হব কোন হালে ॥
দিলক হাত কৰা মনাই, আকলক দি যোৱা বিত।
আল্লাৰ পাৱত তৱবা কৰি, ভজা নামৰ গীত ॥
কব লাগিছে আজান ফকিৰে আকলৰ আবহত ধৰি।
যোধা যোবা কৰি আগটি ধৰিব, নিব নিবতৰে হৰি ॥

খোৱা—চাহেবে জান, চৈয়দে জান।

চৰাই হৈলে সজা লাগে, সজা হৈলে পাখী।
হস্তী হৈলে শুৱক লাগে, কনা হৈলে লাঠি॥
হাট ভৈলে বজাৰ লাগে, দোকানী লাগে তাত।
নৈ হৈলে নৌকা লাগে, বৈঠা লাগে তাত॥
গাতে মলিয়ন বস্ত্র, শিৰত সোণাৰ গাঁঠি।
আপোনাৰ শৰীলৰ গোন্ধত ঘনে আছে বাঁধি॥
কৰিম ৰহিম আল্লা একে কৰি জান।
.নিলগ ৰূপে থাকি আল্লা, সজালে বিমান॥
বিমানতে থাকি আল্লা মায়াৰ ছুনী চায়।
ঘিঁৰে মৌৰে শুৰে গাখীৰ ৰহমক ভূঞ্জায়॥
ৰহমকে ভুঞ্জায় আল্লা ৰহমকে লোৱা।
বায়ু বতাহ নাই ঘৰত, শুই থাকিল পুৱা॥
বায়ু বতাহ ঘৰত নাই, কৌশল্যা ঘৰিণী।
পোৱালীয়ে আহাৰ নেখায় বুজিব নোৱাৰি॥
পোৱালীয়ে আহাৰ খাই বুজিব মাতৰ।
দেও মাৰি পাৰ হল এৰিলে বাহৰ॥
কোনোৱে বোলে দিন চাহেব, কোনোৱে বোলে ৰাতি॥
লুকালুকি খেলি আছে শিকিছে পিৰীতি॥
জানি বান্দাই গুনাহ কৰে লগে লগে যায়।
নাজা'ন বান্দাই গুনাহ কৰে ৰখছে খোদায়॥
জানি বান্দাই গুনাহ কৰে ৰখছিব কিয় ?
কাঁইট দেখি পাও দিলে ভৰিহে বিন্ধিব॥
পানী মৰে পিয়াহত অগ্নি মৰে জাৰত।
খোদা ( ৰ ? ) ৰছুল লুকাই আছে মোমিনৰ জাঁৰত॥

ঘোষা—মমুৱাই, দুৰ কৰা মনৰে বড়াই।

এই দুনিয়াৰ হাটে পাই    যোমিন হৈ যে নেবেছায়,
বেহাই আছে সুবৰণৰ হাট।
অময়াৰে স্থান পাই    আনন্দৰে পাৰ নাই,
ফুলনো পিন্ধে অনাথৰ নাথ॥
সুগন্ধি ফুলৰ ভাৰ,    বান্ধা হব দৰিয়াৰ পাৰ
সেইনো ফুলৰ নাই আদি মূল।
মাথাৰ লোটনি (টিকনি) কাটি    আল্লাৰ পাৱত ধৰা ডাঠি
মুচা পিনো ( ? ) লোয়া মুৰ্চিদৰ কোল॥
সুগন্ধি ফুলকে পাই    তাকো আনে ভৰা যাই,
ভৰানো আনো হাতে মুঠি বায়।
তিনিওবো তত্বক ভেদি    ফুলক দিব লেখি লেখি
মুৰ্চিদেনো দিব হে বটাই॥

আশাতে ভৰষা নাই,    ভাৰ্য্যাতে সঙ্গতি নাই,
মছজিদত নাই চাহেব ধন।
বাচা পুত্ৰ হলে জোৱান    গুৰুক নকৰে মান
মাৰে আচ্‌মানে দেওঁ॥
আচমানৰ পৰা    বাগৰি পৰিব চাহেব
বাখোতাযে নছব কেও॥

হায়াত থাকোতে ভাল,    সময়ে ঠেকিলে ভাল
ডিঙৰীত মানিক উঠিল।
ডিঙৰীৰ মানিকে ভাল    সব তুলা পুৰিলে ভাল,
আদমীৰ হায়াত টুটিল॥

আকাশৰ শগুনিয়ে কাঢ়ে দীৰ্ঘ বাও।
চাৰি পাঁচ কটোৱালে লোটে ভৰা নাও॥
কুকয়াত পৰি পচোৱাৰ বৰ বা।
দৰিয়াৰ পানী দেখি চমকিল গা॥

দৰিয়াৰ পানী টুপি যায় মনে মনে।
মোমিনক চিনি লোৱা ভাবৰ যতনে॥
পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে মোমিনৰ আঁৰত॥
খোদা ৰছুল লুকাই আছে নকৰ বিচাৰ।
মক্কাৰ দুৱাৰত বান্দা মাৰিলে সঞ্চাৰ॥
মক্কাৰ দুৱাৰত বহি মাৰিলে চাপৰ।
হাকোৰৰ দেৱালি যেনে ওলাল বাখৰ॥ (?)
মক্কাৰ দুৱাৰত বান্দা,অনেক যুগুতি।
জাপ মাৰি পাৰ হলে এৰিলে পিৰিতি॥
আকাশে বৰষী বায়, খুণ্ডা প'ল তিতি।
মন মাছে টোপ খালে, হায়াত প'ল টুটি॥

**ঘোষা—লৈছিবা আল্লাৰ নামে মোল্লাজীউ৷**
**লৈছিবা চাহেবৰ নাম।**

**ঘৰো মোৰ ভাগিলে মাড়লি হালিলেঃ**
**কৰাত বিন্ধিলে ঘুণে।**
**আল্লাৰ জীৱক আল্লাই লৈ গলে**
**চোকা দি ৰাখিব কোনে॥**
**ঘৰো ভাগিলে সাজিম তালে কৰি**
**কালতকৈ কপচী কৰি।**
**দেহা বুঢ়া হলে মলকুত্তে আনিব,**
**যাব নিজ ঘৰে চলি॥**

হাতৰে সাৰথি বাঁহৰে লাখুটি,
শত্ৰুৰ সাৰথি ভাই।
গা'টোৰ সাৰথি আচোৱাহ নিচোৱাহ
আৰু চেনেহৰ আই॥

আই হৈ কান্দিব ঘাউতি মূৰীয়া,
ভনী হৈ কান্দিব ছমাহ।
পাটিৰ ভাৰ্য্যাই কান্দে তিনি দিন
আমাৰ ক'ত ঘৰ বাহ॥

ওপৰ আচমানত মেঘে গৰজিলে
আলগে নিকগে জোৰ।
বাটত লগ পাই মৰতে সুধিলে
কি সান্দহ আনিছ মোৰ?

তোৰে সান্দহ-পিঠা আনিম কেনে কৰি
টোপোলা বান্ধিয়ে থলো।
বাতিপুৱা হ'ল টোপোলো মেলি
পালী পহৰীয়াক দিলো॥

সান্দহ দি আহিলা পালী পহৰীয়াক,
লোটা দি আহিলা কাক?
পঞ্জে ৰত্তুৰ অজু মোৰ কৰোতে
লোটা ভাগি গলে তাত॥

লোটাও ভাঙ্গিলা ভালকে কৰিলা,
কাপোৰ দি আহিলা কাক?
পঞ্জে ৰত্তুৰ মচুলা পাৰোতে
কাপোৰ ফাটি গলে তাত॥

কাপোৰো ফালিলা ভালকে কৰিলা
পাটি দি আহিলা কাক?
পঞ্জে ৰত্তুৰ নামাজ পঢ়োতে
পাটি ফাগি গল তাত॥

পাটি দি আহিলা ভালকে কৰিলা,
জাপি দি আহিলা কাক ?
বাৰিষা বতৰত আহনি যাৱনি
জাপি ভাগি গলে তাত ॥

জাপি দি আহিলা ভালকে কৰিলা,
লাঠি দি আহিলা কাক ?
বানে বৰষুণে আহনে যাৱনে
লাঠি ভাগি গলে তাত ॥

লাঠি দি আহিলা ভালকে কৰিলা
বাটি দি আহিলা কাক ?
নিয়ত ৰমেজানৰ মুখত পানী দিওঁতে
বাটি ভাগি গলে তাত ॥

কওঁ সঁচা কথা, নকওঁ মিছা কথা,
ইয়াৰ সাক্ষী বাদী কোন।
ইয়াৰ সাক্ষীবাদী ইয়াত নাইকিয়া
হজৰতৰ ঘৰলৈ গ'ল ॥

কোৰাণী মোলোনাই কোৰাণ পঢ়ি আছে
আলহী বৈ গল ভোকে।
চহৰে চহৰে ঘুৰে সাধু গুৰু
কুঁৱৰী কাপোৰৰ লোভে ॥

কুঁৱৰী কাপোৰ খাই সাৰিব নোৱাৰে
হৰ গুৰুতৰ চাৰি।
ৰোজ কিয়ামতত চাহাবক ধৰিব
গাতে খেৰালী মাৰি ॥

খেৰালী জালৰে গুৰা বাৰে বুৰি
পাহৰ লেখে জোখে নাই।
টিকনিতে ধৰি চোচনি মাৰিব
সবাকো একে ঠাই পাই ॥

উজনীৰ মুখে ডিঙৰা পাতিলে,
জনকো নেযাব সাৰি।
যি জনাই চিনিব গুৰুকৈ ভকতক
যাব ডিঙৰাকে ফালি॥

উজনীৰ মুখে নাও ভৰা দিলে
থাকিল ভাটি মুখে চৈ,
ভুনীৰ সান্দহক ভুনীত নললা
যাবা সুদা হাতে হৈ।

সাগৰৰ মুখত ডিঙৰা বাই আছে,
আছে ভাটি মুখে চাই।
চিৰ্কুলৰ হাতত অমন পমন
মুকুতা লবা বেহাই।

হাতলৈ গৈছিলা বেহানি বেহালা
কলহী কৰিলা শুনা। (?)
মৰণৰ সময়ত কি নাম লৈ মৰিবা
তললৈ মূৰকৈ শুনা॥

সাগৰৰ মাজতে পদুম ফুল ফুলিছে,
জোৱাৰতে মৰি যায়।
শৰীলৰ ভিতৰত কিনো ফুল ফুলিছে
চিনিলে মুকুতি পায়॥

আবে হায়াতৰ উঠালু (?) ধৰিছে
মাৱৰ গৰভত বাখে।
সাগৰৰ মাজতে কঠিয়া পাৰিছে,
ব্ৰহ্মাণ্ডৰ ভিতৰত গজে।

মাৱৰ গৰভত লাখোটি চালাম,
ছুনী পাই এবেলিও নাই।
ইঞ্জিলৰ যুগতে হাঁহিতে খেলিতে
আছিলা মাৱৰ তন্ খাই।

হায়াতো চাপিব মৰতে ঠেকিব,
মাছলৈ চুপিব বগ।
বৃদ্ধ কালতে বিচাৰি নোপোৱা
আকলে নিদিয়ে লগ ॥
আটা ফকিৰ নহয়, বোপা ফকিৰ নহয়,
নহওঁ ফকিৰৰ বাছা।
আল্লাই দি গ'ল এমুৱা কাচ ফুল
দিলে মুৰচিদে আচা (?)
বগৰি খুলি বন্তী জলালে
তাতো ঢালি দিলে ঘিউ।
চাৰিও পীড়লৈ এই চ'ডা (চিস্ন্‌দা) কৰি
যোগায় আল্লাৰ পাৰত জীউ ॥
বগৰি লাগিলে লয়নে লয়নে,
মাণিক লাগি গলে ঠোকে।
আজান ফকিৰে এই জিকিৰ বনালে
গাই বেঢ়ি ভকত লোকে ॥
কাষৰি নেষাবা বাগৰি পাৰিবা,
আচল দৰিয়াৰ কোল।
জনো এৰিলো ধনো এৰিলো
মোল্লা হাতত ধৰি তোল ॥

ঘোষা—চোতাল আল্লা, চোতাল আল্লা।

গোৰ আজাবৰ বাতৰি শুনোতে
কুটাও নেদেখ যেন।
গোৰ আজাবৰ বাতৰি শুনোতে
তাকৰে কাটিলে কেন ॥

গোৰ আজাবৰ বাতৰি শুনিয়ে
আগলৈ নচলে ভৰি।
বাটত বৈ আছে মৰণৰ টেকেলা
নিব কালে চুব কৰি॥
তোকে কাল চোৰে হৰি লৈ যাব,
থব দোজখত বান্ধি।
চকুৰ পানীৰে সাগৰ সমান
তাত থাক পৰি কান্দি॥
হওক হওক নূৰৰ গায়ৰ
চাৰিও পৱনৰ খেলা,
তলৈ মুৰ কৰি চোৱা মন কৰি
সবাৰ ঘাটে ঘাটে আল্লা।
আল্লাৰ কোৰাণত কণুৱা বনাইছে,
মাড়লিত বিন্ধিলে ঘূণে।
তলৰ মচকৰা ঘুৰাব লাগিছে
জানিবি বৰ্‌হমৰ গুণে॥
পীড়ে দেখা দিলে চউদিশ পোহৰ
আৰু দেখা দিলে কৰাল।
আল্লাত প্ৰাৰ্থনা কৈ ভিখাৰী আজানে
নামৰো পাত্তিলে ভড়াল॥
ইলিমো পঢ়িলো, কালামো পঢ়িলো,
সৰকি সৰকি যায়॥
যাৰে নবীৰত যি লেখা লেখিছে,
মুছুজিলে এৰণ নাই।
এৰিও নিদিবা খেদিও নেপাবা
যেনে ৰাজপথৰ আলি॥
কোৰাণ কিতাপত হক নিৰিচাৰি
পাব আজানক গালি।

গালি পাবোতে গুণাহ সিজ্জিব
তললৈ মূৰকৈ চা।
আল্লাৰ বন্দেগী নকৰ মোমিন
আপুনি দোজখে যা॥
হাতে মধুকৰ জৰি ঘন চামৰ
ফুৰে ঘৰে ঘৰে চান্দি।
যেতিয়া পাবহি হাৱা বিমুখীয়া
নিব হাতে গলে বান্ধি॥
হাততো বান্ধিব, পাৱতো বান্ধিব
কঁকালত বান্ধিব আটি।
ধৰে থাকে পৰি, জীৱক নিয়ে ধৰি,
ধৰেনো কি কৰে আটি॥

ঘোষা—আল্লা হু, আল্লা হু।

ঘৰ ঘৰ, ঘৰ বাৰী থাকিব পৰিয়া।
আহিব খোদাৰ হুকুম লৈ যাব ধৰিয়া॥
বৰ বৰ বতাহ আহি উখালিব মূলা।
বান্দাৰ জীৱক উৰুৱাই নিব শিমলুৰে তুলা॥
নেকান্দিবা মাও বাপ হুধুনিবা হিয়া।
তোমাৰ আমাৰ হিচাব হব যোজ কিয়ামতৰ দিনা॥
নেকান্দিবা মাও বাপ গুটুকিবা লো।
দিনটাচেৰেক থাকিম আমি, নহও তোমাৰ পো॥
দিনটাচেৰেক জীৱন পাই বান্দা মৰণ দেখ দূৰ।
ধৰি বান্ধি লৈয়া যাব নগাৰে ফুকুৰ॥

দিনটাচেৰেক ৰঙে চঙে ফুলিলে মদাৰ।
আহিব খোদাৰ হুকুম ভাঙিব বজাৰ॥
যিটো বান্দাই জানি শুনি ধনৰ বাঢ়ি খায়।
তাহাৰ মুখৰ গোঞ্চে ৰহন নেযায়॥
জানি শুনি যিটো বান্দা কুকুৰা যুঞ্জায়।
আপোনাৰ মাংস কাটি আপুনি ভুঞ্জায়।
আগলতি পাত পাৰি পূজে নানা দেৱ॥
দোজখত পৰিব বান্দা সুতুলিব কেও॥
দোজখৰ মাজে আছে সৰ্প অজগৰ।
তাহাৰ খোৰাক হব যত গুণাহগাৰ॥
দোজখৰে পোক পলু বান্দাক বেঢ়ি খায়।
সেইটো বান্দাৰ আটাহতে গগনে উধায়॥
যিটো লোকৰ আগে দুটা বৰ পোক।
চকু দুটা কাঢ়ি নিব অগণিৰে ঢোপ॥
খাকৰ ঘৰ বাৰী (আ) জানে দিলে মেঙ্গি।
ফকিৰে নেপালে বতাহ হ'ল গুণাহগাৰী॥
গুৰি কটা বৃক্ষ যেন গিৰিসাই পৰা।
দেখা শুনাত ভাল মানুহ, বচনত লৰা॥
গুৰ মাটি, খোৰ মাটি সিও আছে জীৱ।
দিনটাচেৰেক জীৱন পাই কাঢ়ে ঘূৰে ভৰি॥
আন্ধাৰি গোৰৰ মাজে নজলিব বাটি।
জোৰা জোৰে সুলকিব শৰীলৰে গাঁথি॥
দিনটাচেৰেক জীৱন পাই মুক্তি এক তিল।
বৰ বৰ বতাহে পাই বগৰাব শিল॥
ভাল ভাল মানুহৰ বচন খিনি লয়।
কাক বুলিম গুৰু মই কোনে বোলে হয়॥
অলপ পানীৰ মাছ অলপতে মৰে।
গুৰি কটা বৃক্ষ যেন ছকসাই পৰে॥

আ'ৰ দেখি খেলা কৰে হোৰা দেখি নাচে।
বুজাই দিয়া মুৰ্চিদ গুৰু আ'ৰ ক'ত আছে॥
বুজাই দিলে মুৰ্চিদ গুৰু চাৰিৰ চাবি খুটি।
শিকাই দিলে, মুবুজিলো, হায়াত গল টুটি॥
ধন জন পুত্ৰ ভাৰ্য্যা আপদীয়া মন।
মোৰ মন আল্লাৰ পাৰত, নেপালো ধনজন॥

নামৰে ডাঙৰ চাৰিটি কলিমা
চৌজৰে ডাঙৰ ভাত।
ভাকে নেখালে আমক নবহে
নোলায় শৰীলৰ মাত॥

আকাশত ফুলিলে আকাশী চন্দ্ৰমা
তাত পৰে সোণৰ ভোমোৰা।
আপোনাৰ শৰীলক আপুনি নিচিনে
জীয়াতে হৈ আছে মৰা॥

বনি আদমে এই আলি বন্ধালে
দীঘলী এখনি থল।
হাৱা ও আদমে পুখুৰী খনালে
সৰিয়হ নগলে তল॥

এই ভাবভাৱে কেলেই আহিলো
সকতে নগলো মৰি।
গোৰ আজাবৰ বাতৰি শুনিলে
আগলৈ নচলে ভৰি॥

কি কাম কৰিলো, কি বুধি কৰিলো
বাৰীত ভাষে কলা কই।
আগেয়ে নেজানো এতিয়া জানিলো
শৰীলত একুৱা ছুই॥

সকয়ে এ পেৰা গৰু ৰাখিছিলো
মাথাৰো পকালো চুলি ।
আজি দিনে ৰাতি বুজিকে নেপালো
নামেইহে সাৰ বস্তু বুলি ॥
এইনো বৰে ঘৰ কেলেই সঁজালা
কেলেই সাচিলা ধন ।
জপাৰ বৰে কাপোৰ জপাতে পচিব
হাড়তো গজিব বন ॥
বৰে ঘৰ ভাগিলে সাজিম ভালে কৰি
আগতকৈ শুৱনী কৰি ।
দেহা বুঢ়া হলে ৰাখিম কেনে কৰি
যাব নিজ ঘৰে চলি ॥
ঘৰো ভাগিব মাড়লি হালিব
চতিত ধৰিব ঘুণে ।
মৰতৰ টেকেলাই ধৰি লৈ যাব
জামিন দৈহে ৰাখিব কোণে ॥
ঘৰো ভাগিব মাৰলি হালিব
বাটিবৰ নহব পৰ ।
দীঘলে হুমাৰি পথালি এমাৰি
লবা ৰাৰীচুকত ঘৰ ॥
হৃদয়ৰ ভিতৰত দমে বাটি কৰে
দুৱাৰত অগনি জলে ।
দুৱাৰো নেমেলে সিঙ্কিও নিদিয়ে
কি কি লৈ গ'ল চোৰে ॥
সজা কাটি কৰি মইনাক গৈ গ'লে
আলহী ঘৰতে পাই ।
যি জনা বাটেয়ে সজাক সৰজিলে
থৈছে সেই জনাই ৰাখি ॥

আইক বুলি যাওঁ ভৰ যমুনা,
বোপাইক বুলি যাওঁ গঙ্গা।
কিনো মায়াজালত পৰিলা ভকত ঐ
ছুনী পাই পাহৰি গ'লা॥
কালে সাঁচিলা জপাৰ ঘৰে কাপোৰ
কালৈ সাঁচিলা ধন।
জপাৰ ঘৰ কাপোৰ জপাতে পচিব
হাড়তো গজিব বন॥
ধনে ধনে কৰি ধনকে ঘটিলা
পৰমে যতনে কৰি।
ধনো থাকিল পৰি দেহা গল চলি
লগত গ'ল চপৰা ডলি॥
উজনী মুখীয়া ডিঙৰা পাতিলা
পিপৰা নগলে সাৰি।
যি জনাই নিচিনে গুৰুকৈ ভকতক
থাকিব ডিঙৰাত লাগি॥
উজনী মুখীয়া ডিঙৰা পাতিলা
পিপৰা নগলে সাৰি।
কথাৰে শকত যিজনা ভকত
যাবগৈ ডিঙৰা ফালি॥
আপুনি নেযাব লক্ষাই লৈ যাব
পীড়ৰে বন্দী কৰি।
সজা কাটি কৰি মইমাক লৈ যাব
আলহী ঘৰতে পাই॥
মাছে ধৰিবৰে অনেকটি যতন
দীঘলী কাটিবৰ লোৰ।
জীৱক ধৰিবলৈ অনেকটি যতন-
পাতে চাৰি জালি জোল॥

নূৰে মোহাম্মদী আল্লাৰ পয়দা
নূৰৰে পয়দা হয়।
আদম চফিউল্লা সবাৰো ইমাম
আল্লাৰ পয়দা কয়॥
হকে হালালক বাচি খাই যাবা
বদীকো কৰিবা দূৰ।
আপোনাৰ চৰমক আপুনি বচাবা
আল্লাই বুলিব মোৰ॥

ঘোষা—মোমিন হে দোস্তি ৰাখা
আল্লাহে পৰম ধন।
অ' এ' ভাইৰে নামহে পৰম ধন।

মোমিনে মোমিনে দোস্তি কৰিলে
পাৰৰ মচি গলে ধুলি।
কাৰে দোস্তি কৰিলা মনাই ঐ
অকলে মৰিবা কান্দি॥
বেহাজল কোৰাণ তামামৰ ইমাম
মোমিন ভালে কৰি চিন।
বেহাজল কোৰাণক ইমাম মানি লৈ
ভজা মোহাম্মদী দীন॥
বেহাজল কোৰাণ তামামৰ ইমান
আছে কলিমাকে লৈ।
কোনে দেখাই দিব কোনে চিনাই দিব
কোনে দিব বাতৰি কৈ॥

বেহাজল কোৰাণ তামামৰ ইমাম
আছে দৰিয়াৰ মাজে।
ভাৰতৰ জীউৱে হাত জোৰে কৰি
কোৰাণ বেহাজালত থাটে।
নাৰত উঠিয়ে ডাপনি মাৰিলে
বেজীৰ জলা হেন বাট।
সঁচা মুৰছিদক শিৰত তুলি লৈ
সৰকি যাবাগৈ তাত॥
নাচুতৰ মোকামে গৈ আল্লাৰ নূৰ আছে বৈ
দিলৰ মাজে এই দৰিয়া বয়।
তামাম আলমৰ মাজে গুৰু আল্লা বেগৰহাল
জ্ঞান ভেদি এই কথা কয়॥
ফোৰ্‌কাণ যুগত লোকে চালামকৈ জ্ঞান সোধে
কৈ যোৱা নিজ নামৰ গুৰি।
ওস্তাদক আগত লৈ মুৰ্চিদক সোধা গৈ
আল্লা আছে এই জগত জুৰি॥
আৱাজ শুনিব যি নিজ কথা পাব সি
হকৰ বাঁশী চিজ্‌দা ধৰ।
দিলত বিচাৰ কৰি চাহেবক সোধা গৈ
আন্ধাৰত হৈ আছে পোহৰ॥
আন্ধাৰ ঘৰে প্ৰদীপ জ্বলে একিনকৈ মুৰ্ছিদে ধৰে
বহি শুনে অময়াৰ বয়ান।
আল্লাহু হু নাম লৈ আল্লা আছে আনন্দ কৈ
জ্বলি আছে বান্দাৰ নয়ান॥
নয়নৰ কাজল নূৰ জ্বলি আছে ভৰপুৰ
বান্দাই নেচাও মনত কৰি।
হেলাতে হেৰাব জীৱক ধৰি নিব
ভেলাটি থাকিব পৰি॥

অময়াৰ পুৰ পাই দীৰ্ঘে দিয়ে মন্নুৰাই
চজুদ হোৱা আল্লাৰ পাৰত শিৰ।
তন্‌মন্ একিন কৈ আল্লাক ভাৰষা কৈ
তানি আছো নিজ গুৰু পীড়॥
পীড়ৰ আৱাজক শিৰত তুলি লৈ
কৰিম ৰহিমকে জান।
সৎগুৰুক চালাম কৈ পীড়ক সোধাগৈ
বুজি লোৱা তানৰে মান॥
গুৰু ৰহিল ধ্যানত বুজি আছে জ্ঞানত
হু নাম মুৰ্ছিদৰ বাণী।
ধৰিলেহে তৰিবা এৰিলেই মৰিবা
বিষম দৰিয়াৰ পানী॥
বিষম দৰিয়াৰ আৱাজক শুনি
যিটে দিলে মনে জানে।
সঙ্কেততে আছে বিচাৰি নোপোৱা
বন্দেগী নকৰা মানে।
নয়নৰ কাজল নুৰ জলি আছে ভৰপুৰ
তেওঁ বান্দা নেচাওঁ মনত কৰি।
বান্দাৰ বন্দেগী আল্লাৰ হক নাম
বুজি আছে আমোলৰ গুৰি।
জেউতি ৰৌছনাই ওঠৰ চোৰহান
বৰ কুল মধ্যে ভাই।
হকত থাকিবা লবা আল্লাৰ নাম
যি কৰে তহ্‌কিক খোদাই॥
অভয় সাগৰৰ নিৰ্জয় কাণ্ডাৰী
স্নুবৰ্ণৰ বৈঠা বায়।
পীড়ক মানিবা মুৰ্চিদক মানিবা
আচানে নিব তৰাই॥

ঘোষা—মজিলা ৰে মন ভজিলা ৰে মন।
মুহাৰ ছালাত।
আল্লাব কৰিব বান্দাক মৰতৰ বেলাত।

আচমানৰে কুতুব তৰা আদমৰে জাত।
সজাত মইনা সোমাই ঘনে লগায় মাত॥
সজাৰ মইনাটিৰ অনেক যুগুতি।
জাপ মাৰি পাৰ হ'ল এৰিলে পীৰিতি॥
খেনো মৰে খেনো তৰে বিষম মায়াৰ ফান্দে।
আল্লাৰ নামে দিদাৰ দিলে পূৰ্ণিমাৰে চান্দে॥
কোৰাণ কিতাপ পঢ়ি বান্দা হৈলে ভাৰী।
কোনোমতে যাব জীউ দুনীৰ হাত সাৰি॥
শিশু কালত নিলে জীউ দৰদে কপায়।
গাঁঠিৰ মানিক যেন হাততে হেৰায়॥
যৌৱন কালত নিলে জীউ কান্দে বেঢ়ি বেঢ়ি।
পাটিৰ ভাৰ্য্যাই কান্দে স্বামী গৈলা এৰি॥
বৃদ্ধ কালত নিলে জীউ যাব লাগে বাৰ (?)
আওৱল কলিমা পঢ়ি সুজে আল্লাৰ ধাৰ॥
কত পাইল ধন জন কত পাইল ভাই।
বিৰিখৰে লতা যেন আছিল মেৰাই॥
লাভে মূলে বাঢ়ে মুঠে পাতি আছে জেঙা।
বৰষুণৰ পানী যেন টানি মৰে হেঙা॥
সুবৰ্ণৰে কাঠি আমি মাণিকৰে কৰা।
তাতে বহি ভোজন কৰে শগুণি বগুৰা॥
ভৱ নদী পাৰ হৈ জীৱই আছে চাই।
চোৱা চোৱা বন্ধুসকল জেলৰে বিলাই॥
আজান মৰিয়ে কয় মৰণকে পাই।
জীউ থাকোতে কৰা যেনি যি কৰে খোদাই॥

শ্বদ চি কলিমা নবীলৈকে নামিল।
মোমিনে পঢ়িব লাগে এই ফৰজ কামিল॥
চাৰি ইমামৰ চাৰি মজহব, হানিফাৰ মজ্‌হবক জান।
মোস্তফা নবীৰ চাৰি কুৰ্ছি, জানিবা মুছলমান॥
অজুৰ চাৰি, গোচলৰ তিনি, তয়ম্মমৰ তিনিটি লোৱা।
ছয়ে সাতে চিকত হমান পঞ্চৰক্তৰ পঞ্চ নিয়ত,
সোতৰ ৰাকাত নামাজ ফৰজ।
মোমিনে আদায় কৰিব লাগে, খোদাৰ আছে ফৰজ॥
ৰোজা হয় ত্ৰিশ, ত্ৰিশ নহয় উনত্ৰিশ।
আগে নিয়ত বান্ধি আল্লাৰ হ'বা হিত॥
তন্ কৰা পাক, জামা কৰা পাক।
কিবলা মুখে ৰক্ত চিনি নামাজ পঢ়িবা,
চতৰ আওৰতক ঢাক॥
পাক ঠাইত নিয়ত তহ্‌ৰিমা বান্ধিবা,
আল্লাৰ হবা হিত।
মনত নেৰাখিবা কিনা কপট,
তফ্‌চিৰকো পঢ়া, কেয়ামকো ধৰা পোনাই।
কাবাত দোৰোস্ত পঢ়ি নেকি লবা বেহাই॥
ৰুকু, চজুদ, কায়েদা, আখেৰি চালাম।
কৌমা, জলচা, কিবলা চিনিবা পঢ়িবা ভচবিহ কালাম॥
চুৰা আহ্‌কাম, চুৰা আৰকান, পাঁচ মোমিনৰ গুৰি।
পঞ্চ ৰক্ত, পঞ্চ নিয়ত চ'ৰালি সংসাৰ জুৰি॥
মাহে ৰমজানৰ চৌ ৰোজা, চৌ নিয়তক ধৰ॥
সোতৰ ৰাকাত ফৰজ নামাজ ৰাত্তিক দিনে কৰি পঢ়।
হজৰত নবীলৈ নামিল মচলাৰ কিতাব।
ৰহমতোল লিল্ আলামিন্ তেওঁৰ হল খিতাব॥
নবীৰ পৰা হল ফৰজ চুন্নত।
ফৰজ চুন্নত নেজানিলে নহয় নবীৰ উম্মত॥

চৰিয়তৰ কথা লৈ বহুত দুখে থাবা, তেবেসে মুছলমান।
হালাল হাৰামক বিচাৰত লবা তেবেসে মুছলমান॥
মাক বাপুকীৰ হুকুমত চলিবা, ওস্তাদৰ হুকুমক ধন।
দিলৰ বাদ্ছাৰ হুকুমত চলিবা, খোদালৈ কৰিবা ডৰ॥
হাঁচিৰ জুৱাবক দিবা মোমিন ঐ, বেমাৰীৰ ঘৰলৈ যাবা।
জানাজাৰ নামাজত হাজিৰ হবা, ফৰজ কেফায়তক পাবা॥
এঘাৰ'শ ছকুৰি নবীচন হিজিৰি, আকৌ পাঁচ বছৰ যায়।
আজান চাহেবে এই জিৰিকি কৰিলে, কোৰাণ বেহাজলত পাই॥
নবীৰ পৰা হল ফৰজ চুন্নত।
ফৰজ চুন্নত নেজানিলে নহয় তেওঁৰ উম্মত॥
তলবোল ইলমে ফৰিজতোন, ফৰজকো নকৰে কাণ।
হাল চাবলৈও শকত, পহৰা দিবলৈও শিয়ান॥
আলা কুল্লে মুছলেমিন আও মুছলিমাত।
মোমিন মোমিননী হ'ল ফৰজৰ ভাৰী।
খোদাৰ ধাৰক নিদি, ধকুৱাক ফুৰে বিচাৰি॥
দুনীয়াৰ কামত লাগি কামকো নগণে।
ইজিম কালামকো নপঢ়ে।
পঢ়ুৱাই পঢ়িলেও নুশুনে॥
মোমিনে পঢ়ে, মোনাফিকে শুনে,
শুনিব নোৱাৰি হাঁহে আৰু কাহে॥
ৰোজা ধৰে দেখুৱাই, গুনাহ কৰে লুকুৱাই,
পুণ্যৰ শত্রু, পাপৰ ভাগী
সাধুকথা শুনি আজানক কৰে টং।
নামাজলৈকো হেলা, নাচিবলৈকো বং॥
মৰ্চিয়া গীতক শুনি বান্দা জাগে চৌপৰ ৰাতি।
খোদা মোহম্মদৰ কথা শুনিলে, গালক কৰে কাটি॥
খান্দাই বন্দেগী নকৰে, পালিব বোলায় ওজা।
কাবালৈও নোদৌৱাই মুৰ, মুৰ হল মুৰৰ বোজা॥

কালামকো নপঢ়ে, চিজ্‌দাকো নকৰে,
নজৰ নজৰ নহয় তাৰ ম'ৰা পাখীৰ চকৰ ॥
জিকিৰ ফিকিৰ নাই, উশাহ আছে টানি ।
কমাৰৰ হাতিনা ভাল, লোহাক কৰে পানী ॥
নামাজক কৰে নিন্দা, ছৰিয়তক কৰে বিতন্দা ।
ৰছুলৰ নহয় উম্মত, খোদাৰ নহয় বান্দা ॥
আজানৰ মাত শুনি, শিঙ্গাৰ দিয়ে পটন্তৰ ।
তচ বিহুকো বোলে চানৰ ( ? ) মন্তৰ ॥
আও কা আল্লাহু তচ্‌বিহুতন্‌, নেপাব বিচাৰি ।
বুকু বাহু চপৰিয়াই, জিকিৰক লগায় শাৰী ॥
দৰ্‌বেছী কালামকো পঢ়ি মাৰিফতিকো কৰে ঠিক ।
ৰহ্‌দহু লা ছৰিক পঢ়ি আপুনি কৰে ছৰিক ॥
পাও পাক, পাক জাতৰ ঘাই ।
লেইচা কমিচ্‌লিহি, তাত আছে সোমাই ॥
আলচতু বেৰব্বেকুম্‌ শুনি কালুবালাৰ হল নাদা ।
তেতিয়াই ভাগিল ছিৰ্‌কতৰ পৰ্দ্দা ।
মোহম্মদ মোস্তফা খোদাৰ দোস্তত লাগি ।
ৰহ্‌দহু লা ছৰিকা পঢ়ি জন্নতৰ হল ভাগী ॥
খোদা এক খালেক, মোহম্মদ আফ্‌জলোল মখ্‌লুকাত ।
ৰহ্‌দহু ৰছুলহু লগে বেছালতৰ বেৰাত ॥
পাক পঞ্জতন এক তনত ৰয় ।
কেও নহয় কাৰো ভাগী, ভিনে ভিনে ৰয় ॥
কাণেও নেদেখে, মুখেও নেপায় তাপ ।
চকুৱেও নেমাতে, নাকেও নেখায় ভাত ॥
এটিও নহয় এটিৰ ভাগী ।
বান্দা কল ধৰি আছে, ঠিকে ঠিকে লাগি ॥
বান্দা নাম লৈ বন্দেগীত লাগ ।
দুনীয়াত থাকি দীনৰ পাবা ভাগ ॥

এক মন এক তন হৈ মোহম্মদীৰ বাটে যাবা।
মোহম্মদীৰ বাটে গলে আল্লাক লগ পাবা॥
অইন বাটে যাব লাগিলে বাটকো নোপোৱা।
ইবলিছে হাতত ধৰি সুধিব কলৈ যোৱা॥
মই তোৰ ওজা তই মোৰ পালি।
এই পিনে গলে পাবি পোন আলি॥
ময় মহদিয়ল্লাহু হেদায়তৰ বাট।
যাক দেখুৱায় তেওঁ নেহেকৰায় বাট॥
ৱ ময় য়ুদলিলহু”—যি বাটকো দেখে আওবাট,
মুন্দায়িয়ে কয় আদম খোদাৰ জাত॥
মোত্তকিয়ে বাধ্য কৰে, কাণেও শুশুনে।
নেকিৰ যাব ঢল।
কলিমা চাহাদত পঢ়িব নোৱাৰি।
কুফৰ যাব তল॥
জন্নত হব হাৰাম, দোজখৰ হব আহাৰ।
ফকদ্‌ৰ হৰমল্লাহু আলেইহিম, জন্নতুল মাৱাহুম্মাৰ॥
মলায়েকে পঢ়ে আচ্‌মানত চালাত।
চিজদা কৰি মুনাজাত লয় তুলি হাত॥
কোটি কোটি মলায়েকে মাতে হে আদম।
থটি নকৰিবা চৌম চালাতৰ কাম॥
নূৰে নামাজৰ কৰিলে পোহৰ।
যত ৰাতি দিন নাই, নাই সূৰুয চন্দৰ॥
পোনাই পৰিলে ( পঢ়িলে ) নহয় আন্ধাৰ।
নূৰত আছিলে নামাজৰ বিচাৰ॥
সাত হেজাৰ বছৰ কালুবালাত কৰে আগ।
নূৰে পালে নামাজৰ ভাগ॥
নূৰে নামাজত কৰিলে আল্লাত চালাম।
সেই চালামৰ নাম হ’ল ‘ছৱাব’ কালাম॥

নবীৰ নূৰক আওৰলে পাতিলে দানা।
কালুবালা নৌ কৰেঁাতেই ( কওঁতেই )
কৰিলে চিনা জনা॥

আয়ওল মা খলকল্লাহু লিনুৰীহি—
জোল্‌মাতক পেলালে পুৰি।
নূৰৰ পৰা হ'ল পোহৰ ছৰাক ধৰিলে তুলি॥

নূৰৰ পৰা বাজ হ'ল জগত আৰু জপ।
কুৰ্শিৰ বাঢ়িল জখলা, আৰছৰ বাঢ়িল টুপ॥

আলাহু বিৰবেৰকুম—কালুবালাৰ নূৰ।
সেই নূৰে হ'ল মোহম্মদৰ জহুৰ॥

আহমদ নূৰ, মোহম্মদ জহুৰৰ ঘাই।
মোহম্মদৰ তনত তা'আত আছিল বেহাই॥

তা'আতক কেতিয়াও নকৰিবা খতি।
খতি কৰিলে নৰকত হ্‌ব গতি॥

নৰকত কেনে ন' ন' হতীয়া পোক।
নোমে প্ৰতি ধৰিব যেনে তেজপীয়া জোক॥

সৰবজান হৈ মৰা জীয়া কয়।
দোজখক নডৰায়, কিয়ামতক নকৰে ভয়॥

'য়ওমা য়কুমুন্নাচু'—কিয়ামতৰ দিনা
মানুহৰ নহব সুখ শান্তি।
'বিমা কাহু য়ক্‌চিবুন'—তনে নাচিব ;
যেনে শোৱা ঢাৰি-পাটি॥

'ৱতকুনুল জিবালু'—বৰ বৰ পৰ্ব্বতক
বতাহে নিব উৰাই।
'কল্‌ এহ্‌ নিল্‌ মন্‌কুচ'—তুলাৰ আঁহ যেন
কৰি দুৰাব উৰাই॥

'ইজহ্-চম্‌চু-কুৱৰেৰত্'—সুৰুয হব কলীয়া।
'ৱউমা ৱফিকল মৰ্উ মিন্ আখিহে'—
ভায়েকে এৰিব ককাই।
'উন্মিহি ৱ আবিহি'—বাপেক মাক যাব
ফৰজন্দ এৰি পলাই॥
'ৱ খহিবতিহি ৱ বনিহি'—স্বামীয়ে এৰিব তিৰি,
আৰু মাকে এৰিব ল'ৰা।
কেও নহব কাৰো গা, সকলো নিজ মৰা॥
'ইজা জুল জিলতিল আৰদ্বু জিল্‌জালাহা'—
মাটিক লৰাব ভূমিছাল।
'ৱ আখ ৰজতিল আৰ্দ্বু আচ্‌কালাহা'—
ভূমি ফাটি ওলাব ভৰি ভৰি মাল (?)
'তল্ অতিছ চম্‌চু মিন্ মগ্‌ৰিবেহা'—
সুৰুযে পাতিব পছিমত ঠাই।
'কুতুইজিন্তিছলে লিল কুতুব'—জমীন আস্মানক
নৰা যেন থৰ ঘুৰিয়াই।
ৰাতি হব কাজলতকৈ আন্ধাৰ।
দোজখৰ সাকো হব লাগিব পাৰ॥
সাকোৰ নেপাব জোখা, চকুত লাগিব ঢোকা।
চুলিতকৈও সৰু সাকো, খুৰতকৈও চোকা॥
পোন্ধৰ শ বছৰৰ সাকো হব দীঘল।
মোমিন হব পাৰ, মোনাফিক যাব তল॥
মোমিনৰ ভাৰত সাকোত দিলে ভৰি।
ঘুমাই চেচা হব দোজখৰ খৰি॥
দোজখে কৰিব স্তুতি, মোমিন হোৱা পাৰ।
তোমাৰ নূৰৰ তাপে আমাৰ হুমাল নাৰ॥
সাকোত দিলে ভৰি মোমিনৰ নাই হানি।
নূৰৰ তাপে নাৰক কৰিব পানী॥

কতবা হব জগৰীয়া, কতবা হব বাদী।
তেসত্তৰ গোৰোহত এটি থব নাকি
প্ৰথমতে হব নামাজৰ বিচাৰ।
পাচত হব কাৰ কি আছে উধাৰ।
কেৰামন কাতেবিনে আমল নামাক চাই।
মোমিন-মোনফিকৰ হাতে হাতে দিব সুমাই।

কিয়ামতৰ দিনা খলকোল্লাহ আহিব চোথাম ( চোথম )
য়উমা য়দউ কুল্লু উনাচিম মছ্ ৰবহুম্—
কুল্লু কৌমিন কুম্নু মিছ্লা ইমান।
মুৰিদে কব কৰিলো এবাদত,
পীড়ে কব বতালো এবাদত।
আমৰ-নেহিৰ ভড়াল নভৰালে কিত্তাবত॥

জুদা জুদা কৰি তামামক থব গোটাই।
মোত্তকি মোদ্দয়ীয়ে আপোনাৰ ইমামক দিব দেখুৱাই॥

সঁচা মিছাৰ ভাগিব কুট।
মোত্তকি এৰাব, মোদ্দয়ীৰ শুকাব ওঁঠ।
ফময় য়ুত্তিই কিত্তাবহু বে য়মীনিহি।
মোমিনে পঢ়িব সোহাতে নামা।
মোদ্দয়ী পঢ়িব লাগিলে চকুত লাগিব কণা॥

য়মন কানা ফি হাজীহি আমা—
আমৰ নেহি নেজানিলে দুনিয়াতে কণা।
ফহুৱা ফিল্ আখিৰত্তি আমা
কিয়ামতৰ দিনা নামা পঢ়িব নোৱাৰি
চকুত লাগিব আন্ধা॥

কিয়ামতৰ দিনা মোদ্দয়ীৰ হবিব মাত।
নামা পঢ়িব নোৱাৰি কতবা লাগিব সন্তাপ॥
আল্য়উমা নখ্তিমু আলা আফ্ৱাহিহিম্।

মুখত মাৰিব মোহৰ, মাত যাব হৰাই,
'য় তুকাল্লিমুনা আইদিহিম'—
হাতে পঢ়িব নামা, চকুৱে থাকিব চাই ॥
'য় তছ্ হৃদু আৰজুলুহুম' হাতে ভৰিয়ে দিব সাক্ষী।
বেমা য়কৃচিবুন—
যত জনে যি কাম কৰে ক'ব ভাগে ভাগে।
পাও যেন সাক্ষী, হাত যেন গুচৰীয়া,
মোনাফিকে কপালত মাৰিব।
খোদাৰ আগত তুহৰীয়া।
ফঁৰজ চুন্নতৰ ভাগীয়ে মোহম্মদক পাব বিচাৰি।
বহিবলৈ পাব বলী আউলিয়াৰ শাৰী ॥
বলি আউলীয়া সোমাব মোহম্মদৰ মিল্লতত।
নিচান ৰায়তৰ জমাল পাব মোহম্মদৰ মিল্লতত ॥
লেবায়ে মোহম্মদী ছৰিয়তৰ হব দানা।
পীড় পয়গম্বৰ সোমাই তাতে পাত্তিব থানা ॥
কচুলি বানা কোত (?) কোৰাণ কাকত।
আল্লাৰ হুকুমে পাত্তিব আৰছৰ চুকত ॥
এক লক্ষ চল্লিশ হেজাৰ পয়গম্বৰসকল।
আদমে সৈতে সোমাব সেই বানাৰ তল ॥
বায়তু কউলুহু—মোমিন যাব লগত।
হাতত ধৰিব শকত ॥
হাজাৰ হাজাৰ দৰুদ পঢ়িবা, আৰু খোদাৰ কালাম
আদমৰ পৰা খাতিম নবীলৈকে জনাবা চালাম।
এক হাজাৰ মেহনত কৰি উত্তৰা হল।
কুল খদ চি মচলাৰ কথা আৰবীৰ পৰা অসমীয়া হ'ল ॥
পঢ়িলে হব পুইন, জানিলে হব কুশল।
আমল কৰিলে পাবা বিহিস্তৰ মহল ॥

গড়গাওঁ নগৰ আহোম ৰজাৰ ৰাজ্যত।
আৰবীৰ পৰা ভৰজমা হ'ল অসমীয়া মাতত॥
ৰজা হওক চিৰ জীবি, প্ৰজাৰ হওক দখল।
শিল নোপঙে মানে, লাও নেযায় মানে তল॥
দহ শ কুৰি নবীচন হিজিৰি আকৌ বাৰে বছৰ যায়।
ছাহ মিলনে এই জিকিৰ কৰিলে হদীছু ফেকাহত চাই॥
আজিও বাৰে বয় বাৰি ( ভাবি ) লোৱা আদি মুল।
আকাশৰ পানী যেন কৰে সমান তুল॥
আকাশৰ পানী যেন পতাল জুৰি বয়।
পৰুৱা শঙ্খিনী নলে ধাথি বান্ধি থয়॥
সোমবাৰে বয় বাৰি চোনাল (?) শঙ্খিনী।
সোমাকানা (?) বাজন বাজে দেখিলে বিপৰীত॥
মঙ্গলবাৰে বয় বাৰি ছুৰিয়া মঙ্গল।
কেনাই আকুঁহি ধৰে মনাই পাগল॥
বুধবাৰে বয় বাৰি, বধে আপে আপ।
মনাই খেৱালী ধৰে বিৰল দিয়া চাত (?)
বৃহস্পতি বাৰে বয় বাৰি, বিৰল দিয়া বাগিণী।
শুকৰ মুখত দিয়া চাহেব চকলা শঙ্খিনী॥
শুকুৰ বাৰে বয় বাৰি শুকৰ পোনে জান।
গঙ্গা যমুনা চাতি ধৰিছে উজান॥
শনিবাৰে বয় বাৰি সজল মাহৰ তিথি।
পূবে জালে ভানু কৰ, পছিমে জলে বাতি॥
কেৱল নামে কেৱল নাম, কেৱল নামে সাৰ।
দুই চকু মুদিলে বান্ধাৰ দিনতে আন্ধাৰ॥
কেৱল নামে কেৱল নাম কেৱল নামে বতি।
ৰাতি দিনে লোৱা নাম নকৰিবা খতি॥

ঘোষা— আল্লা বোল মুখে, নবী বোল মুখে।
এই দম হায়াত যায় বান্দা, মুখে আক মুখে॥

জমীন মুকলি হ'ল আল্লা ঐ জমীন মুকলি হ'ল।
কতক ৰাখি থম আমাৰে জীৱনক দেহা ভাঙি মুকলি হ'ল।
তোমাক বুলি যাওঁ ভাই আজৰাইল
তুমি মোৰ আগতে ৰোৱা।
অতক আদমীৰ জীৱ লৈ গৈছা
তাহাৰ বাতৰি কোৱা॥
তাহাৰ বাতৰি কমে কেনে কৰি
কপালত মাৰিলে ফোট।
মুঠিৰে ভিতৰত কৰে ধুৰকৰ,
নেজানো কেনুৱা গোট॥
তোমাক বুলি যাওঁ ভাই আজৰাইল,
তুমি মোৰ আগত ৰোৱা।
ইপাৰৰ ছনীতে জীৱক এৰি দিলে
নেজানো কেনেকৈ যায়॥
জমীনত ভৰদি দেখো আচমানে
মধ্যত কৰিলে শূইন।
ন লাখ উপজিছে, ন লাখ মৰিছে,
বাতৰি লৈছে কোন॥
আহাৰ শাওণে বৰষে,
চ'তে ফাগুনে ব'দ।
চান্দে সুৰুযে দুজনা ঘূৰিছে,
তেওঁলোক জিৰাইছে ক'ত॥
ফাতিমা বিবি সাগৰত বুৰ দিলে
ফিৰিস্তা আছিলে চাই।

চান্দ সুৰুযক মেঘে বিয়া দিলে
মলয়া বতাহে পাই ॥
বাৰে যে মাহতে মৰে বাৰে বেলি
আছে কলপাতে (?) জনাই ।
আপুনি মৰি পৰক জীয়াইছে
জেউতি দিছে জনাই ॥

ঘোষা--আল্লা দীনৰ দয়াল,
আল্লা দানী দয়া তোমাৰে ।
কি লাগি ধন জন, বিষয় সম্পদ
কাক লাগি সাঁচিব লাগে ॥

সঙ্গৰ সঙ্গী বৈৰী নিতে নিতে হ'ব চুৰি
সংসাৰত পৰি ৰব ধান্দা ।
এইটো ধন-কড়ি সংসাৰত ৰব পৰি
গঙ্গে দিব ছিৰা ফটাকানি ।
যাৰ ধন কড়ি গায়ে গায়ে লৈব চিনি
সঙ্গে যাব নিজ নাম খানি ॥
নিৰ্মূলৰ বৃক্ষতে পখী হৈয়া নৰছিলে
তেনেহে আমাতে পটন্তৰ ।
আছে নাম দান পূইন, নাই নাম যাব শূইন
তাতে জ্ঞান কৰিব কৰজ ॥
এক, নামৰ বৃক্ষ ডালি দুই নামৰ চাৰি ঠাৰি
মেৱা লাগি হৈল ভৰপূৰ ।
পকা মেৱা যাব সৰি পটন্তৰ যেন জেনে দেখি
কাল মায়া এৰি হোৱা দূৰ ॥

আত্মা নামৰ বৃক্ষ ডালি তাতে চৰে হংস পখী
তাতে থাকি কাঢ়ে দীৰ্ঘ বাও।
গুৰু দিব অনুমতি, হেলাই হৈব তোমাৰ গতি
বৃক্ষ চাড়ি কৰিব উধাও॥
সাগৰত পৰি পখী জাকে জাকে মৎস্য দেখি
ছাড়িব নোৱাৰে লোভ মায়া।
ওপৰত হংস পখী তাকে ভাবি আছে দেখি
থাপমাৰি লৈয়া যাব কায়া॥
শ্ৰীকুলৰ হাটে আইলো, বিভোল পৰিয়া ৰৈলো,
নেবেহাঙ্গো মানিকৰ পশাৰি।
শুনৰে পণ্ডিত ভাই ঘাটে ঘাটে খোদায়
হেলাই গৈল ইটো বন্ম (জন্ম) টুট॥
গুৰুৰ চঞ্চল চিত সেই লেখা নাযায় মিট,
যাৰ নচিবত যি মাৰে কলম।
তিলে তিলে দণ্ড যায় ক্ষণেকো বিলম্ব নাই,
পলকতে জীয়ৰ মৰণ॥
ছুনিয়া ফুলনী বাৰী পাশা খেলায় শাৰী শাৰী
ফুলৰ মাজে ফুল ৰৈল ধান্দা।
দীনৰ দয়াল স্বামী বহু পাপে পাপী আমি
হৃদয় মাজে কৰিবাহা দয়া॥
নামে নামে ভকতত হৃদয় মাঝে ৰৈছে তত
নামক নামে কৰে সেও।
গুৰুনাম বিদয়ত ধৰি মজন্থদিল গৈল মৰি
ব্ৰহ্ম নাম নমথিলে কেও।
মজ্‌নুদিল ফকিৰে গায় উৰি উৰি হংস যায়
ঘূৰি আছে নিৰঞ্জন পুৰি।
মাথোতে মাথোতে ননী ক্ষীৰ হৈল থনি থনি-
নামৰ মাজে ধান্দা কৈল চোৰা॥

ঘোষা— আল্লা, মুৰছিদ ৰবি ধন।
বোজ পন্থে ৰহিলে পায় এবাৰ দৰিশন ॥

আলিফৰ মাজে আলিফ, আল্লা
আলিফ, ৰবি ধন।
হৃদয় মাজে চাৰি মঞ্জিল
সবেও নিৰঞ্জন ॥
দৈ মিঠা, দুগ্ধ মিঠা,
আৰু মিঠা ননী।
সবাত কৰি অধিক মিঠা
মুৰ্চিদ মুখৰ বাণী ॥
ধিয়াওঁতে ধিয়াওঁতে আল্লা
ধিয়ান নেযায়।
মধু চুহি ভোমোৰাই
গহীনে উবায় ॥
ওঁঠৰ মোকামৰ মাজে
কোন কোন মোকাম জলে।
তেলো নাই, শলিতা নাই,
সদায় প্ৰদীপ জ্বলে ॥
ওঁঠৰ মোকামৰ মাজে
ওঁঠৰ কোঠালী,
থানে থিতে ৰহি আছে
পহৰীয়া পালী ॥
আমোলতকৈ তামোল মিঠা,
জবাৰ মিঠা মৰি।
দীনৰ মিঠা কোৰাণ কিতাপ,
দুনিয়াৰ মিঠা কড়ি ॥

ঘোষা—মন ভাবনাই বন্ধু,
ভাবিলে ভজিলে আল্লাক পায় ।
দিলৰ মাজে লোৱা নাম
মুৰ্চিদক ভৰাই ॥

আল্লাক ভাব, আল্লাক চিন্ত, আল্লাক কৰ সাৰ ।
দিলৰ মাজে খেলা কৰে, ই জগ্নে জ্বালাল ॥
তনৰ মাজে চাৰি মঞ্জিল, দিলৰ মাজে দম ।
হৃদয় মাজে খেলা কৰে আল্লা নিৰঞ্জন ॥
তনৰ মাজে চাৰি মঞ্জিল, ৰূহৰ মাজে বাণী ।
ভাবিয়া চিন্তিয়া লোৱা, আল্লাহু ৰব্বানি ॥
স্ত্রী, পুত্র, ভাৰ্য্যা, ধন, সবে মায়াৰ ধান্দা ।
বিনা সূত্রে বান্ধি থৈছে আল্লাৰে তামাচা ॥
দমৰ ওপৰ দুনিয়াই, দুনিয়াৰ ওপৰ ধান্দা ।
দিলৰ মাজে খেলা কৰে, আল্লাৰ তামাচা ॥
দীন দুনিয়া, স্রজিলা আল্লা, কৈলা ৰাতি-দিন ।
কেওঁকো কৰিলা গুণনিধি, কেওঁকো কৈলা হীন ॥
আল্লাৰ নামৰ ওপৰ, মোহম্মদ চাত্তাৰ ।
সেই নামে কৰিব ধান্দাক পুল্‌চেৰাতৰ পাৰ ॥
এক নামে বন্দেগী আলম আছে জুৰি ।
পূব পছিম দমৰ খেলা, জে'ৰ আলমৰ গুৰি ॥
মজঃহুদিল ফকিৰৰ খেৱা ( সেৱা ), শুন নিৰন্তৰ ।
পথৰ ভিখাৰী হৈয়া ভজিলো চৰণ ॥

নামে নদী-নলা, ব্রহ্ম নামে বৈছে জোৰা ।
আত্মা নামে বৈ আছে তত ।
অধোৱা পৃথুৰী খনি, তাত উঠে নামৰ ধ্বনি
তাৰ মাজে মাণিকৰ পুতলি ।

ব্ৰহ্ম নামে নামৰ গুৰি হৃদয় মাজে আছে জুৰি
ত্ৰিপানীতে খেলি আছে সদা ॥
ত্ৰিপানী অজুৰ ঘাট স্নানৰ মুকুতি, তাত
মুৰ্ চিদ্ মুখে লোৱা পৰিচয় ।
ব্ৰহ্ম নামে যিখন (?) থাকে লক্ষ নাম তাতে খাটে,
নাম পৰি খাটে যতো ততো ।
দিলত নাই পৰিচয় আত্মা নালা তাত বয়
ব্ৰহ্ম হৈয়া নামৰ নাপায় টুট (?)
নামে নামে ভকত হৃদয় মাজে বৈছে ত'ত
নামক নামে কৰে সেৱা ।
গুৰু নাম গলে ধৰি মজ্নুদিল গল মৰি
ব্ৰহ্ম নামক নমথিলে কেওঁ ।
নাম নাম দেহ জড়, ব্ৰহ্মনাম নৌকাখনি,
চাৰি নামে চাৰি পন্থৰ সাৰ ।
নিত্য নাম দিলে গুৰি বৈঠা যায় জুৰি জুৰি
গুৰু হৈল সেই নাৱৰ কাণ্ডাৰী ॥
নাম ৰতন ধন হেলাত নকৰ মন,
হাঁচি ( সাচি ? ) থৈলি নলগালি বাটি ।
শূন্যত পুখুৰী খানি তাতে ভৰা পূৰা পানী
নাম নলৈ মুহিল মহাপাপী ।
মজ্নুদিল ফকিৰে গায় শুনৰে পণ্ডিত ভাই
ব্ৰহ্ম নামৰ ইটোৱেতো সাৰ ॥
মৰণ সময় বেলা ব্ৰহ্ম নামে কৰে খেলা
হেলাই কৰে ভৱনদীৰ পাৰ ॥

**আল্লাহে খোদাৰ দোস্ত নবী,**
**গুনাহ কৰিছো বান্দা, বখ্ছাওঁতা তুমি।**

আদমক পয়দা কৰিলে মাটিৰ কল্বুদ কৰি।
মোহম্মদক পয়দা কৰি গায়বত থলে ৰাখি॥
আগলতি পাত পাৰি পূজে নানান দেউ।
দোজখত সেতু বান্ধি গগনে উধাও॥
গছৰ গুড়িত ইঁহ পাৰ, পুজা পাতল দিয়ে।
বাই ভনী বিচাৰ নাই, মানুহ বলি দিয়ে।
গুনাহত যেবে বান্দা উটি বুৰি যায়।
হেদায়ত কৰিবলৈ ৰছুলক পঠায়॥
বৰ বৰ আউলীয়া, বৰ বৰ পীড়।
বৰ বৰ বিৰিখ ভাগি বাগৰি পৰিল॥
পৰুৱা পিপৰাই তোলে মনে মনে মাটি।
জোৰা জোৰা স্থূলকিব টঙালৰ গাঁঠি॥
দমৰ ওপৰ ছুনিয়া আল্লা, দমে আহে যায়।
মুচিদ কাৰো কেও নাই, দমৰ ছুনিয়াই॥
এক লক্ষ চন্দ্ৰ সূৰ্য্য, দুই লক্ষ তৰা।
তাৰ মাজে খেলি খেলায়, বিনন্দ ভোমোৰা॥
আচমানতে চন্দ্ৰ নাই কি কৰিব তৰা।
যি নাৰীৰ পুৰুষ নাই, ছুনিয়া আন্ধিয়াৰা॥

**এক নাম লৈব যাব, বিনা নৌকাই হব পাৰ,**
**নৌকা বান্ধে ত্ৰিপানীৰ ঘাটে।**
**দমৰ ওপাৰে ছুনীয়াই ছখৰ চুমাৰ নাই,**
**নিতে নিতে নৌকা দিলে ভাটি॥**

সকলো ধন জন কামিনীৰ হাতে ৰৈব,
সঙ্গে যাব এক মুঠি মাটি॥
কাল, কলিমা খেলা, খেলিয়া নানান-খেলা,
খেলি আছে কৰি কত খেলা।
ঘাটে নৌকা চুৰি হব মানিক লুটিয়া নিব
অফলাই এৰিয়া দিয়ে ভেলা॥
গগন মন্দিৰৰ মাজে চন্দ্ৰ সূৰ্য্য জ্বলে,
লক্ষ তৰা জ্বলে দিন ৰাতি।
চন্দ্ৰক ৰাহুৱে ভক্ষণ কৰিয়া নুমাই দিব
কাজল কোঠাৰ এই বাটি॥
হিন্দু আৰু মুছলমান একে আল্লাৰ ফৰ্মান
গোৰস্থানে কবৰ শাৰী শাৰী,
হিন্দুক জ্বলাব, মোমিনক গোৰ দিব
চাৰিও কলিমা পৰচাৰি॥
মজ্জুদিল ফকিৰে গায় গুৰুৰ চৰণ পাই
নিজ নামত দিয়া গৈলা মাটি।
গুৰুৰ চৰণ পাব, বিনা নৌকাই পাৰ হব
সংসাৰৰ পাৰা যায় মুক্তি।

**ঘোষা—কলিমাৰ নাম সাৰথি, জীউৰ লগে যায়।**

**কলিমা হকিকত, কলিমা ছৰিয়ত, কলিমা তামামৰ ঈমাম।**
**অজুদৰ ভিতৰত কলিমাক বহালে, সিয়ে হল শিৰৰ কলম॥**
**ওপৰ আচ্মানত মেঘে গৰজিলে, আ'বে হৈ লগালে মাত।**
**বান্দাৰ মলকুতত মাটিৰ কলবুদৰ বহালে আমক জাত॥**

আ'বে হায়াতৰ উথান উঠিলে বসবো উঠিলে জোৱাৰ।
কলৰ জোৱাৰত মাণিকৰে মেলা, ললে আৰ্ জোল্লাই ভাৰ॥
আ'বে হায়াতৰ উথান উঠিলে, উথানত উথলি গ'ল।
আ'বে হায়াতক বাপে এৰি দিলে, মাৱৰ চিকমত ৰল॥
আ'বে হায়াতৰ উথান উঠিলে, মাথোতাই মথিলে ঘিউ।
খোদাৰ হুকুমে মেহতৰ জিব্ৰিলে বহালে আমক জীউ।
আ'বে হায়াতৰ উথান উঠিলে বঢ়াওতাই বঢ়ালে জাল।
আইৰ নাম আমক বোপাইৰ নাম পামক ছুয়োৰে বেহানি ভাল॥

হকে হুৱে আছিল একেলগে,
ছুয়ো অহা যোৱা কৰে।
নিজ আসনত বহি সজ গুৰু
মুৰ্ৰ্ণৰ বন্দেগী কৰে॥
হকে হুৱে আছিল একেলগে
ছুয়োৰে একেটি নাও।
খোদাৰ দৰ্গাহত তৰবা কৰিছো
কেইদিনৰ ছুনিয়াই পাওঁ।
আবে বিচ্মিল্লা, সুকয বিচ্মিল্লা
আক বিচমিল্লা তবা।
আবৰে উঁড়ালী, মেঘে বিচ্মিল্লা
নমায আচমানৰ পৰা॥
বিন্দুৰে কালতে, লৈলো মাটি-ভেটি,
ললে আৰ্জ্জোল্লাই ভাৰ।
আল্লাৰ পাৰলৈ তৰবা কৰিছো
কৰা বৰচকীৰে পাৰ॥
ছয়কৈ মাহতে কাচিলা পাৰিলা,
সাতত হল এই চকু কাণ।
আঠকৈ মাহতে এইনো চাল চমৰা
দহত হ'ল দহে দুৱাৰ।

হায়াতে মৱতে আছিল একেলগে
লগাইছিল অমাতৰ মাত।
সকলো পৰিয়াল আছিল একেলগে
আছিল ন মাহত দাঁত॥
হকে হুৱে আছিল একেলগে
দুয়োৰে একেটি নাও।
খোদাৰ হুকুমে ফিৰিস্তা নামিলে
চুৰ্বুৰিত পাতিলে গাওঁ॥
ইঞ্জিলৰ কালতে হাঁহিতে খেলিতে
আছিলে মাৱৰ তন খাই।
গৰভত থাকোতে অনেক তুতি নতি
দুনী পাই মনতো নাই॥
জবৰুতৰ কালতে মনে মত্ত হলে
মনেই হ'ল হস্তীৰ সমান।
আকলে গিয়ানে ধ্যান পৰ কিতি
তাহালৈ নকৰ কাণ॥
তৌৰাতৰ কালতে গিয়ানক বিচাৰো
গিয়ানে নিদিলে লগ।
বয়স ভাটি দিব হায়াতো টুটিব
মাছলৈ চুপিব বগ॥
ফোৰ্‌কানৰ কালতে কৰ আওকান
আখেৰি উম্মতক পাই।
বহে ভাটি দিব, হায়াতো টুটিব
তনৰো থিতাপি নাই॥
পীড়ে বহাই দিলে সৰাওটি সিজিলে,
ৰান্ধনী সুচন্দ পাগ।
মুৰ্চিদৰ পাততে আধা মুটুকিয়া
আৰে নচিবৰ ভাগ॥

পীড়ৰে ঘৰলৈ আহনি যাহনি
বান্ধিলে সুচন্দ পাগ।
পীড়ৰে পাততে আধা মুটুকিয়া
যাৰে নচিবৰ ভাগ।
পীড়ৰ দিল এফেৰা ওস্তাদৰ চমৰা
মুৰ্চিদৰ কলিজাখন।
টকা চিন এহেৰা (?) কেও গিৰি নহলে
সেয়ে ৰবৰ আন॥
ফুলানকৈ গাথিলে বান্দাই নিচিনে
যদিহে এই জিকিৰ কৰি।
ছেখ ফৰিদে এই জিকিৰ কৰিছে
আল্লাৰৈ ভৰষা কৰি।

**ছেখ ফৰীদ**

**ঘোষা—মনুবাই, দুৰ কৰা মনৰে বড়াই**

**আ'ৰ, আতচ্, খাক, বাদ**
**চাৰি চিজে দুনীয়াই।**
**চাৰিওটি চিজৰে ভৰালী মনাই হে॥**
**চাৰি চিজৰ চাৰি মাণিক,**
**চাৰিৰ লগত যাব চলি,**
**চাৰিওৰো খিতাপ নাই॥**

মাণিক মাণিকৰ ঘৰ ;
আৰু থুটা মাণিকৰ
চালে কামি মাণিকৰে কৰা ॥

মায়ৰ গৰ্ভত গৰ্ভে থিত লগে,
মৰি মৰি ওপৰে জোন।
আল্লাক প্ৰাৰ্থনা কৈ, বাপতে জনম পায়,
ভাল মায়ে গৰ্ভে দিলে থিত ॥

ছয়কৈ মাহতে মনাইক সাজিলে,
সাত মাহত হাত কাণ।
আঠ মাহত মনাইৰ হলে আঠ অঙ্গ,
ন'মাহত নখ-চুলি।
দহে মাহত হলে দহে ছুৱাৰ
মায়ৰে গৰ্ভতে থাকি ॥

মায়ৰে গৰ্ভত থাকে দহে মাহে
আপোনাৰ চকুমক পুৰাই,
সকলো শলাগৰ মূৰে, আছিল একেলগে,
হলেনো বৰছাতিৰ পাৰ ॥

থাকত পয়দা হলে, আ'বেৰে ধুৱালে,
আতচেৰে সেকিলে গা।
ল'ৰাকাল গ'ল উমলি জামলি
ডেকা কাল গ'ল হেলে,
যৌৱন কাল গ'ল ভাৰ্য্যাৰ সঙ্গতে,
ভকতি কৰা কোন কালে ॥

লোৰে পেটতে তীথা পয়দা হ'ল,
গাথীৰত পয়দা হ'ল খিউ।
চাবিজনা পীড়লৈ চিজ্‌দা কৰিবা
আল্লালৈ মাগিবা জীউ।

লো'ক মামৰে বিজ্ঞিলে চাহাব ঐ-
বিঞ্জে তাম কাঁহত ঘূণে।
মৰতৰ ধকুৱাই ধৰি লৈ যাব,
লগহৈ যাব কোনে॥

ঘোষা—মনুবাই, মনুবাই, নাম ললে নেছেৰায়,
জুয়েও নোপোৰে; পানীতো নুডুৰে,
চোৰেও নিনিয়ে পাই।

ছেখ ফৰিদ এ, খোদাইতে থাটনি
জলৰ নাম নাদে কুঁৱা।
চান্দে সুৰযে উজনি এ ভাটি,
নিজ নাম গধুলি পুৱা॥
চান্দো নিচিনো, সুৰুযো নিচিনো,
নিচিনো সৰগৰ তৰা।
আপোনাৰ শৰীলক আপুনি নিচিনো,
হৈ আছো জীৱন্তে মৰা।
পূবে ওলাই যায় পিছমলৈ,
সেই জনাক বুজিবা কি।
দেহাৰে উকমি মাৰিৰ নোৱাৰি
খাই আছো গৰলে বিহ॥
জমীনৰ জীৱনে আচমানৰে পানী,
দুইৰে জীৱনে বন।
চাৰি মুঠি জীৱক বায়ু হৈ চলাইছে,
সেই জনাব ললো শৰণ॥

শালৰে হাতীকে বান্ধে ভৱে কৰি
কলিমা নামৰে জৰি।
কোৰাণৰ ওপৰে লিখে বিচমিল্লা
আজক আমক কৰি॥
তেওঁ চোভানাল্লা, তেওঁ কৰিমাল্লা,
নাম ললে বোন্দৰা জাতি।
বোন্দৰাত এক কৰি বিন্দুৰে বিচাৰে,
পুৱায় সম দুখৰ ৰাতি॥
ইডালিৰ পৰা যায় সিডালিলৈ
গছৰ গুটি খোৱা বান্দৰ।
কব লাগিছে হকৰ মুৰছিদে
সবাতকৈ হৈ থাকা চাপৰ॥

মোৰ মনত আন ভাব নাই ঔ আল্লা
মোৰ মনত নাই আন ভাব।
হিন্দু কি মুছলমান এক আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম॥
হিন্দুক জ্বলাব মোমিনক গাড়িব,
খাকৰ তন খাকত মিলাব,'
কবিগুৰুকে দেখি শালিকি পাগলে
চিতে জলে বলে কৰে।
নেজানো আল্লা মই নেজানো খোদা মই,
কোন দিনা মৰতে ধৰে॥
হকিকত, তৰিকত ছৰিয়ত মাৰফত
অফলা তুলি দিবা খোৱা।
হকৰ মুর্চিদত ঠাই দেহাৰ ভৰষা নাই,
যদি আল্লা মোক কৰা দয়া॥

এই ঘৰ এৰি বান্দা আৰু ঘৰে যাবা,
সেই ঘৰত মনুৰাইৰ বাসা।
চৈয়দ মেবাতজাই কয় পৰেকি আপোন হয়,
কোনে দিব নচীবৰ বটা॥
মৰ্ত্তোজাই ভাবে আল্লা
নিচিন্তে পৰিয়া বৈল ধান্দা।
আল্লা নিচিন্তে পৰিয়া বৈল॥

জোৰ বঙ্গলাৰ মাজে মনুৰাই
খাব জীবৰ আশে মনুৰাই
খাব জীবৰ আশে।
মনুৰাই চাৰি যাব ইঘৰ পৰিয়া বৈব
জীৱনত কত কৰা আশে॥

অ'ঘৰ আধিয়াৰা গগন গৰজে,
চান্দ জিকিমিকি কৰেহে, অ'ৰে চান্দ।
জিকিমিকি বিজুলী চমকি
মোৰ প্ৰাণ কঁপি আছে ভৰে হে।
অ'ৰহ (?) আমুৰ (?) কাচি পাৰি কৈৰা (?) বোলে,
আমাঙ্গাৰ (?) আসিবো ভাল।
তাপীৰ তাপে হৈয়া দৰোছে (?) গৈল,
মন্দিৰ দিয়া গৈলা কাৰে।
অ'ৰহ কৈ ৰহ বোলে ৰৰহ কি বোল বুলিলি,
ডাউকী বুলিলি বৈয়া।
হনুমন্ত লক্ষণ সিবা মুখ দৰ্পণ
ভোমোৰা উৰিল মধু খাইয়া॥

চৈয়দ মৰ্ত্তোজাই কয়
ই তন তোমাৰ নহয়,
যাৰ তন সি লৈয়া যায়।

মধুবনে পৰি ভোমোৰা উৰি যায়
　　মিছাতে কৰে বাপ ভাই ॥
পখী আহ, আহৰে পখী,
পিঞ্জিৰা খালি, পখী ক'ত আহে ৰে।
চৈধ্যখনি পাত দিয়া, পিঞ্জিৰা সাজ।
সোণাৰ বৰ্ণৰ পখীগুলি থাকে তাৰ মাজ।
জোৰ জোৰ মাৰি আছে, আতছৰ খিল।
কবুতৰ ক'ত থাকে পাখী তন্ লৈয়া দিল ॥
দহোকোণে পখীৰ আয় (?) খাই গৈল ঘূণে।
চুটিল সুন্দৰী পখী উৰিল গগনে ॥
গগন মুখে আছিল পখী, আতছ মুখে যাও।
উৰিলে সুন্দৰ পখী, ঘূৰিয়ে নেচাও ॥
সোণৰ বৰ্ণৰ পখী, ৰূপৰ বৰ্ণৰ ভৰা।
মাতিলো সুন্দৰ পখী, নেলাগিলে দয়া ॥
গোলাম হুছেনে কয় পখী পিঞ্জিৰা ছাড়।
চুটিল সুন্দৰ পখী না আসিল আৰ ॥
অ' দীননাথ, দুখীৰ মৰম আমি কৈবো কাক?
বদ্ধ হৈয়া নেপাইলো তিনি জগতে আসিয়া।
ৰহিল দুখ আমাৰ জগত জন্ম ভৰিয়া ॥
বন্ধ হৈয়া ৰঙ্গে মনাই
　　দুটি ভাই লৈ গ'ল পৰে।
ভোলা নিধি প্ৰীতি দোস্তি
　　ডুবাব খোজে মোৰে ॥
দিনো হৈল দুৰন্তৰ,
　　আমান গৈল জ্বলি,
শুইয়া জুৰিয়া আল্লা তোমাৰ ঠাকুৰাণী।
মনত নৰয় খুনিয়া, দিলত নৰয় দৰিয়া
　　তুমি মোৰে ডুবাব খুজিলা,

আছিলো মই বাসা জুৰি
অগিয়ান ভিক্ষুক।
আলসিয়া নিয়া মোৰে কৰিলা বিমুখ॥
শৰীল জলে ছুখীৰ ( দুখে ) উদৰ জলে ভোকে।
কি বুলিম কাৰ স্থানে, এই ছাড় মুখে॥
বোলাইতে নেপাওঁ বোল আমি পিৰিতিৰ।
সৰ্ব্ব ঘটে বিৰাজ তই নিৰঞ্জন ঠাকুৰি॥
গোলাম হুছেন কাতৰ হৈ আছে মনে।
এই নিবেদন মোৰ ঠাকুৰিৰ চৰণে॥

মই কিয় আছিলো ভবে অজ্ঞান হইয়া,
ভবে অজ্ঞান হইয়া ৰে।
অতিথিৰ ঘৰে গৈলো ভাইৰে
বিতাথি হইয়া।
আৰু ভাবিতে নপাইলো।
চিন্তিতে নপাইলো আল্লাৰ মায়াৰে।

আচমানতে ধান কলো তাকো মাৰিলে বাণে।
সমুদ্ৰত কলো কল ৰ'দত জ্বলিয়া মৰে॥
মাছ মাৰিব গলো ভাইৰে বিলত নাছিল পানী।
আৰ, হাট কৰিবলৈ গলো, নাছিল দোকানী॥
মাছ মাৰিব গলো ভাইৰে সাগৰত ঢউ।
বিলত নাইকিয়া মাছ, কুৰাঁত থাকিল বৌ।
পুখুৰীতে পানী নাই পাৰ ঘণে বুৰে।
গছৰ মধ্যে পাখী নাই ঝাকে ঝাকে উৰে।
হৰিদাস কুমাৰে গঢ়ে বিচিত্ৰ কৰিয়া।
নানান ৰূপে ভাঙে, নানান ৰূপে গঢ়ে
এই আল্লাৰ তামাচা॥

অ' শুকজী,

মলয়া চন্দনক এৰি,
আছো চোৰাতক বেঢ়ি,
নিতে নিতে কৰো প্ৰতিপাল।

চুলেও ঘা লাগে,
মৰিলে বেথা লাগে
তই হলি এই যমকাল॥

অ' শুকজী,
ধৰম ঠেকিল মায়াৰ জালে।

অ' শুকজী,
মৰণ হইল ই সংসাৰে॥

আবে আতছে, এই থাকে, এই বাদে,
চাবিও চাবিলে চায়।

চাৰিৰ ভিতৰত এটি নহলে
এই তন ভাগি চিগি যায়॥

কন্যাৰ বাঁহতে মনাই বন্দী হলে,
গাখীৰত বন্দী হল ঘিউ।

ভাৰ্য্যাৰ লগতে পুৰুষ বন্দী হলে
ধৰত বন্দী হলে জীউ॥

কি লৈ যা কি লৈ যা মনুৰাই ঐ
জীউ চিনি লৈ যাবি।

গঙ্গা যমুনাই আল্লাৰ কলিমা
নামৰ নকৰে খটি॥

বান্দৰ ফকিৰে গায় হকিকতৰ গীত
কেৱে কতো শুনিলে তাৰ সঙ্গীত।

বান্দৰৰ জোলা, ফকিৰৰ জোলা
থাকে একে থানে।

মুৰচিদ ভেটিলে তৰণি নহব ;
নীতিক নধৰে মানে।
বান্দৰৰ জোলা, ফকিৰৰ জোলা
দুয়োৰে একেটি নাও।
মাজ সাগৰত ঘোৰাৰ ঠকে ঠকি,
চৰত বুৰাব নাও ॥
বান্দৰৰ জোলা, ফকিৰৰ জোলা
গছৰ ডালে ডালে ফুৰে।
মাকে বাপেকে, বিহিস্তে দোজখে
তাতে লুকালুকি কৰে ॥
মাজ সাগৰত পছোৱা বলিলে
বৈঠাই এৰিলে থৰ।
দহো দুৱৰীয়ে দুৱাৰক এৰিলে
পৰীয়াই এৰিলে পৰ ॥

ঘোষা – হেলাতে মানৰী গলে তোজামন।

ভয় পাই জীৱৰ পৰিলে মনত
নভজিলে এৰণ নাই।
পাঁচ নৈৰ পৰা আগ কিনি আনি
থলে বাৰী চুকত পেলাই॥
ভৰেকৈ দুপৰত যিটিঙাই মাৰিলে
মেঘে দিয়ে গলে পানী।
হাতত কোৰে লৈয়ে হালোৱাৰ পিঠেকে-
গাঁতকো পেলালে খানি ॥

চেলালে বাকলি ওলালে গজালি
আগকো পেলালে ঠনাই।
বদৰ বাৰে খৰত হালোৱাৰ পিতেকে
পেলালে মাটিকো কুৰি।
জেঠৰ বাৰে খৰত হালোৱাৰ পিতেকে
পেলালে হালকে জুৰি ॥
হাতত কোৰে লৈয়ে মাটিকো ঠাহিলে
চপৰা কৰিলে ধূলি।
হাতত কোৰে লৈয়ে হালোৱাৰ পিতেকে
পেলালে খালকে কাটি।
জুৰি জুৰি কৰি খলক খানি গলে
আগ কলে জুৰি পাতি।
জুৰি জুৰি কৰি আগ কই গলে
পিৰিতে টিপনি মাৰি ॥
সবাৰো আগতে উলিয়াই আনিলে
গোবৰধন গুৱালৰ পাচি।
শুকতি সাৰকে গুপুত কৰি দিয়ে
থলে মাটি চপাই ঢাকি ॥
আহনো নেলাগে বহনো নেলাগে
সলায় মধুবনে পাত।
হাতে ধেনু ধৰি বুঢ়াই আহন মাৰি
ৰখে মধুকৰি বাৰী।
দিনত খায়ে গলে হলৌৱে বান্দৰে
ৰাতি খাই গলে হাতী।
তিনি তৰপীয়া জেওৰা জপনা
বেঢ়ে মধুকৰি বাৰি।
দিনো হৈ গলে বাঢ়েৰে পোৱালী
চাচনৰ কোবতে জানি।

চাচে হাতোৱা হাতুৰি বটালি
বাঢ়ৈৰে ঘৰতে থাকে ॥
সূতক পাৰি পাৰি ফুলক কাটি গলে
কলিক কাটিলে ভাৱে।
সেকৰা, সেতুৱা, মহলা, মজৰা
সবাকো আনিলে কাটি ॥
কৰবৈ ধৰিলে বাঢ়ৈৰে পোৱালি
নাহিবা এড়ালো এৰি।
হাতত এচাৰি লৈ হালোৱাৰ পিতেকে
মহকো আনিলে জুটি।
এটিৰ মূৰতে কাঁতৰি লগাসে
হুয়ো একেলগে ঘূৰে ॥
যাৰে কপালত পৰে ডাঙৰি দাঙিব
সিও মেকণত বহি।
যাৰে পালে পৰে চোবা ধৰিব
সিও মেকণত বহি।
তিনি পেৰা দি. পেৰিব ধৰিলে
পাচলৈ খলিহা পৰে ॥
কুমাৰৰ ঘৰৰে চক্ৰ কিনি আনি
পেলালে ৰহকো বাকি।
হলাহল নামেৰে অগনি জ্বলালে
বহালে ৰসকে আনি।
হাতত জাকি লৈয়ে হালোৱাৰ পিতেকে
পেলালে গুৰকে কাঢ়ি।
কুমাৰৰ ঘৰৰে কলহ কিনি আনি
পেলালে গুৰকে ভৰাই।
কানত গুৰে লৈয়ে হজুৱা লৰিলে
যতে ছী পালে বল।

যাবে সমুখতে মধু নাইকিয়া
খুজি আনিবলৈ গ'ল ॥
ভৰেকৈ বতবত কিৰিষি নকৰ
খুজিলে কেনেকৈ পাৱ।
দিলে হাতে হাতে খালে মুখে মুখে
বুঞ্জা বান্দৰে ভাও ॥
কিনো গীত গাইলি চান্দৰে বড়াই
কিনো গীত গাইলি চান্দ এ।
গতুৰা এন্দুৰৰ পাৰত পৰি
বোন্দা বিড়লাই কান্দে ॥
বাঁহৰে আগতে ৰভাকৈ চিলনি
তাই হুঁতে কিনো খাই জীয়ে।
বেজীৰে মূৰতে বাদ্ধনে বাঢ়নে
উধানে কি কাপোৰ সীয়ে ॥
আমৰ গছতে তামোল নাৰিকল,
কঠালৰ গছত বেল।
কৰিবাৰ চাৰি ভাই ৰজাৰ হাতীদাঁত
এন্দুৰৰ গাতত মেল ॥
গায়ে গোহালি গিলিলে বড়াই
পথাই গিলিলে গৰু।
হাতত তাক লৈ বাদ্ধনী পলাই গ'ল
খেদি লৈ গ'ল চৰু ॥
ঝেড়াই গিলিলে বাৰীকে বড়াই ঐ
দুৱাৰে গিলিলে ঘৰ ॥
হাতত জপা লৈ চোৰে খেদি নিলে
গিৰিহঁত মাৰিলে লৰ ॥
মাথীৰ মূৰ কাটি জয়ঢোল সাজিলে
পিপৰা হালেৰে চায় ॥

গুৰি পকন্নাৰ ছালেৰে ৰৰত্তি টানিলে
হস্তীৰ ঠেঙেৰে বায় ॥
চাউলে খুবলি গিন্সিলে বঢ়াই
তুঁহে উকন্নালে কুলা ।
হাতীৰ দাঁতকে চিকুটি চিভিলে
কুঠাৰে কাটিলে মূলা ॥
সাগৰৰ মাজতে ঘোৰাৰ ঠকে ঠকি
নগৰত বুৰালে নাও ।
চান্দ সা বঢ়ায়ে এই গীত ৰচিলে
বুজা ভকতিৰ ভাও ॥

অ' গুৰু মই বৰ অনাথ ভৈলো ।
নেজানো ইটো দেহা পৰে কোন দিনে ।
গুৰু মোক দয়া নাচাৰিবা এ ।
মই বৰ পাতকী পাপী চৰণে ৰাখিবা এ ॥
বিষয় মায়াক লাগি জীৱ ভৈল বন্দী ।
অ' মন্থুৰাই মই কিয় আহিলো ভবে ॥
ভাই এইনো নৰতনু ভাল
সুন্দৰ দেহাৰ থনকো ভৰষা নাই ।
কিনো গীত গাইলি চান্দৰে বঢ়াই ।
আতমাৰ নাই পৰিচয় ॥

ঘোষা—চাৰি বেদে গিয়ানকে কয় ঔ আল্লা।

চাৰি বেদ পঢ়িলো মই গিয়ানকে নেভাবিলো
জ্ঞানৰ নাই পৰিচয়।
ঘোৰা সজাই লৈ চাহেব মৰ্তোজা আলি
পন্থ চিকাৰলৈ যায়॥

জঙ্গলৰ মাজত পীড়ক লগ পাই
বহুত খোছহাল হ'ল।
পীড়ে বোলে বাবা আমিতো জঙ্গলে যাওঁ
যি যাব আচলত ধৰি।
আচল মেলি পীড়ে কোলাত তুলি লৈ
হাঁহে খল খল কৰি॥

আচ্ছা আচ্ছা বুলি মৰ্তোজা আলি
মোকাম পুৰলৈ চায়।
কোনো তল যাব কোনো ওপঙিব
কোনোবাই খাব পানী॥

তোমাক বোলো হাবিলাছ পয়গম্বৰ
তোমাৰ নাম গম্ভীৰে নেপায়॥
খোদাই পয়দাছ কৰে বুজৰুগ আলিমক
দোস্তক আনিবলৈ যোৱা।
আমাৰ দোস্তৰ এসুৰা বিলাই
থান থিত লগাই থোৱা॥

আবদুল্লাৰ ঘৰত ৰছুল পয়দা হয়
দিলে মোহম্মদ নাম।
বিহিস্তৰ হুৰবী গৰীৱ হুচেন আলী
মক্কাতো খাদিম কৰে।
মদাৰ পীড়ক ওস্তাদ মানিলৈ
আল্লালৈ বন্দেগী কৰে॥

বিচমিল্লা বুলি কাঠত কোব মাৰিলো
টোকাৰি বনাব লাগে।
অচিনকৈ কাঠৰে পচিম কৈ টোকাৰি
তাৰ মাজত টোকাৰিৰ গুণা।
কোনে সাজি দিব কৈলাশৰ টোকাৰি
কোনে বাটি দিব গুণা।
লোকমান হেকিমে টোকাৰি সাজিলে,
আদমে বাটিলে গুণা।
ওজা হৈ মেলিলে বহুৱা সেনকে
আকাশৰ কুকুৰা ধৰে।
আকাশৰ কুকুৰাই মৎস্যক ধৰি থালে
অমৃত সাগৰৰ মাজে॥
অমিৰিত সাগৰত পদ্ম ফুল ফুটিছে
ভোমোৰাই চুহিছে ৰস।
কোবাই নেমাৰিবা কালিন্দী ভোমোৰা
ফুলৰো নলবা বধ॥
কালিন্দী ভোমোৰাই উবাৰত কৰিলে
পালেগৈ ৰোমৰে ৰাজ।
ৰোমৰে ৰাজতে মাণিকৰ দোকান
মোলেদি বেহাওতা নাই।
বেপাৰী বনিয়াই মাণিকক চিনিব
মোলেদি বেহাই লব।
দোকানী চিনিবা পোহাৰী চিনিবা
চিনিবা আদৰৰ হাট।
নি জনা বনিয়াই মাণিকক চিনিব
সাৰিব দুনীৰো হাত।
পাণৰে পোহাৰী পাণকে বেচিলে
পাণেৰে মাৰিলে চাতি।
কিনোতাই কিনিলে বেচোতাই বেচিলে
কাৰো নপৰিল ঘাটি॥

## শুক চৰিত (১)

**ঘোষা—ৰহমৰ গিৰিইঁত তুমি আল্লা চাহাব ঐ**
**যদি কৰা দৰিয়াস পাৰ।**

পাখী ভাবি মাৰিলে আজানৰ স্বভাৱে
দৰগুৰ বতৰা পাই।
দৰগুৰ দেশতে মন্ত্ৰী নাইকিয়া
অকলে মন্ত্ৰী ৰূপাই॥
পাখী ভাবি মাৰিলে আজানৰ স্বভাৱে
বামত সজাই দিলে নাও।
শ'ৰা গুৰিতে নাৱক ভৰা দিলে
বামত থাকিলে তেওঁ॥
শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি
আকাশক আছিলে চাই।
আজানৰ স্বভাৱে যাত্ৰা কৰিছে
দৰগুৰ বতৰা পাই॥
শুকুলী পাৰৈ ঐ স্বখন নাও সজাইলৈ
মেলে নাও দিখৌ নৈত খোৱা।
শিলৰ নাওখনি শিলৰ বঠা গছি
শিলক দি গলে ভৰা॥
যেতিয়া দিখৌ নৈত নাৱক ভৰা দিলে
দিখৌ নৈ তবধ খাই ৰয়।
চাহেব যেই ঢালে যাবলৈ ওলালে
আমাৰ (বতাহ) সেই ঢালে বয়
খায়নো ভাটি মাৰি আজানৰ স্বভাৱে
দৰগুত পাতিলে থান।
দৰগীৰ ভকতে আগুৰি ধৰিলে
আমি সজাই দিমে থান॥

দৰৱেশৰ ভকতখন হলে ককুবাণ
মুৰদি যে কৰাওতা নাই।
দৰৱেশ খৰৱেশ তুগএগা ভকতক
চাহেবে ফুৰাসে হাত।
সাত গৰু কাটিলে চিৰিণি পাতিলে
ৰায়তক দিলেগৈ মাত॥

কৰলৈ ধৰিলে দৰৱেশৰ ফতুলাই
ৰূপাইৰে মুখলৈ চাই।
সাত গৰু কাটিলি চিৰিণি পাতিলি
চাহেবক নেমাত কিয়?
কৰলৈ ধৰিলে ৰূপাই দা ধৰাই
ফতুলাইৰ মুখলৈ চাই।
তই যদি ফটুলাই মাতিবলৈ কৈছে
হাতীকৈ সজায়ে দে।
হাতীত জানো উঠি গুৰুৱে হুৰোহী
চাহেবক মাতিলে গৈ।
আগেয়ে আছিলে চালপীড়াৰ ওপৰত
লৰ মাৰি ঘৰতে উঠে॥
কৰলৈ ধৰিলে আজানৰ হুভায়ে
ৰূপাইৰে মুখলৈ চাই।
তহ ৰূপাই আহিলি হাতীতে যে উঠি
আমি যাম কিহতে উঠি।
তেওঁ যদি ৰূপাই তই নিৰলৈ আহিছ
তহতেই কান্ধত কৈ নে।

এই কথা শুনি গুৰুৰে ছুবোহী
আচাৰ খাই ঘৰলৈ যায়।
আজ্ঞানৰ ছুভাই জীয়াই থাকে মানে
কাকো মনামনি নাই।
গুৰুৰ বাৰৰ দিনা ছুপৰ চাই ডঁড়ীয়া
ৰজাক গোচৰ দিলেগৈ।
দিনটিয়া ৰোজা ধৰে চাৰি ভাড় ( বাৰ )
এনে মদ্‌গৰবী নাই।
আজ্ঞান দেউ চাহেবে চিৰিণি কৰিলে
ছাগল দিয়ে গলে পাঠী।
জোবা জোবাকৈ সৰি পৰি গলে
যেনে তমালৰে গাঁঠি॥
আজ্ঞান দেউ চাহেবে চিৰিণি কৰিলে
খাবলৈ নেপালো আমি।
সকলো সৰু বৰ ৰায়তক বিলালে
বিলালে ঘৰৰো কামি॥
আজ্ঞান দেউ চাহেবে চিৰিণি কৰিলে
খাবলৈ নেপালো গুৱা।
সকলো সৰু বৰ ৰায়তক বিলালে
বিলালে ঘৰৰে কৰা॥
আজ্ঞান দেউ চাহেবে চিৰিণি কৰিলে
পোণেৰে যোগালে পাণ।
সকলে সৰু বৰ ৰায়তক বিলালে
বিলালে পথাৰৰ ধান॥
আজ্ঞান দেউ চাহেবে চিৰিণি কৰিলে
খাবলৈ নেপালো লোন।
সকলো সৰু বৰ ৰায়তক বিলালে
বিলালে ঘৰৰো সোণ॥

লুইতৰ মুখৰে কৰা কাঠি কামি
জেবেঙ্গাৰ মুখৰে খেৰ।
কলিমাৰ নামতে সজায় মছিদ ঘৰ
আজান দেউ চাহেবৰ ঘৰ॥
কবলৈ ধৰিলে স্বৰ্গী মহাৰজাই
ৰূপাইৰে মুখলৈ চাই
ৰজাৰ নধৰিবি দায় তই ৰূপাই ঐ
গুৰুৰ নধৰিবি দায়।
পিতৃ-মাতৃৰ দায় নধৰিবি
ধৰিবি ভকতৰ দায়॥

দিনটোৰ ভিতৰত কয় তিনি বেলি
তেওঁ ৰজাই নকৰে কাণ।
জখলাৰ তিনি খোপ উঠি সি ৰূপায়ে
ৰজাৰ গোচৰ দিলে গৈ।
ভণ্ডুৰা আফুৰা হুগুটি ফকিৰে
ভাঙে মোহম্মদী ছৰা।
কবলই ধৰিলে স্বৰ্গ মহাৰজাই
তইঁতেই যি লাগে কৰ।
জখলাৰ তিনিখাপ উঠি সি ৰূপায়ে
কেচাই খাওঁ কেচাই খাওঁ কৰে।
আছে দাপ হুপ যায় দাপ-হুপ
ৰূপাই দা ধৰাৰে ঠাট।
আজানৰ হুভায়ে কোৰাণ পঢ়িছিলে
ৰূপায়ে ঘৰ বেঢ়া দিলে॥

বৰ ভাইৰ আগতে কয় সক ভায়ে
আমাতে জ: ৰ লাগিল।
ৰূপাই দা ধৰাই ৰজাত গোচৰ দিলে,
আমালৈ পিয়দা নামিল॥

গাতে আঁৰি ললে        আল্লাই দিয়া শিলিখা
বগলত আঁৰিলে ঝুলি।
গঙ্গা চুবুৰিয়াই        চাই জুমি জুমি
আজানক ধৰিলে বুলি॥

আঠিয়া কলাই        ভিলকো মেলিলে
মেলে জাতি কলাই পাত।
আজানৰ দুভাইকে        ধৰি লৈ গ'ল
জিৰাবলৈ নিদিলে ছাঁত॥

নগৰৰ ভিতৰত        চুনপোৰা দুৱাৰত
চাহেবক কৰিলে বন্দী।
আজান দেউ চাহেবৰ        নজৰ কাঢ়িবলৈ
ৰূপায়ে পাতিলে ফন্দী॥

কবলৈ ধৰিলে        ৰূপাই দা ধৰাই
ফতুলাইৰ মুখলৈ চাই
ৰজাত লাগনি        দে তই ফতুলাই
ৰজাত লাগনি দে।
ৰজাৰ লাগনি        ৰূপ চাৰি টকা
ৰজাক ভেটিলে গৈ॥

একো শোধ নললে        স্বৰ্গ-মহাৰজাই
নজৰ কাঢ়িবলৈ কলে।
এই কথা শুনি        গুৰুৱে দুৰোহী
নজৰ কাঢ়িবলৈ যায়।
কবলৈ ধৰিলে        আজানৰ দুভায়ে
ৰূপাইৰে মুখলৈ চাই।
আমাৰে নজৰক        কাঢ় যদি ৰূপাই তই
দুটি এৰাঁ চক্ক আন।
চাৰি কড়া কড়ি লৈ        আনে এঁৰা চক্ক
চাহেবৰ হাতলৈ দিলে।

দুহাতে দুটি লৈ আজান চাহেবে
খোদালৈ ফৰিয়াদ কৰে।
যেতিয়া খোদালৈ ফৰিয়াদ কৰিলে
নজৰ মোৰ মুলকি পৰে।
দুহাতে দুটি লৈ আজান চাহেবে
হাতত লৈ আছিলে চাই।
আমাৰে নজৰক থাকত নেপলাবা
মৰিব ৰায়ত লোক পুৰি।
আমাৰে নজৰক পেলাই থৈ আহিবি
পেলাবি দিখৌ নৈৰ গুৰি।
যেতিয়া নজৰক দিখৌ নৈত পেলালে
দিখৌ নৈ উভতি বয়।
যেতিয়া নজৰক দিখৌ নৈত পেলালে
নগৰত চৰা নাও খেলায়।
যেতিয়া নজৰক দিখৌ নৈত পেলালে
হোলোং ঘৰ কাটি হৈ যায়॥
হাতত তামোল দিওঁ খা তই বকৰা
মুঠিত কৰ্পূৰ দিও খা।
আমাৰে নগৰত কি ঘটন ঘটিছে
তাকে তই চাবলৈ যা॥
হাতীতে উঠি হাতীৰে বকৰা
নগৰক চাবলৈ যায়।
হাতীতে উঠি হাতীৰে বকৰা
নগৰৰ চাৰি চুক চায়॥
নগৰৰ চাৰি চুক ফুৰি সি বকৰাই
কতো নেদেখিলে বাম।
আজানৰ দুভায়ে কোৰাণ পঢ়িছিলে
সেই খিনিতে দেখিলে বাম॥

কবলৈ ধৰিলে হাতীৰে বকৰাই
চাহেবৰ মুখলৈ চাই।
মাগি খাইছিলি গৰীয়া ফকিৰ
ৰূপাইকনো কখিলি কি।
মাগি খাইছিলে গৰীয়া ফকিৰ
ৰূপায়ে কঢ়ালে চকু।
তাৰবে পাগুৰি ছিঙি হাতী বকৰাই
চাহেবৰ মচিলে লোভ।
কি দোৱা দি যাম তোকে ঐ বকৰা
কি বৰ দি যাম তোক
পুৰুষে পুৰুষে বিষয় খাই যাবি
ভাঙোতা নহব তোক।
হাতীতে উঠি হাতীৰে বকৰাই
বজাত গোচৰ দিলেগৈ।
নগৰৰ চাৰি চুক ফুৰি মই বকৰাই
কতো নেদেখিলো বাম।
আজানৰ ছুভায়ে কোৱাণ পঢ়ি আছে
সেই ঠাইত দেখিলো বাম॥
শৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি
বজাই সজাই দিলে মঠ।
চকুৰি ভকতে লয় আল্লাৰ নাম
মাতুৰি বনৰে কঠ॥
চাউল চাৰি ভাৰ ভাৰীও চাৰিটা
বকৰাই লাগনি দিলে।
আহে দাপ দুপ যায় দাপ দুপ
ৰূপাই দা ধৰাৰ ঠাট।
নৌ-চাৰিদিন হওঁতে ৰূপাইৰ
মৰিল পানী খোৱা ঘাট॥

আউলি ৰূপাইৰ মাক বাউলি ৰূপাইৰ মাক
মাথাৰে মুকলি চুলি।
তামোলো এঠোকা পানো এটা
ৰূপাইত মাকে ভেটিলে গৈ।
লোতকে ভিজিলে কাকুতি কৰিলে
ৰূপাইৰ মাফ কৰিবলৈ।।
পাণো নকৰিবা হানি ৰূপাইৰ মাক
তামোল নকৰিবা হানি।
তোৰ বৰ পুতেৰে কাটে বৰ গছ
আগত ঢালিছ পানী॥
ৰূপো এচক্ক সোণো এচক্ক
ৰূপাইৰ মাকে ভেটিলে গৈ।
ৰূপত নাইকিয়া কাজ ৰূপাইৰ মাক
সোণত নাইকিয়া কাজ।
জেৰেঙা পথাৰত ৰূপাইক কাটিব
কুকমাই নেপাব লাগ।
তিন দিনৰ মূৰত ৰূপাইক কাটিলে
কুকমাই নেপালে উৱা।
কাউৰীয়ে নেখালে শগুনে নেখালে
গুৰুৰে দ্ৰুৰোহী বুলি॥

## গুৰুচৰিত (২)

শ'ৰা গুৰিতে নাৱক ভৰা দিলে,
ৰায়তে থাকিলে চাই।
গুকুলী পাৰৈয়ে পাখী জাব মাৰিলে
চাহেব কোন ঢালে যায়।

যায় ভাটি মাৰি আজানৰ শুভাৱে
দৰগুত পাতিলে থান।
আবৰি ধৰিলে শুগঞা ভকতে
চাহেব থাকি যোৱা বুলি।
দিনে কৈ শুপৰত অচমে লৰিলে
কুকুৰাই নেপালে সন্ধি।
ছুনিয়াত লাগিল হুৰ চাপিলো আল্লাৰ কোল
ছুনিয়াই কৰে তল বল ॥

হিন্দু-মুছলমানৰ লড়াই লাগিলে
জামাতে আমিন ধৰে।
আওৱলত লেখিলে মানৱী জনম
গিয়ানত লেখিলে সাৰ।
কোনোৰ কপালত খোদায়ে লেখিলে
সজায় বৰে বৰে ঘৰ ॥

কোনোৰ কপালত খোদায়ে লেখিলে
হাতীৰ কণ্ঠে বগায়।
কোনোৰ কপালত খোদায়ে লেখিলে
মাগিও ভাতে নেপায় ॥

আমাৰে কপালত যি কলম মাৰিলে
বান্দীৰ মান যুগুতি নাই ॥

যায় ভাটি মাৰি আজান আৰু নবী
দৰগীৰ থানতে বল।
দৰগীৰ মোমিনে চালাম যোগালে
মছজিদো সজায়ে দিলে ॥

মছজিদতে আছিলে হুৰখাই ভাগিলে
ভাগিলে মছজিদৰ ঘৰ।

দৰগাহীৰে পৰা চাহেবে নবীয়ে
নাৱেৰে ভটিয়াই গ'ল।
হাজোৰে মোকামত তিনিজনা পীড়ক দেখি
নবীয়ে নাও চপাই ৰ'ল॥

বাঘ মাৰি ফকিৰে বাতৰি জনালে
বজালৈ দি গ'ল লেজু।
হাজোৰে মোকামত থাকোতে পীড় আল্লা
বজালৈ দি গলে খেজু
হাজোৰে মোকামত থাকোতে পীড় আল্লা
ঢাপ তুলি কই গ'ল কল।
কোন বেইমানে এনে কাম কৰিলে
কঠিয়াৰ মাৰিলে কণ॥

ডেকাৰ হাতত ধৰি চাহেব আৰু নবী
পীড়ৰ জেগালৈ গ'ল।
পীড়ৰ জেগাতে চেৰাগ জলালে
জেগা মোৰ ৰৌছনাই হল॥

পীড়নো তিনি জনা ফকিৰ আৰু দুজনা
খিজিৰ থাঁ দানৱৰ নাতি।
হাজাৰ নো হাজাৰে মুৰ্চ্ছিদ সকলে
তেও স্থপুৱালে ৰাতি॥
পীড়নো তিনি জনা ফকিৰ আৰু দুজনা
ওপৰে চান্দোৱা তৰে।
নবীৰ বৰ বেটাক খিলাফত দিওঁতে
জামাতে আমিন ধৰে॥
নবীৰ বৰ বেটাক জামাতৰ চাহেবে
পীড়ৰ খুলি গল ভাই।

নবীৰ বৰ বেটাক খিলাফত দিওঁতে
বেটা মেখ্‌ৰাজ ( মেৰাজ ) পায়।
বেটা মেখ্‌ৰাজ পীড়ৰ নিচানি
বখছিলে আল্লাই
তেকাৰ হাতত ধৰি চাহেৰ আৰু নবী
আল্লাৰ বিহিস্তলৈ (?) যায়॥

## গুৰু চৰিত ( ৩-ক )

শৰাগুলি চাপৰি দিখৌ নৈৰ কাষৰি
বজাই সজাই দিলে মঠ।
চাকুৰি ফকিৰে লয় আল্লাৰ নাম
মাস্থৰি বনৰে কঠ॥
চাহেৰ যায় আগত ভকত যায় পাচত
সোণাৰী ( সোণাই ? ) পাৰত ঘৰ।
তিন দিনৰ আগতে মুৰ্‌গে চেতালে
দিলতো পাইলে খবৰ॥
মাঘমহীয়া শনিবাৰৰ দিনা
ৰাতি চাৰি ভাঁড় যায়।
পুত্ৰ পৰিয়ালত দিলে সন্নিধান
চাহেৰ নিজ ঘৰে যায়
কান্দিব ধৰিছে দুজনা আইয়ে
চাহেবৰ দুপাৰত ধৰি।
ক'লৈ গুচি যোৱা শিৰৰে চাহেৰ ঐ
আমাকে বিধৱা কৰি॥

হুজনা ডেকাই কান্দিব ধৰিলে
চাহেবৰ হুকাষে বহি ।
কলৈ গুচি যোৱা শিৰৰে চাহেব ঐ
দলনিতে পোনা মেলি ॥
মাকে কোঠাহি (?) ঘিলা বাটি লগে
আৰু চন্দনৰে ফোট ।
গা'কো ধুৱালে চোৰঁৰো ধুলালে
চালেহি জামাতী লোক ॥
ভাটিৰ পৰা আহিল বৰ ডেকা
চাহেবৰ কাষতে বহিল ।
ফুলাম বৰ কাপোৰ গাতে মেলি দিলে
কালতকৈ জেউতি চৰিল ॥
উজায়ে আহিল আজানৰে বেটা
চাহেবক বিলাপ কৰি ।
হুনিয়াত আছিলে আজানৰে বেটা
নিলে আজৰাইলে ধৰি ॥
মছজিদত তুলি লৈ বয়ত লগালে
সকলো জামাতে গায় ।
আজৰাইলে জিবৰাইলে চাহেবক লৈ যায়
লগতো সাৰথি নাই ॥
চাহেবো হৰালে ভকতে জানিলে
মাথাৰো গুচালে পাগ ॥
কলৈ গুচি যোৱা শিৰৰে চাহেব ঐ
কপালত নাইকিয়া ভাগ ॥
হাতৰে গুৱনী বেবাবৰ টোকাৰী
মুখৰে গুৱনী দাঁত ।
সমাজৰ গুৱনী শিৰৰে চাহেবঁ ঐ
লগাইছিল অমাতৰ মাত ॥

ৰাতি জিলিকিল সৰগৰে তৰা
দিনত জিলিকিল বেলি।
স্থনীয়াত জিলিকলি আজানৰে বেটা
আজৰাইলে লৈ গ'ল তুলি।
চাহেবো হৰালে ভকতে জানিলে
ৰাইজৰ হাল থটি হ'ল।
কলৈ গুচি যোৱা শিৱৰে চাহেব ঐ
নিচিন্তা পুৰলৈ গ'ল॥
ভটিয়াই আহিলে মুনিয়া দায়নে
খিলাধাৰী চাহেবৰ (চাবৰ ?) মনে।
কলীয়াবৰৰে বজাৰ খাৰ ঘৰ
চাহেৰে এই বিলাপ কৰে॥

## শুক চৰিত (ঙ-খ)—পাঠান্তৰ

চাহেব যায় আগত ভকত যায় পাচত
সোণাই নৈৰ পাৰতে ঘৰ।
হুমাহৰ আগতে শিৱৰ চাহেবে
তনতো পালে খবৰ॥
শনিবাৰৰ বেলিয়া ছপৰ চাই উ'ড়িয়া
চাহেব নবীয়া পৰে।
জাঁজীত আছিলে বৰ জন ডেকা
তেওঁলৈ বতৰা দিলে॥
জাঁজীৰ পুৰা আহি বৰ জনা ডেকা
চাহেবৰ কাষতে বহে।

স্থিৰ ধৰিলে যৰ জন ডেকাই
চাহেবৰ মুখলৈ চাই
"তুমি যে ওলালা নিজৰে দেশলৈ
আমাক কৰি গ'লা কি ?"
কুকুৰ বাৰৰ বেলিয়া তুপৰ চাই উড়িয়া
চাহেব ঢুকাল বুলি ওলাল ।
চাহেব ঢুকালে জামাতে জানিলে
বাইজৰ হাল খটি হল ॥
গোন্ধে গাথিয়নে ঘিলা বাটি লৈ
চাহেবৰ ধুৱালে গা ।
ফুল্যাম বৰে কাপোৰ গাতে মেলি দিলে
চাহেব মোৰ বিহিস্তে গ'ল ।
ৰাইজে ভকতে শুক মোছাফিৰে
মচিদৰ কাষতে থলে ॥
হাজোৰে মোকামত উৰুমি লাগিছে
চিগিল কামায়নৰ জৰি ।
হিন্দুৱে বিলালে মাহে পৰসাদে
মুছলমানে বিলালে কটি ।

# জাৰী

## খোদেজা বিবিৰ গৰ্ভধাৰণ

তিনি পৰ গৈছিলে, এপৰ আছিলে, হায় ৰে হায়।
সেইখিনি সময়ত সপোন দেখিলে ॥
বিবি আই খোদেজা উঠিয়ে বহিলে।
কি সপোন দেখিলো মযে অ' আল্লা ॥
সপোনৰ বাতৰি কমে কাৰে আগে।
কোৰাণীৰ আগে কলো হেত্তেন যদি।
ইয়াৰো ফাতিহা দিব নোৱাৰো।
মোল্লাৰ আগে কলোহেত্তেন যদি
ইয়াৰো ফাতিহা দিব নোৱাৰো।
আপোনাৰ বাবাজীক নজনাও মানে ॥
ইয়াৰো ফাতিহা দিব নোৱাৰো।
মোল্লাৰ আগে কলোহেত্তেন যদি।
ইয়াৰো ফাতিহা দিব নোৱাৰো ॥
জালিকটা বেৰতে টোকৰ মাৰিলে।
কোন কহৰত যোৱাই এনে কথা কৰে।
সেই খিনি পৰতে বিবি মাত লগালে।
মইহে মাৰিলো খুলিহে বৰাজী ॥
তিনি পৰ গৈছিলে এপৰ আছিলে
সেইখিনি পৰতে সপোন দেখিলো ॥
সপোনৰ বাতৰি কমে কাৰে আগে।
আপোনাৰ বাবাজীক কব নেপাওঁ মানে ॥
কোৰাণীৰ আগে কলো হেত্তেন যদি।
ইয়াৰো ফাতিহা দিব নোৱাৰো।

মোল্লাৰ আগে কলো হেতেন যদি।
ইয়াৰো ফাতিহা দিব নোৱাৰো।
পাহলোৱানীৰ আগে কলো হেতেন যদি
ইয়াৰো ফাতিহা দিব নোৱাৰো।
চান্দে পুকয়ে মেক তুকহিলে (?)
আচমানৰ তুই তৰা নামি আহিলে।
নামি তুই তৰা মাথাতে ৰহিলে
মাথাৰ পৰা নামি ডিঙিতে ৰহিলে॥
ডিঙিৰ পৰা নামি বুকতে ৰহিলে
বুকৰ পৰা নামি চিকম্ ভৰিলে॥ হায়ৰে হায়॥

## বিবি ফাতিমাৰ জন্ম আৰু নামাকৰণ

ঘোষা—আল্লাৰ নামে নবীৰ নাম
লোৱাহে মোমিন
লোৱা নাম ৰছুলৰ আল্লা (ও) আল্লা॥

হজৰতৰ ঘৰে বিবি পয়দা হল।
মোল্লাক জনাবলৈ যোৱা।
সোণৰ বটা ভৰি লং-চুফাৰি
ৰূপৰ বটা ভৰি পাণ,
তোমাকে বোলো মোল্লাৰে আখুন
তই খা মোৰ বটাৰ পাণ।
হজৰতৰ ঘৰে বিবি পয়দা হ'ল
কোৰাণ মেলি নাম চোৱা।
সেইকথা শুনি মোল্লাৰে আখুন
অজু কৰিবলৈ গলে।

তচবিহ পঢ়ি মোল্লাৰে আপুন
কোৰাণ হাতে কৰি ললে ॥
কোৰাণৰ মাজে চাই ভাল পালে
জান বিবি ফাতিমা নাম।
মাকৰ নাম বিবি খোদেজা
জীয়েকৰ ফাতিমা নাম ॥
কোৰাণৰ মাজে নিয়ত পালে
আলিহে বিবিৰ দামাদ
ঐ আল্লা আল্লা।

ধোৱা– ছাহেবে আলি মৰ্তোজা।
ফাতিমা জগতৰ আই হে।।

ৰছুল গৈছিলে খোদাৰ দৰগাহে
পাচতে পয়দাইছ হয়।
কলহৰ পানী কমে চাৰি আঙুল
কাৰ ঘৰৰ জোৱানা জী॥
কৰলৈ ধৰিলে আই বিবি ফাতিমাই
হজৰতৰ মুখলৈ চাই।
তোমাৰে মহলত গুলাইছে সোমাইছে
তোমাৰে ফৰজন্দ জী।
হজৰতৰ ঘৰৰ জোৱান মইনা
থাকে শাকে-ৰুটি খায়।
হুজৰতৰ ঘৰৰ জোৱান মইনা
ৰাখিবৰ যুগুতি নাই॥

কৰলৈ ধৰিলে হজৰতৰ বছুলে
খোদেজাৰ মুখলৈ চাই।
কাইলৈ পুৱা যাকে দেখা পাম
তাকেই বধ্ছিম জী॥
লালি লালি কৰি বতাহ বলিছিলে
পৰিলগৈ আলিৰ কাণত।
ফজৰৰ ৱক্ততে হজৰত বছুলে
অজু কৰিবলৈ যায়।
ফজৰৰ ৱক্ততে অজু কৰোতে
নঙলাত দেখিলে বাঘ।
কৰলৈ ধৰিলে হজৰত বছুলে
আলিৰে মুখলৈ চাই॥
মোৰ মন বুজি আহ তই আলি বাঘ
নঙলাত চেৰেলি পাই॥
কান্দিব ধৰিলে খোদেজা বিবিয়ে
হজৰতৰ মুখলৈ চাই।
আবৰ চহৰতে জোঁৱাই নেপালা
পালাগৈ বাঘে জোঁৱাই।
মাকতকৈ জীয়েক বুজক্ষগ
মেলি কালে কোৰাণ চায়।
কৰলৈ ধৰিলে আই বিবি ফাতিমাই
মাকৰ মুখলৈ চাই।
দিয়ক আই দিয়ক বাঘকে বধছি
ববাৰ ফুল ভাবক্তে যায়।
কান্দিব ধৰিলে খোদেজা বিবিয়ে
ফাতিমাৰ মুখলৈ চাই।
বাঘৰ বোৰোকাই পিঠিত পেলাই লৈ
জঙ্গল পাই পেলাব খাই॥

কবলৈ ধৰিলে খোদেজা বিবিয়ে
আলিৰে মুখলৈ চাই।
ক'তে ঘৰ তোৰ ক'তে বাৰী তোৰ
কাৰে আওলাদ নাতি।
কবলৈ ধৰিলে হজৰত আলিয়ে
খোদেজাৰ মুখলৈ চাই।
জঙ্গলেই ঘৰ মোৰ জঙ্গলেই বাৰী
জঙ্গলেই আওলা তাতী
এই খিনিৰ পৰা নিম পিঠিত পেলাই
জঙ্গল পাই পেলামে খাই।
কবলৈ ধৰিলে বিবি ফাতিমাই
মাকৰ মুখলৈ চাই
কাপোৰৰ আগতে সৰিয়হ বান্ধি
তাকে মই চটিয়াই যাম।
বাঘৰ বোবোকাই পিঠিতে পেলাই
জঙ্গলে জঙ্গলে যাই।
যাওঁতে ফাতিমাই সৰিয়হ মুঠি
চটিয়াই চটিয়াই যায়॥
সৰিয়হ গজিলে হলে হুপতীয়া
মাকলৈ যোগালে চালাম।
ঘৰনো কি চাবা বাৰীনো কি চাবা
কি চাবা আওলা তাতী॥

# হায়দৰ গাজীৰ গীত

হায় হায়ৰে আলি দখিণকে যায়।
দখিণকে যায় আলি গৃহবাস কৰায়॥
ভাত-কাপোৰ অন্ন বস্ত্র দিব পাৰা তুমি।
এটা নহয় চাইটা কৰা বাধা নিদিও আমি॥
চহিছে শুনিয়া ঘোৰা কৰিল তৈয়াৰ।
জিনো বান্ধি দিলা ঐ ঘোৰাৰ ওপৰ॥
বিচমিল্লা বুলিয়া আলি ঘোৰাত উঠিলা।
চাবুকৰ তিনি চাটি ঘোৰাক মাৰিলা॥
চাবুকৰ তিনি চাটি ঘোৰাই আছিল খাই।
আকাশে পাতালে ঘোৰা হাৱা কৰি যায়॥
গিৰ্‌গিৰ্‌ শবদে আলি ভূমিত পৰিলা।
কোনবা বীৰ আহিল বুলি বিবিয়ে জানিলা॥
কোন চহৰে থাকা তুমি, কোন চহৰে ঘৰ।
বুকৰ ওপৰে দেখো কামান ( নিচান ? ) তিলকৰ॥
মদিনাতে থাকো মই মোৰ নাম আলি।
বিয়া কৰাবা আহিছো মই তুমি কইনাক পালি॥
এইনো কথা শুনি বিবি বোলে হায় হায়।
অতদিনে আছো আমি তোমালৈ বাট চাই॥
মই হাৰিলে আলি হম তোমাৰ বান্দী।
তুমি হাৰিলে হব লাগ্‌ব আমাৰ লামকাৰ (?) নৌকৰ॥
এইনো কথা শুনি বিবি যুঞ্জিবে লাগিলা।
শাল-তাল, বৃক্ষ-মূল উঘালি পৰিলা॥
বিমানতে ঘূৰে বিবি মাৰি দিলে পাক।
বিমানতে ঘূৰে আলি কুমাৰৰে চাক॥
বিমানতে ঘূৰে আলি কৰে হায় হায়।
তিৰীৰ হাতত লজ্জা দিলি নচীব খোদাই॥

আয়তে কোৰাণ পঢ়ি আলি আকউ গলা।
পাঁচ ৰক্ত নামাজ আলি সেই ঠাই পঢ়িলা॥
পাচ ৰক্ত নামাজ আলি সেই ঠাই পঢ়িলা।
আলিৰ নামাজ আল্লাই কবুল কৰিলা॥
সেই বেলা আল্লাই জানো জিব্ৰীল পাচিলা।
আলিৰ কাষক লাগি জিব্ৰীল চলিলা॥
বিমানতে ধৰি বিবিক মাৰি দিলে টান।
বিমানতে কয় বিবি মোকে ৰাখ ৰাখ॥
বিমানতে ঘূৰে বিবি, বোলে ৰাখ ৰাখ।
তুমি হৈবা টিকৰ স্বামী, আমি হ'ম দাস॥
ধৰি বোলে আলি চাহেব, বিয়াৰ তামোল খাওঁ।
বিয়াক ( পাতি ) তুমি জানো সিধা পাতি দেও॥
কছাৰীক দিলা কুচিয়া, বঙ্গালক গাই।
মৰীয়াক দিলা হাঁহ মুৰ্গী মোটোকাই খায়॥
পাকে চক্রে এটা ৰল মুছলমান।
মাটি মাহে মুৰ্গী চৰায়ে তাৰে সিধা টান॥
ধৰ বোলো আলি চাহেব, লৈয়া তামোল খাওঁ।
পিতাৰ দিনৰ ধেনু আছে ভাঙ্গিয়া দেখাও॥
বিচ্‌মিল্লা বুলি আলি ধেনুত দিলে বল।
পৃথিবী হইতে ( সৈতে ? ) ধেনু কৰে তল বল॥
বিচমিল্লা বুলি আলি ধেনুত দিলে মুঠি।
পৃথিবী হইতে ধেনু তেনেই আছে উঠি॥
আয়তে কোৰাণ আলি এবাৰ পঢ়ি চালা।
পাঁচ ৰক্ত নামাজ আলি সেই ঠাইতে পঢ়িলা॥
পাঁচ ৰক্ত নামাজ আলি সেই ঠাইতে পঢ়িলা।
আলিৰ নামাজ আল্লা কবুল কৰিলা॥
সেই বেলা আলি চাহেব ধেনুত দিবা হাত।
ছৱাৰ গ'ল মেলা যেন হাতীৰ ভাগিল দাঁত॥

## হায়দৰ গাজীৰ গীত

খায়া দায়া হায়দৰ গাজী
মুখত দিলা হুকা।
ৰজাৰ ঘৰৰ পৰণা আইছি
মনে লাগিল ঢোকা ॥
অ'ৰে কি হইল নাগৰ হায়দৰ গাজী ॥
অ'ৰে মাও, নামত তোক
লক্ষ চালাম কৰো।
ৰজাৰ ঘৰৰ পৰণা আইছি
বৰ ভাইক যাবা বোলো ॥
আৰ মাও নামে আল্লাৰ
দুই চৰণে ধৰো।
ৰজাৰ ঘৰৰ পৰণা আইছি
বৰ ভাইক যাবা বোলো ॥
যি বোল খুলিলি হায়দৰ গাজী
শুনিলো কাণে, নধৰিলে মনে।
ৰজাৰ ঘৰৰ পৰণা আইছি
বৰ ভাই যাব কেনে?
মায়েকৰ মুখত শুনিলা হায়দৰ গাজী
নিঠুৰ বচন।
হিয়াই ভুকু দিয়া গাজী
কৰিলা ক্ৰন্দন ॥
খায়া দায়া হায়দৰ গাজী
মুখত দিলা চুণ।
ৰজাৰ ঘৰৰ পৰণা আইছি
কাণ পাতি শুন ॥

আৰ বাপ বোলো তোক
লক্ষ চালাম কৰো।
বজাৰ ঘৰৰ পৰণা আইছি
বৰ ভাই যাবা বোলো॥
যি বোল বুলিলি গাজী
শুনিলে কানে।
বজাৰ ঘৰৰ পৰশা আইছি
বৰ ভাই যাব কেনে।
বাপেকৰ মুখত শুনিলা গাজী
নিঠুৰ বচন।
হিয়াই ভুকু দিয়া গাজী
জুৰিলা ক্ৰন্দন॥
খায়া দায়া হায়দৰ গাজী
মুখত দিলে গুৱা।
বজাৰ ঘৰৰ পৰণা আইছি
যাব লাগিব পুৱা॥

হায়ৰে হায়,
কাচিম ৰণে যায়।

ধুলাত—বাগৰি পাৰে কাইনিলিৰ (কান্দিলিৰে) মাও
কাচিম কাচিম বুলি ডাকেনো হুছেনে।
কি কৰা কাছিম বেটা আহা এই ঠাই॥
ইনো কথা শুনি কাচিম মাৱৰ কাষে যায়॥
ঢাল দিয়া তৰোৱাল দিয়া ৰণক লাগি যাও।
এজিদ কাফিৰৰ সঙ্গে ৰণ কৰি চাওঁ॥

ঢাল-তৰোৱাল আছে বাচা কুফাৰ চহৰে।
কৰ পৰা ঢাল গুৰ্জ্জ আনি দিম তোৰে॥
নেজা বন্দুক আছে মাও কুফাৰ চহৰে।
ঢাল-তৰোৱাল আছে মাও মন্দিৰ (?) ভিতৰে।
জননী মাও তুমি ভাড়িলা কেমনে।
নেজা দিয়া, বন্দুক দিয়া, যাও মই ৰণে॥
ঢাল দিয়া তৰোৱাল দিয়া ৰণক লাগি যাও।
এজিদ কুফৰৰ সতে ৰণ কৰি চাওঁ॥

## হায়দৰ গাজীৰ গীত

কান্দিলি মাও, ইটো জোৰাই,
ৰহিতে নাপাইলি ঘৰে।
কান্দে যে বিবি জোৰ দোলা চাই,
কি দিলা মোৰ চৈয়দ ৰণে ভুলাই।
কান্দে যে বিবি, জোলফোকাৰ চাই
কি দিলা মোৰ চৈয়দ ৰণে ভুলাই।
কান্দে যে বিবি নেজা গুৰ্জ্জ চাই,
কি দিলা মোৰ চৈয়দ ৰণে ভুলাই।

ঘোষা—অ' মেৰে, অ' দেৰে চৈয়দক মাৰি আন।

কপালৰ সেন্দুৰ তাৰ বিবিক মাৰি আন।
কাণৰে কুণ্ডল তাৰ বিবিক মাৰি আন॥
গলৰে হেমহাৰ তাৰ বিবিক মাৰি আন।
হাতৰে আঙঠি তাৰ বিবিক মাৰি আন॥

কঁকালৰ ঘুঙুৰ তাৰ বিবিক মাৰি আন।
ভৰিৰে নূপুৰ তাৰ বিবিক মাৰি আন॥

অ' মেৰে হায়ৰে মেৰে চৈয়দ জাদী।
কাণৰে কুণ্ডল পিন্ধে বিবি ৰসৰস।
তেওঁৰ স্বামী আধা বলিয়া (?) কুজা দেৰাই (?)
নাকৰে নহুন পিন্ধে বিবি ৰসৰস (?)
ৰৰ ৰৰ ঘোৰাৰ বৰ বৰ পেট
যুঁজত কৰে মাথা হেট।
আমি যাব কুল হিন্দুস্থান
কুজা দি বৈৰা গাঁৱে
চৈয়দ ৰণ জিতি যায়॥

চখিনা বিবি কান্দে হায়,
আল্লা কি জালিম হইল।
বিয়া কৰাই স্বামী আমাৰ
ৰণকে চলিল॥
শিৰৰে চেহেৰা আমাৰ
শিৰতে ৰহিল।
ভিন দেশে যায় স্বামী
পৰাণ হৰাইল॥
চ'তৰে মাহতে হায়
পকিয়া সৰিল বেল।
হেৰ সময়ত টিকৰ স্বামী
ৰণক লাগি গেল॥

আক জৈটৰ মাহত যেন
সাগৰে উতলে।
হেন সময়ত টিকৰ স্বামী
ৰণক লাগি গৈলে॥
হায় মোৰ আল্লা চাহেব আল্লা
অত দুখ দিলে নিৰঞ্জন।
কাচিম কাচিম বুলি
ডাকেনো হুচেন আলি,
চাচা জান চলিল চাড়িয়া।
কাচিম হাচিম দেখি
মুখে মন্দ মন্দ হাসি
ভক্তিভাক কৰে নমস্কাৰ।
দেখিয়া ভাইৰ মুখ
মন্দ মন্দ হাঁহে মুখে
ফাতিমা বিবি গৈল চলিয়া।
কত্ বান্নু জহৰ দিলে মোৰে
কিছু দোষ নধৰিবি তাৰে।
আমি দুয়ো ভাই আছিলো
কুড়ি মাহৰ হালি।
আল্লাই মাৰিয়া নিলা
বুকু কৰিলা খালি॥

## এজিদৰ লগত হজৰত হুচেনৰ যুদ্ধৰ প্ৰাথমিক প্ৰস্তুতি—

ঘোষা—হায় হায় নচিবে।
যি কৰে খোদাইবে ॥

চহৰবানু বিবিকে বাঁৰী নকৰো মানে
নেখাওঁ ভাতে পানী—যি কৰে খোদাইবে।
সেই বুলি এজিদে এইনো চোখন্ খাল
ওলাই যাওঁ মহিমে—যি কৰে খোদাইবে ॥
সেই বুলি এজিদে কমৰত বান্ধিলে
ঢালে-তৰোৱালে—যি কৰে খোদাইবে।
হাতে জোলফোকাৰ লৈ ময়দানে চলিয়া যায়
হুল হুলত চাৱাৰ হৈ যি কৰে খোদাইবে।
ওলাই এজিদে এইনো হাক মাৰিলে,
মদিনা চহৰত আৰু কোন আছে ॥
এজিদে মাৰিলে হাক চৈয়দে শুনিলে
ভাল নহয় চৈয়দে ইয়াতে থাকিলে।
চহৰবানু বিবিয়ে বুজাৰ ধৰিলে
তোমাৰ বৰ ভাইক এজিদে মাৰিলে ॥
এজিদে মকৰ কৰি জহৰ যে ঢালিলে
তুমি কি কৰিবা অকলে অকলে।
সেই বেলা চৈয়দে ৰছুলৰ ওচৰে যায়
খোচাৰ (?) মেলিয়া চাই, লহৰ নিচানা পায়
হায় হায় নচিবে
যি কৰে খোদাইবে ॥

## হজৰত হুছেনৰ যুদ্ধলৈ যোৱাৰ প্ৰস্তুতি

মোৰ ববা মোস্তফা চাহেব চালামে
এই বেলি হুছেনক ৰাখ ঔ আল্লা।
বান্দীৰ বাছা এজিদ কুফৰে
খায় মোৰ ববাৰে ৰাজ॥
বান্দীৰ বাছা এজিদ কুফৰে
মোৰ লগত মাগে লেড়াই।
ছমহীয়া চাঁদ মোৰ হুছেন,
নেজানে মহিমৰ ভাও॥
তওঁবাহ খালো মই, তহকিক্ খালো,
মোক নেবাধিবা মাও।
ববাজীৰ দিনৰে তেগে তৰোৱাল,
তাকে লৈ লেড়াইলৈ যাম॥
ববাজীৰ দিনৰে দুল্দুল্ ঘোৰা
তাকে লৈ ৰণলৈ যাম।
মাওৰে বচন, নললে হুছেন,
নললে বিবিৰ বচন॥
গোচল কৰোতে কোৱাই ৰতিলে,
নেযাবা কুফাৰ চহৰ।
অজু কৰোতে লোটা ফুটিলে,
নেযাবা কুফাৰ চহৰ॥
নামাজ পঢ়োতে পাটি ছিগিলে
মোৰ ববাই নেযাবা ৰণ।
খানা খাওঁতে বেড়াও খহিলে
নেযাবা মোৰ ববাই ৰণ॥
মাৱৰো বচন নললা হুছেন,
নললে বিবিৰ বচন॥

ঘোৰা শালতে মোৰ ঘোৰা কালু
লগালে নিজ মুখে মাত।
ববাৰে লগতে যি ঘোৰা যাবি
খাবি লাখে টকাৰ ভাগ॥
বৰ বৰ ঘোৰাই মাতকে লগাই
কালুৱে মুখলৈ চাই।
ববাৰে লগতে নোৱাৰো যাব
নেখাও লাখে টকাৰ ভাগ॥
লেৰেলা চেপেটা নেগুৰ খিচ্ লগা
সেই ঘোৰাই লগালে মাত।
ধুৱাই পখলাই লব পাৰিলে
মই তোৰ পূৰাই দিম দাদ।
ধুৱাই পখলাই লেজেৰা ঘোৰা
যেনে পূৰ্ণিমাৰে চাঁদ।
পালৰ ঘাঁহ এমুঠি খোজোতে কালু
মাৰিছিল চাবুকৰ চাত॥
বাপেৰ মৰাৰ পৰা বিচাৰ নললি
আলীয়ে মেলাইছিল মোক।
চাৰিটি ভৰিতে চাৰিটি গজাল,
আল্লাই মাৰি থৈছে মোক॥
বিচ্‌মিল্লা বুলি ঘোৰাত উঠিলে
মাৰিলে চাবুকৰ চাত।
আস্মানেই গললে পাতালেই গল,
পৰিলগৈ দোচেকৰ তাত॥
জালিম কুফৰে আবৰি ধৰিলে
উম্মতৰ ইমাম চাহেবক॥
সাদিন সাত ৰাতি কাফিৰক কাটে
কাফিৰৰ নপৰিল ওৰ॥

তোকে বুলি যাওঁ ছুল ছুল ভাই,
পিয়াহত কণ্ঠ শুকাল।
ৰবাজীৰ দিনৰে আছে পাট-নাদ
ভালৈকে ছুল্ ছুল যায়।
পাৰৰ পৰা নামিল কুঁৱালৈ
মকৰাই চাটিলে জালে।
মকৰাই চাটে, বাঁহ পাতে ঢাকে
কোকলোঙাই দেখুৱাই দিয়ে॥
সেই কোকলোঙা যিটে নেমাৰে
পুত্ৰ বধ কৰিব পায়।
সেই কোকলোঙা যিটে নবধে
পিতৃ বধ কৰিব পায় ঐ,আল্লা॥

## কাৰবালাৰ ৰণ

ঘোষা—চেনেহৰ চৈয়দ, যুঁজৰ ছহীদ
হায়ৰে হায়।

হাচেন হুছেন দুভাই,
কান্দিছে বিনাই,
আৰম্ভত লাগিল গোলমাল।
হাচেনে পিন্ধিব
পাগৰৰ জামা;
হুচেনে পিন্ধিব লাল॥
বেৰ কাটি হুচেন
বাজৰৈ ওলাল
বুকত আছে পাৰা লৈ।

বান্দীৰ বেটা
এজিদ কুফৰে
সিও খায় মোৰ ৰবাৰ বাজ ॥

ক'ৰ ধৰিলে
হুচেন চাহেবে
মাকৰ মুখলৈ চাই
বান্দীৰ বেটা
বেদীন কাফিৰে
সিও মোক মাগে লেড়াই।

ভাত ৰান্ধি দিয়া
খাও মই আই
পানী আনি দিয়া খাওঁ।
কুফাৰে লেড়াই
ছমহীয়া চান্দ
নাপাওঁ মহিমৰে ভাও।

অজু কৰোতে
মাকে বাখিলে
নেযাবা কুফাৰ চহৰ।
তওবাহ্ খালো মই
তহকিক খালো
মোক নেবাখিবা মাও ॥

জামা পিন্ধোতে
মাকে বাখিলে
নেযাবা কুফাৰ চহৰ
আমৈ টিপিবা মই
হাতত ললো
মোক নেবাখিবা মাও ॥

কুফাৰ চহৰত
ওকা নাইকিয়া
ওকা বৰ হাবাম খোৰ (?)

কুফাৰ চহৰত
ওকা নাইকিয়া
বৰশিল বগৰাই মাৰে।

কৰ ধৰিলে
ছুছেন চাহেবে
মোক নেৰাধিবা মাও ॥

মায়ে বচন
নললা ছুছেন
নললা বিবিৰ বচন
বিচ মিল্লাহ বুলি
ছুলছুলত উঠি
মাকলৈ চালাম যোগায় ॥

বিচ্ মিল্লাহ বুলি
ছুল ছুলত উঠি
লগালে চাবুকৰ চাট।

আকাশেই গললে
পাতালেই গ'ল
গলেগৈ সাদিনৰ বাট ॥

ঘোৰাত উঠিলে
ছুল্ ছুলে নিলে
পৰিলগৈ জোচেকৰ ঘৰত।

জোচেকৰ বগৰিত
ছুল ছুল বান্ধি
সোমাল গৈ জোচেকৰ মহল ॥

দোচ দোচ বুলি
দোচেকক মাস্তে
তেওঁ দোচে নলগায় মাত।
দোচেকৰ পিতেকে
কলেহি তাৰৈ
ৰবাজীৰ ভাৰী বেমাৰ।
দোচ্ দোচ বুলি
দোচেকক মাতে
তেও দোচে নলগায় মাত।
দোচেকৰ পিতেকে
কলেহি তাৰৈ
দোচেকৰ মৱত মিলিল॥
হায় ৰে ভায়া
তুমি চলিলা
আমাক চুপিলা কাৰ হাত
হায় ৰে ভায়া
ৰছুলৰ নাতি
ময়তক ( মোৰদাক ? ) নথবা ৰাখি।
তাবুতৰ ( তাবিজৰ ? ) ওপৰ
দফন কৰৰ
বিহিস্তে নিলে জিব্ৰীল॥
কান্দিব ধৰিলে
দোচেকৰ পুতেকে
তাৰৈৰে মুখলৈ চাই।
চাৰবানৰ ছুলি
কীৰবালৰ ধুলি
মিহলি কৈলে খোদায়॥

কান্দিব ধৰিলে
মদিনাৰ বিবি
মোৰ চৈয়দ ৰণলৈ যায়।
সাদিন সাত ৰাতি
মহিম কৰিলে
লগতো ইয়াৰি নাই ॥
বিচ্‌মিল্লাহ বুলি
ছুল ছুলত উঠি
লগালে চাবুকৰ চাট।
আকাশেই গললে
পাতালেই গল
গলগৈ সাদিনৰ বাট ॥
সাদিন সাত ৰাতি
মহিম কৰিলে
লগতো ইয়াৰ নাই।
সাত দিন সাত ৰাতি
কাফিৰক কাটে
কাৰে বন পাতে খাই।
সাত দিন সাত ৰাতি
কাফিৰক কাটে
কুফৰৰ নমৰিল অধ।
সাত দিন সাত ৰাতি
কুফৰক কাটে
লহতে ছুল ছুল বাগৰে।
একোতে তৰণি
নেপাই বুৰেহে
পৰিল গৈ জোবাজৰ মাজ ॥

## জাৰী বা বিলনি

ঘোষা—হায় হায় চোভানাল্লা
জান দিও কাববালা
সাতো হেজাৰ মুৰে
জাৰী কৰে।

ৰণেৰে গৈলা সঙ্গেৰে ছুছেন
হায় হায় ফিৰিয়া নাহিল ঘৰে।
আছে কোৰাণ কিতাপ
পঢ়োতা নাই বাবা
দেখিলে আগুন জ্বলে॥

আছে বাবাৰ দুল দুল
চাৱাৰী নাই বাবা
দেখিলে আগুন জ্বলে॥

আছে জামা টুপী
পিন্ধোতা নাই বাবা
দেখিলে আগুন জ্বলে॥

আছে তেগে—ঢালে
খেলোতা নাই বাবা
দেখিলে আগুন জ্বলে।
আছে খৰম জোৰা
পিন্ধোতা নাই বাবা
দেখিলে আগুন জ্বলে॥

## হুচেনৰ বিচ্ছেদত বিননি

খোৰা—কিনো বাবাৰ কিনো হাল,
চম্পা ফুল যেন দুই গাল
লহুত মিহলি হ'ল
হায় হায়ৰে।

দুল দুল আছে ফিৰি
চাৰবান যায় আগবাঢ়ি
কোৱা দুল দুল চৈয়দৰ খবৰ
হায় হায়ৰে।
মাতিব নেজানে দুল্ দুল
জমিনত মাৰিছে খুৰ
কপালত লহুৰ নিচান
হায় হায়ৰে ॥

তুমি যে আছিলা দুল দুল
চাহেবক চাৰিলা ক'ত
মোৰ চৈয়দ কতে হেৰাল।
হায় তোমাৰ পুতাই
অতি বাঘবাই
খেদি গৈ লগেগৈ ৰণ।
তুমি যে আছিলা জামা
মোৰ চাহেৰ এৰিলা ক'ত
মোৰ চৈয়দ কতে হেৰাল।
তুমি যে আছিলা পাগ
মোৰ চাহেৰ এৰিলা ক'ত
মোৰ চৈয়দ ক'তে হেৰাল।

হায় তোমাৰ পুতাই
অতি বাৰবাই
খেদি গৈ লগেগৈ ৰণ ॥
কত থাকিম কলৈ যাম
ক'ত গলে দেখা পাম
এখানি সাগৰৰ মাজে
হায়ৰে হায়।

ঘোষা—বৈ বাপু, চৈ তৰা
চৈয়দক মাৰিয়া

হুলহুল খালি হ'ল বাপু চৈয়দক মাৰিয়া।
কোৰাণ খালি হ'ল বাপু চৈয়দক মাৰিয়া ॥
জোলকোকাৰ খালি হ'ল বাপু চৈয়দক মাৰিয়া।
খৰম খালি হল বাপু চৈয়দক মাৰিয়া ॥
মচুলা খালি হল বাপু চৈয়দক মাৰিয়া।
পাগুৰি খালি হল বাপু চৈয়দক মাৰিয়া ॥
খঞ্জৰ খালি হল বাপু চৈয়দক মাৰিয়া।
হমছেৰ খালি হল বাপু চৈয়দক মাৰিয়া ॥
বন্দুক খালি হল বাপু চৈয়দক মাৰিয়া।
দুনিয়াৰ চেৰাগ নুমাল বাপু চৈয়দক মাৰিয়া ॥

## ॥ কেইটিমান জিকিৰৰ শব্দাৰ্থ আৰু ভাৱাৰ্থ ॥

ঘোষা—ৰহমৰ গিৰিহত তুমি আল্লা চাহেৰ ঐ,
যদি কৰা দৰীয়াৰ পাৰ ॥

শব্দাৰ্থঃ ৰহম—দয়া, কৰুণা।

চাহেৰ—গৰাকী, প্ৰভু, নিয়ন্তা।

দৰীয়া—সাগৰ, নদী, ভৱসাগৰ।

ভাৱাৰ্থঃ এইটো এটা প্ৰাৰ্থনা গীতৰ ঘোষা। ভৱসিন্ধু পাৰ হবৰ কাৰণে কেৱল মোমিন বা ভকতৰ ধৰ্মকৰ্মই যথেষ্ট নহয়। তাৰবাবে আল্লা বা বিধাতাৰ কৰুণাৰ আৱশ্যক। ইছলাম ধৰ্মত সন্যাস নিষিদ্ধ। মানৱ জীৱনৰ সংগ্ৰাম-সংঘাতক স্বীকাৰ কৰি লৈ মানুহে সংসাৰী জীৱন নিৰ্বাহ কৰিব লাগে, কিন্তু তেনে কৰোতে স্ৰষ্টা বা বিধাতাৰ কথা ক্ষন্তেকৰ কাৰণেও পাহৰি থাকিব নেলাগে।

পদ— চিন্তো হেৰা মোৰ মন
আল্লাৰ নামত,
ভজো হেৰা মোৰ মন
গুৰুৰ পাৱত।

গুৰুৰ ওচৰত তত্ত্বকথাৰ শিক্ষা-দীক্ষা লৈ, গুৰুৰ নিৰ্দেশ আৰু উপদেশ মতে আল্লাৰ নাম চিন্তা কৰা, যিজন প্ৰকৃত মোমিন বা ঈমানদাৰ বা একনিষ্ঠ ঈশ্বৰ বিশ্বাসী, তেওঁ তেওঁৰ অন্তৰৰ মাজতেই পৰম সত্যৰ অস্তিত্বৰ সন্ধান পাব পাৰে। পানীয়ে মানুহৰ তৃষ্ণা নিবাৰণ কৰে, জুয়ে মানুহক শীতৰপৰা ৰক্ষা কৰে। যি সৃষ্টিতত্ত্ব বা ভগৱদতত্ত্ব উপলব্ধি কৰিবলৈ বিচাৰে, তেওঁ আত্ম-উপলব্ধিৰ সাধনা কৰিব লাগে। ভক্তৰ অন্তৰতে ভগৱান থাকে, এজন মোমিন বা ধৰ্মত অগাঢ় বিশ্বাস থকা লোকৰ অন্তৰ-জগততে আল্লাহ আৰু ৰছুলৰ গূঢ় সত্য নিহিত থাকে।

পুণ্যাৰ্থী মোমিন বা ধৰ্মাত্মাসকল মক্কালৈ হজ্জ কৰিবৰ কাৰণে যায়। মক্কাত বয়তোল্লাহ বা আল্লাৰ ঘৰ বা কাবা আছে। এই কাবাতে সমগ্ৰ

পৃথিৱীৰ মুছলমানে হজ কৰিবলৈ যায়। কিন্তু নিজৰ অন্তৰ জগতত আল্লাহ ৰছুলৰ সন্ধান নকৰি বাহিৰত বিচৰা, হজ কৰিবৰ কাৰণে মক্কালৈ গৈ কাবা গৃহৰ ভিতৰ সোসোমাই তাৰ দুৱাৰত তলা মাৰি বাহিৰৰপৰা বন্ধ কৰি যোৱাৰ নিচিনা কথা। মক্কা, ত্ৰিবেণী-সংগমৰ দৰে এক সংগম-ক্ষেত্ৰ য'ত ভক্ত, ভক্তি আৰু ভগবান একেঠাই হয়—মা'বুদ ( পূজ্য ) আৰু আবিবদ ( পূজোতা, দাস ) একেঠাই হয়। এই মক্কা তীৰ্থত সকলৰ, উচ্চ-নীচ সকলোৱেই ভক্তৰূপত প্ৰভুৰ ককণাৰ লাভ কাৰণে সমবেত হয়। এই পুণ্যতীৰ্থত আৰ্জন কৰিব জানোতাজনেই পুণ্য আৰ্জন কৰিব পাৰে। পুণ্যৰ বেহানি বেহাবৰ কাৰণে ত্ৰিবেণী তীৰ্থক্ষেত্ৰত গোট খালেই নহয়, মায়ামোহৰ বন্ধন ছেদ কৰি পৰমাৰ্থৰ সন্ধান কৰিব জানিব লাগে।

এই মাটিৰ পৃথিৱীয়েই যদিও মানুহৰ জন্মস্থান আৰু বিচৰণ ভূমি বা কৰ্মস্থান, মানুহৰ উৎপত্তিৰ উৎস ঊৰ্দ্ধৰ কোনোবা নক্ষত্ৰলোকহে। আকাশৰ বা নক্ষত্ৰলোকৰ কোনো দূৰণীয়া তৰাহে ( কুটুব—নক্ষত্ৰ বিশেষ, সাধনমাৰ্গৰ এক উচ্চতম স্তৰ বিশেষ ) মাটিৰ মানুহৰ আত্মা-প্ৰাণৰ আদিম ভূমি। সেই ঊৰ্দ্ধৰ অতিজাগতিক নক্ষত্ৰলোকৰপৰা আহি মানুহৰ আত্মাই মানৱ দেহাত আশ্ৰয় লয়হি, কিন্তু সদায় থাকিবৰ কাৰণে নহয়; সজাত সুমুৱাই ৰখা বনৰীয়া চৰাইৰ দৰে কেইদিনমানৰ কাৰণেহে। তাৰ পিছত দেহাৰ মাজত অৱস্থানৰ কালৰ অন্ত পৰিলে, দেহাৰ বন্ধনৰপৰা মুক্ত হৈ মানৱাত্মা পুনৰ নক্ষত্ৰলোকলৈ ধাৱমান হয়। মায়া-মোহ, প্ৰবৃত্তি-প্ৰলোভনৰ সীমা অতিক্ৰম কৰি দেৱলোকলৈ ( আল্যম মলকুত ) ঘূৰি যায়।

মানৱ দেহাৰ মাজত বন্দী হৈ থকা আত্মা, সজাত বন্দী কৰি ৰখা বনৰীয়া চৰাইৰ দৰেই অস্থিৰ; কেতিয়া দেহমুক্ত হৈ আকাশমুখী হ'ব পাৰিব, তাৰেই চেষ্টাত থাকে। আত্মা আৰু দেহাৰপৰা মুক্ত হ'ব পাৰিলেই, দেহাৰ প্ৰতি থকা সকলো প্ৰীতি আকৰ্ষণৰ বন্ধন ছিন্ন কৰি গুচি যায়। প্ৰাণহীন, আত্মাহীন মানৱ দেহা মূল্যহীন এক সাধাৰণ দ্ৰব্য হিচাপে অৱহেলিত হৈ পৰি ৰয়। মানুহৰ মাটিৰ দেহাৰ কোনো

স্থায়ী মূল্য নাই। ইয়াৰ মূল্য কেৱল প্ৰাণ আৰু আত্মাৰ ধাৰক বা আধাৰ হিচাপেহে।

এই জিকিৰৰ মূল ভাবাৰ্থ হ'ল—মানুহৰ নশ্বৰ আৰু ভংগুৰ দেহাৰ মাজতে অবিনশ্বৰ আৰু অপাৰ্থিৱ আত্মাৰ অৱস্থান। সৃষ্টিৰ গূঢ় অৰ্থ আৰু স্বৰূপ উপলব্ধি কৰিব লাগিলে সাধনা, তপস্যা, ধ্যান আৰু অন্তৰ্দৃষ্টিৰে এই আত্মাৰেই সন্ধান কৰিব লাগে। প্ৰকৃত মোমিন বা বিশ্বাসীজনৰ পৰাই সূক্ষ্ম ভগৱদ জ্ঞান লাভ কৰিব পাৰি। লোকাচাৰ আৰু আনুষ্ঠানিক আচাৰ-নীতি পালন কৰিও যি সৃষ্টি-ৰহস্য উদ্‌ঘাটন কৰিব নোৱাৰি, সেই জ্ঞান পৰম বিশ্বাসেৰে আত্মজিজ্ঞাসাৰ যোগে লাভ কৰিব পাৰি। কিন্তু এনে আত্মজ্ঞান লাভ কৰিবৰ কাৰণে আল্লাৰ দয়া আৰু করুণাৰ আৱশ্যক। সংসাৰৰ বৈতৰণী পাৰ হবৰ কাৰণে স্ৰষ্টাৰ অনুগ্ৰহ নহলে নহয়। ইয়াৰ কাৰণেই পথৰ সন্ধান লাভ কৰিবলৈ প্ৰকৃত গুৰুৰূপৰ শিক্ষা-দীক্ষা লাভ কৰিব লাগে আৰু সদাসৰ্বদাই নিজৰ মনক আল্লাৰ চিন্তাত মগ্ন ৰাখিব লাগে। জ্ঞানৰ পথৰ পৰিৱৰ্তে ভক্তিৰ পথহে মুক্তি লাভৰ সহজ পথ।

ঘোষা—হক্ হু এ'—ল' আল্লাৰ নাম—।
হক্ হু এ জিনি আছে জমীনো আস্মান।

**শব্দাৰ্থ ঃ** হক্—সত্য, শাশ্বত, স্বায়সিদ্ধ।

হু—তেওঁ, আল্লাহ, ঈশ্বৰ, ভগৱান।

জমিন—মাটি, পৃথিৱী।

আস্মান—আকাশ।

কলিমা—নাম, স্তুতি।

পাক—পৱিত্ৰ, শুদ্ধ।

**ভাবাৰ্থ ঃ**—সাধনমাৰ্গত বিভিন্ন নাম লোৱাৰ বা জপৰ মন্ত্ৰ ( কলিমা, কজমা ) উচ্চাৰণ কৰাৰ ব্যৱস্থা আছে। ইয়া হক্ ( হে সত্য ), ইয়া হু ( হে সৰ্বময় 'তুমি' ) আদি সহজ জপৰ মন্ত্ৰ। ইয়া হু বা ইয়া আল্লাহ,

-ইয়া হুক্ আদি এই ধৰ্মৰ সকলো মানুহে সকলো সময়তে লৈ থাকিব পৰা জপৰ মন্ত্ৰ বা কল্‌মা। এনে মন্ত্ৰ বা কল্‌মা জপ কৰি থাকিলে অন্তৰজগত উজ্জ্বল হৈ থাকে, সদাসৰ্বদা বিভুনাম স্মৰণ কৰিবলৈ এৰি দিলে অন্তৰৰ জ্যোতি মুমাই যায়। জীৱনত মানুহে পাপ-পুণ্য যি আৰ্জন কৰে, সেই সকলো কৰোতাজনৰ লগতে যায়। বোধ বা পুণ্য বা সদকৰ্মৰ পৰিণাম সৎ হয়, আৰু বদি বা অপকৰ্মৰ পৰিণামো দুঃখদায়ক হয়। পাপে সদায় পুণ্যক গ্ৰাস কৰিবলৈ বিচাৰি ফুৰে, যিদৰে বাঘে গৰু মাৰিবলৈ বিচাৰি ফুৰে। বিধাতাইহে পাপৰ পথৰপৰা মানুহক ঘূৰাই আনিব পাৰে। নৰদেহত সৰ্বতিকাল ক্ষিতি-অপ-তেজ-মৰুৎ-ব্যোমৰ খেলা চলি আছে। আব (পানী), বাদ (বায়ু)-ৰ খেলাৰ ঠাই নৰদেহা। সৃষ্টিৰ গূঢ় তত্ত্ব বুজা যিমান কঠিন, মানৱ দেহাৰ গূঢ়তত্ত্ব, ইয়াৰ প্ৰকৃতি বুজাও সমানে কঠিন। জ্ঞানী বা বুজালোকেহে এইবোৰ ৰহস্য বুজিব পাৰে। জ্ঞানী-জন যদি পথ-প্ৰদৰ্শক হয়, তেন্তে তেওঁ শুদ্ধ পথেৰে আগুৱাই নিব পাৰে। কিন্তু সকলো সময়তে যিজনে আল্লাক স্মৰণ কৰি থাকে, আল্লাৰ নাম লৈ থাকে—তেওঁহে মুক্তিৰ পথ বিচাৰি পায়। জীৱন অস্থায়ী, মৰণ অৱশ্যম্ভাৱী। এই মৰণশীল নৰ-জীৱনক সাৰ্থক কৰিব লাগিলে প্ৰাৰ্থনা, উপাসনা, বন্দেগী, জিকিৰ আদি কৰি সময়ৰ সদ্‌ব্যৱহাৰ কৰিবলৈ শিকিব লাগে। ঈমানৰ বা ধৰ্মবিশ্বাসৰ চাৰিটা মূল কল্‌মা—তৈয়ব, ছাহাদত, তম্‌জিদ আৰু তৌহিদ। এই কল্‌মাৰ যোগে প্ৰধানতঃ এক মেৱাদ্বিতীয়ম নিৰাকাৰ, অনন্ত আৰু সৰ্বনিয়ন্তা আল্লাৰ ওপৰত পূৰ্ণবিশ্বাস আৰু আস্থা ৰাখি, নিৰহংকাৰ, সাত্ত্বিক, সংসাৰী জীৱন যাপন কৰিবলৈ শিকিব লাগে আৰু সকলো সময়তে আল্লাক সুঁৱৰি কল্‌মা লৈ থাকিব লাগে।

ঘোষা—চাহেবে জান, চৈয়দে জাম
আকৌ জানি আজামে জনায় ও আল্লা হেই।

টীকা ঃ- মানুহৰ চৰ্ম চকুৰে আল্লাৰ বিনন্দীয়া সৃষ্টিখনহে দেখা পায়, -সৃষ্টিৰ মাজত স্ৰষ্টাক দেখা নাপায়। মানিক মুকুতা বাহিৰত জিলিকি

নেথাকে। হাতীৰ দাঁতৰ ভিতৰতহে মুকুতা সোমাই থাকে। এই ৰূপে--ৰসে, শব্দই-গন্ধই ভৰা জগতখন এখন মহামূল্যবান মণি-মাণিকৰ বজাৰ-বেহানিৰ ঠাই। কিন্তু এই বজাৰত বেচা-কিনা কৰিবলৈ প্ৰকৃত কিনিব লগা বস্তু চিনি পাব লাগে। তাৰ কাৰণে আকল বা জ্ঞানৰ কৰ্ষণ কৰিব লাগে।

বহুতেই নানা পূজা-প্ৰাৰ্থনা, এবাদত বন্দেগীৰ যোগেদি আল্লাক পাবলৈ বা প্ৰকৃত ভগৱদ জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰে। কিন্তু কোন পথ অনুসৰণ কৰিলে আল্লাক পোৱা যায়, সেই কথা নেজানে। 'দিল'ত বা হৃদয়ত যি কোৰাণ বা পৰমাৰ্থজ্ঞান সঞ্চয় কৰা যায়, জ্ঞানৰ সহায়ত সেই জ্ঞানৰ সন্ধান কৰিব জানিলে আল্লাৰ তত্ত্ব উপলব্ধি কৰিব পৰা যায়।

সৃষ্টিৰ নানা দুৰ্মূল্য সম্পদৰাজিৰ মাজৰপৰা প্ৰকৃত সাৰবস্তু বিচাৰি লবৰ কাৰণে এহাতে জ্ঞানৰ আৰু আনহাতে ভক্তিৰ বা হৃদয়-বৃত্তিৰ প্ৰয়োজন। দিলৰ কোৰাণ আৰু আকাশৰ আৰছ—ইয়াৰে সহায়ত মানুহে সংসাৰৰ হাটত জীৱনৰ হীৰা-মুকুতাৰ বেহানী বেহাব পাৰে আৰু লাভ কৰাৰ সহজ উপায় হৈছে আল্লাৰ বা ঈশ্বৰৰ জিকিৰ কৰা বা ভগৱানৰ নাম জপ কৰি পৰম পদৰ আশ্ৰয় লোৱা।

ঘোষা—নাম ভাল, নাম ভাল, হয় চাহেব হয়।
আল্লা কাদিৰ কামাল······

অৰ্থ: কাদিৰ—সৰ্বশক্তিমান।

কামাল—পূৰ্ণ, Perfect, শুদ্ধ।

বান্দা—দাস।

আচান—উদ্ধাৰ, মুক্তি, ৰক্ষা।

মোকাম—স্তৰ, অৱস্থা।

আধ্যাত্ম সাধনাত সৃষ্টিৰ গূঢ়তত্ত্ব উপলব্ধিৰ বিভিন্ন অৱস্থা ওঠে, মোকাম—মাতৃ-পক্ষৰ চাৰিস্তৰ, পিতৃ-পক্ষৰ চাৰিস্তৰ আৰু আল্লাৰ পক্ষ

দহস্তৰ। চাৰিটা আধ্যাত্মিক মাৰ্গ বা অৱস্থা নাচুত—মানৱত্বা, মানৱীয় স্তৰ, মানৱ-প্ৰকৃতি (Humanity)। লাহুত—ঐশৰিক স্তৰ (Divine sphere or prevence)। মলকুত—দেৱলোক। মলক্ বা ফিৰিস্তাৰ স্তৰ ( The world of angels )।

জবৰুত—স্বৰ্গলোক। সৰ্বশক্তিমান স্তৰ, (Heaven, The world of omnipresence ) বিশ্বৰূপ, অনন্তৰূপ। আউলিয়া—সাধক, আল্লাৰ প্ৰিয়জন, ঋষি-মুনি। ৰুহৰ—প্ৰাণ, আত্মা। দৰখত—গছ, বৃক্ষ। পুলচেৰাত—পুল-সেতু, দলং। চেৰাত, চিৰাত—পথ, বাট। যি সেতু পথৰ ওপৰেদি গৈ পুণ্যাত্মাসকলে স্বৰ্গলোক পাবগৈ আৰু পাপী-সকলে যাব নোৱাৰি নৰ্কলৈ খহি পৰিব। ৰছুল—হজৰত মোহম্মদ। উম্মত—হজৰত মোহম্মদৰ অনুগামী বা অনুসৰণকাৰীসকল।

ছাৱাৰ—অশ্বাৰোহী, কোনো বাহনৰ ওপৰত উঠি যাওতাজন। যেনে—ঘোৰছাৱাৰী বা ঘোৰ-ছাৱাৰ।

ভাৱাৰ্থঃ এই জিকিৰটোত চুফী আধ্যাত্মিক সাধনাৰ তত্ত্ব আৰু পন্থাৰ ইংগিত সন্নিবিষ্ট কৰা হৈছে।

মানৱাত্মা জীৱনৰ মাজলৈ আহি সংসাৰ-সমুদ্ৰৰ চাকনৈয়াত পৰি ককৰকাই আছে। সমুদ্ৰত নাৱিকে আকাশৰ নক্ষত্ৰলৈ চাই লক্ষ্যস্থললৈ নাও বাই যোৱাৰ দৰে, জীৱনৰ সাগৰতো মানৱাত্মাই মনুষ্যলোক, দেৱলোক, স্বৰ্গলোক আৰু অন্তিম ঐশলোকৰ ( আৰ্‌ছ ) ফালে ধাবিত হয়। জীৱন কালৰ অধীন। প্ৰাণ-সাগৰৰ (ৰুহ) মাজত বহি আছে কাল, মৃত্যু। মৃত্যুক কোনোৱে বাধা দি ৰাখিব নোৱাৰে। সৰু-বৰ সকলোৱেই মৃত্যুক বৰণ কৰিব লাগিব। এই নশ্বৰ জগতৰ সকলো ঐশ্বৰ্য সম্পদ ইয়াতে এৰি থৈ মানুহৰ এই জগতৰপৰা গুচি যাবলগীয়া হয়। এই জীৱনত কৰা কৰ্মৰ ফল ভোগ কৰিবৰ কাৰণে নিজ নিজ পাপ-পুণ্যৰ খতিয়ান লৈ জীৱাত্মাই পুলচেৰাত ( স্বৰ্গ-নৰ্কৰ মাজৰ সেতুপথ ) অতিক্ৰম কৰিবলগীয়া হয়। ইয়াৰ সিপাৰে আছে নিৰঞ্জন, নিৰাকাৰ, অসীম, অনন্ত, চিৰ আলোকময় ( নুৰুন আল্লা নুৰ ) আল্লাৰ নিজস্ব লোক। তাৰেই কণমাত্ৰ পোহৰ পাবৰ কাৰণে মানুহে সংসাৰ সমুদ্ৰত জীৱনৰ নাও

বাই যায়। এই বিপদাকীর্ণ যাত্ৰাত নাৱঁৰ গুৰিয়াল—ৰছুল মোহম্মদ। তেওঁৰে সহায়ত তেওঁৰ অনুগামীসকলে নির্ভয়ে ভৱনদী পাৰ হৈ পাপ-পুণ্যৰ সেতু (পুলচেৰাত) অতিক্ৰম কৰি, চিৰ শান্তিৰ ধামলৈ গতি কৰিব। এই ভয়ানক সমুদ্ৰ-যাত্ৰাত আল্লাৰ নামক সাৰথি কৰি, মোহম্মদক পথ-প্ৰদৰ্শক আৰু কাণ্ডাৰী কৰি ইমানদাৰ মোমিনসকলে ত্ৰাণ লাভ কৰিব।

ধোৱা :—মজিলা ৰে মন ভজিলা ৰে মন
মুছাৰ ছালাত।
আজাব কৰিব বান্ধাক,
মৱতৰ বেলাত,

শব্দার্থ: মুছা—হজৰত মোহম্মদৰ পূৰ্বৰ এজন পয়গম্বৰ (Prophet Moses).

ছালাত—নামাজ, প্রার্থনা। আজাৱ—শাস্তি।

মৱত—মৌত, মৃত্যু।

আছমানৰে কুতুব তৰা আদমৰে জাত·········

ভাৱাৰ্থ: এই জিকিৰটোত দেহ আৰু প্ৰাণৰ সম্পৰ্কৰ কথা বৰ্ণোৱা হৈছে। বনৰ চৰাই আনি সজাত সুমুৱাই ৰখাৰ দৰে প্ৰাণৰ প্ৰাণপখীকো মানুহৰ দেহাৰ সজাঁত বন্দী কৰি ৰখা হৈছে। কিন্তু মানৱাত্মাৰ মূল থকা ঠাই আকাশমাৰ্গ বা অপাৰ্থিৱ লোকহে। দেহাৰ মাজত সোমাই থাকিলেও মানুহৰ প্ৰাণ দেহাৰ সজা এৰি আকাশমুখে উধাও হয়। দেহাৰ ভিতৰত সোমাই থকা পৰ্যন্তহে দেহ আৰু প্ৰাণৰ সম্পৰ্ক। দেহ মুক্ত হোৱাৰ পিছত দেহা এই পৃথিৱীতে পৰি ৰয়।

মৃত্যুৱে কাৰো বয়সৰ কথা চিন্তা নকৰে। কাৰোবাৰ অতি কম বয়সতে মৃত্যু হয়। জীৱিত আপোন পৰিয়ালে এনে শিশুৰ মৃত্যুত মহা-মূল্যৱান মাণিক-মুকুতা হেৰোৱা যেন অনুভৱ কৰে। যৌৱন-কালত মৃত্যু হলে বিধৱা ভাৰ্যাৰ লগতে অন্য সকলো লোকত বিহ্বল

হয়। বৃদ্ধকালত মৃত্যু হলেও সকলোৱে দুখ কৰে আৰু কলিমা বা আল্লাৰ নাম সোঁৱৰাই দি দুনীয়াৰ পৰা বিদায় দিয়ে। জীয়াই থকা দিন কেইটাত আত্মীয়-স্বজন, ধন-সম্পত্তিয়ে মানুহক আৱৰি ৰাখে। মৃত্যুৰ লগে লগে এই সকলোবোৰ অৰ্থহীন হৈ পৰে। মৰা শ' খাবৰ কাৰণে শগুণে চোপ লৈ থকাৰ দৰে, মৰণে জীৱ কাঢ়ি নিবৰ কাৰণে চোপ লৈ থাকে। সময় আহিলে ল'ৰা ডেকা বুঢ়া কাকো এৰি নাথায়। মৃত্যু সকলোৰে বাবে অৱশ্যম্ভাৱী অনিবাৰ্য।

ঘোষা :—অ' ৰহিম আল্লা, অ' চোভান আল্লা।

**শব্দাৰ্থঃ** ৰহিম—কৰুণাময়, দয়ালু।

চোভান—চোবহান, মহান, মহিমাময়।

আস্মান—আকাশ। জমীন—পৃথিৱী, মাটি।

আকল—জ্ঞান, বুদ্ধি। চুন্নত—হজৰত মোহম্মদে কৰা কাম আৰু দিয়া উপদেশসমূহৰ অনুসৰণ কৰি মুছলমানসকলে পালন কৰিবলগীয়া কাম আৰু আচৰণ বিধি।

ফৰজ—কোৰাণত নিৰ্দেশ দিয়া মতে মুছলমানৰ অৱশ্য পালনীয় কৰ্তব্যসমূহ।

ইলিম—ইল্‌ম্‌, বিদ্যা, জ্ঞান, কৌশল।

কালাম—বাণী, শব্দ, কথা।

কালামুল্লাহ—আল্লাৰ বাণী, কোৰাণ।

কলম—লেখনি, কাপ।

লৌহৰ কলম—সেই বিশেষ ফলি আৰু কাপ য'ত আল্লাৰ নিজস্ব বাণী লিখা হয়। বিধিলিপি লিখনিৰ ফলি আৰু কাপ।

**ভাৱাৰ্থঃ** মানুহৰ গাতে, শৰীৰতে আকাশ—পৃথিৱী সকলো আছে। ইয়াৰ পৰাই আকাশে বা জ্ঞানে পুলি মেলে। অৰ্থাৎ মানৱ-দেহাই জ্ঞানৰ কঠিয়াতলি। মানুহৰ সকলো কৰ্ম-অপকৰ্মৰ সাক্ষী মানুহৰ আত্মা বা ৰূহ। কোৰাণৰ বাণী আৰু ৰছুল মোহম্মদৰ বাণীৰ

সাৰমৰ্ম একেটাই—মাত্ৰ ইয়াৰ উপলব্ধি হৃদয়ত হব লাগে। যি তত্ত্ব-জ্ঞান আধ্যাত্মিক সাধনাৰে লাভ কৰিব পাৰি তাক সাধাৰণ সাংসাৰিক জ্ঞানেৰে লাভ কৰা নেযায়। আনুষ্ঠানিক ধৰ্মীয় ৰীতি-নীতি আৰু পালনীয় কৰ্ম ( ছৰিয়ত ) আৰু সত্য উপলব্ধিৰ কাৰণে কৰা আধ্যাত্ম সাধনা ( হকিকত ) উভয়ৰে গুৰুত্ব স্বীকাৰ কৰিলেহে পূৰ্ণ ফকীৰ বা সাধক হব পাৰে।

দহ ইন্দ্ৰিয়ৰ খেলাৰ ঠাই মানৱ দেহা। বায়ু, সেৱন কৰিয়েই জীৱ জীয়াই থাকে। মানুহৰ জীৱ ( জীউ ) অমৰ ( আমৰু জীউ )। জীৱ দেহাৰ পৰা দেহালৈ যায়। দহ ইন্দ্ৰিয়ৰ খোলাঘৰ দেহাটোৰ ভিতৰতে জীৱৰ আহনি-সাহনি। প্ৰতিটো ইন্দ্ৰিয়ৰ ৰূপ আৰু কৰ্ম পৃথক-পৃথক। আকাশ, পৃথিৱী আৰু প্ৰাণীজগত আল্লাৰ সৃষ্টি। আটাইতকৈ বিস্ময়কৰ সৃষ্টি—মানুহৰ দেহাৰ ভিতৰত প্ৰাণ আৰু আত্মা। পুৰুষ আৰু নাৰীৰ মিলনৰ মাজেদি সৃষ্টিৰ ধাৰা প্ৰবাহমান হৈ আছে। চিনাই দিওতা গুৰু হলে ধূলি-বালিৰপৰাও, মলিয়ন পানীৰ পৰাও সোণ কমাব পাৰি। মাটিৰ দেহাৰ মাজতো অজৰ-অমৰ আত্মাক বিচাৰি পাব পাৰি। জীৱন নৰয়, সৰু হওঁক ডাঙৰ হওঁক সকলোৰে আয়ুকালৰ এদিন অন্ত পৰে। দেহাৰ পৰা ওলাই যোৱা শেষ নিশ্বাসকণক কোনেও ধৰি ৰাখিব নোৱাৰে। জ্ঞানী পণ্ডিতেও মৃত্যুক বাধা দিব নোৱাৰে। দেহা ত্যাগ কৰি প্ৰাণ বায়ু ওলাই যায়। মৃত্যুৰ অৱশ্যম্ভাৱীতাৰ মাজত মানৱ জীৱনৰ মূল্য উপলব্ধি কৰাৰ উপায় হৈছে আল্লাৰ নাম স্মৰণ কৰা বা জিকিৰ কৰা। এই নাম জপ কৰিবৰ কাৰণে পুথি-পাঁজি, কাগজ-কলমৰ দৰকাৰ নাই। ওঠেই কলম, জিভাই কাগজ, দাঁতেই চিয়াহী বাটে আৰু নাম স্মৰণ কৰিলেই হৃদয় প্ৰভুৰ ফালে ধাবিত হয়। হাজাৰ হাজাৰ ৱলী আউলীয়া সাধকে সেই একেটা নামকে দিনে-ৰাতিয়ে জপ কৰে। একান্ত ভক্তিৰে নাম জপ কৰিলে পিতৃ-পুৰুষৰো মুক্তি হয়। ভগৱানৰ আৰাধনাত গৰ্ব, অহংকাৰৰ স্থান নাই। এনে অহংকাৰীক গুৰু আৰু ভকতেহে ৰক্ষা কৰিব পাৰে। নীতি-নিয়ম-আচৰণ প্ৰবৰ্তন যথাযথ পালন কৰি, সন্ত মহন্ত, ধাৰ্মিকজনৰ

সংগত আল্লাৰ নাম লৈ, সহজ কৰ্মজীৱন যাপন কৰিব পাৰিলে মানৱ জনম সাৰ্থক হয়।

যান্ত্ৰিকভাৱে আনুষ্ঠানিক ৰীতি-নীতি পালন কৰাতকৈ মন থিৰ কৰি আল্লা বা ভগৱানৰ নাম এবাৰ জপ কৰিও, মানুহে মোক্ষ লাভ কৰিব পাৰে। কিন্তু সাধকৰ সাধনাই সফলতা লাভ কৰিবৰ কাৰণে বিধাতাৰ কৰুণাৰো প্ৰয়োজন।

ঘোষা :—মনুৱাই দুৰ কৰা মনৰে বড়াই।
মানৱী জনম আৰু নাহে যে ঘুৰাই॥

ভাবাৰ্থঃ সংসাৰৰ বিষয়-বাসনাত মত্ত মানুহে সাংসাৰিকতাৰ থামখুমীয়াত পৰি থাকি জীৱনৰ পৰা আহৰণ কৰিবলগীয়া মহামূল্য অপাৰ্থিৱ সম্পদ আহৰণ কৰিবলৈ পাহৰি থাকে। বিষয়-বাসনা গলগ্ৰহ, এৰিবও নোৱাৰে, ধৰিও ৰাখিব নোৱাৰে। পাৰ্থিৱ সুখ-সম্পদ, মোহ-মায়া, বিষয়-বাসনাই মানুহক এনেদৰে দিগ্‌ভ্ৰান্ত কৰি ৰাখে যে জীৱনৰ মূল তাৎপৰ্য বা মূল্য বিচৰাত আজৰিও মানুহে নাপায়। জীৱনত কোনোবা দিনা পৰমাৰ্থ আহৰণ কৰিম বুলি, বিলৰ পাৰত বগলীয়ে চোপ লৈ থকাদি, চোপ লৈ থাকোতেই জীৱনৰ ওৰ পৰে। সংসাৰৰ বিষয়-বাসনাৰ মাজতে পৰমাৰ্থ লাভৰ আশাত মানুহে সংসাৰ-সমুদ্ৰত জঁপিয়াই পৰে। পিছে জীৱনৰ মাণিক-মুকুতা, হীৰা-মাণিক গোটাবলৈ নৌ-পাওতেই সাগৰ শুকাই যায়, জীৱনৰ আশা-বাসনা আধৰুৱা, অপূৰ্ণ হৈ ৰয়।

সমগ্ৰ বিশ্ব'চৰাচৰ সামৰি যি বিশাল আধ্যাত্মলোক, যাৰ বুকুত সকলো যুগৰ, সকলো কালৰ মানুহৰ ধ্যান-তপস্যা, পূজা-অৰ্চনাৰ কাহিনী লিপিবদ্ধ হৈ আছে, তাৰ গূঢ় অৰ্থ আৰু পৰিচয় সাধাৰণ মানুহৰ জ্ঞান-বুদ্ধিৰ জগতৰ উৰ্দ্ধত আছে। নিজ নিজ অন্তৰত ভক্তিভাৱেৰে পৰমাৰ্থ বা মূল সত্য উপলব্ধিৰ চেষ্টা কৰিলে, মানুহ মায়া-মোহ, ভুল-ভ্ৰান্তিৰ পৰা মুক্ত হৈ সত্য উপলব্ধি কৰিবলৈ সক্ষম হব পাৰে। বিষয়ত

মন্ত মানুহৰ জীৱনৰ চৰম আৰু পৰম লক্ষ্য নিহিত হৈ আছে আত্ম-উপলব্ধিত ।

ঘোষা :—কলিমাৰ নাম সাৰথি
আল্লা, জীউৰ লগে যায়,……
যি ঠাইলৈকে চালাম জনায়
তাতেই খোদাই ।

শব্দাৰ্থ :—কলিমা—কল্‌মা, আল্লাৰ নাম গুণ সম্পৰ্কীয় অৰ্থবাচক শব্দ । ইছলামৰ মূল বিশ্বাস ব্যক্ত কৰা সাৰকথা ( Muslim Confession of Faith )। হকিকত—মৌলিক সত্য। ছৰিয়ত—নিত্য কৰণীয় আনুষ্ঠানিক প্ৰাৰ্থনা (পদ্ধতি)। তামাম—সকলো, সৰ্বস্ব। ইমাম—গুৰু, নেতা, পথপ্ৰদৰ্শক। অজুদ—( মূল—ৱজুদ ) দেহা, শৰীৰ। আব—পানী। কলবুদ—কায়, দেহা, মাটিৰ শৰীৰ। আবে হায়াত —মৃত-সঞ্জীৱনী, অমৃত—যি পানী খালে মানুহ অমৰ হয়। আৰজোল্লা—আল্লাৰ ইচ্ছা। চিকম—পেট, গৰ্ভ। মেহতৰ জিব্ৰীল—শ্ৰেষ্ঠ দেৱদূত। যাৰ যোগে পয়গম্বৰসকলে ঐশ্বৰিক আদেশ-নিৰ্দেশ লাভ কৰে।

ভাবাৰ্থ :—“কলিমা হকিকত, কলিমা ছৰিয়ত……” এই জিকিৰত মানুহৰ জীৱনতত্ত্ব বা সৃষ্টিতত্ত্বৰ আভাষ দিয়া হৈছে। পুৰুষ আৰু নাৰীৰ মিলনৰ যোগেদি মানৱ সন্তানৰ জন্ম হয়। মানবী দেহা পাৰ্থিৱ, কিন্তু এই মানৱ শৰীৰৰ যোগেদিয়ে আল্লাৰ কল্‌মা বা নামৰ মাহাত্ম্যত মানুহ মৰণশীল হৈও, মৃত্যুহীন আত্মাৰ অধিকাৰী হয়। আল্লাৰ প্ৰতি ভক্তি আৰু প্ৰেমৰ অহৰহ সাধনাৰ যোগেদি মানুহে আল্লাৰ কৰুণা লাভৰ যোগ্য হৈ উঠে।

ঘোষা :—কেৱল নামে কেৱল নাম, কেৱল নামে বান্দি।
দিলে-বান্দি লবা নাম নকৰিবা খটি।

শব্দাৰ্থ :—বান্দা—দাস। মুজন্মিল ঈমাম—ইছলামৰ মূল বিশ্বাস —এজন মুছলমানে ৰাখিবলগীয়া মূল ধৰ্মবিশ্বাস। পাক—পবিত্ৰ।

ছোব্বহান—মহান, গৰিমাময়। চিপাৰা—(চি তিনি, পাৰা-খণ্ড বা অধ্যায়) কোৰাণৰ ত্ৰিশটা খণ্ড আছে। কাদিৰ—সৰ্বশক্তিমান। কামাল—পূৰ্ণ, পূৰ্ণাংগ, সৰ্বগুণ সম্পন্ন। খাক্—মাটি। আদম—প্ৰথম সৃষ্ট মানুহ, মনুষ্য। তন্—দেহা। বেৰাদৰ—ভাই, ককাই। আৱাল-ছাৱাল—সন্তি-সন্ততি। উজীৰ—মন্ত্ৰী। নাজিৰ—পৰ্যবেক্ষক, ৰখীয়া। আস্মান-আকাশ। জমীন—পৃথিৱী, মাটি। বাৰাণ—বৰষুণ, পানী। ৰিজক্—আহাৰীয়, খোৰাক। কোছাদা কৰা—মুকলি কৰা, যোগান ধৰা। মেওৱা—ফল। ছৰীছা চুৰত—আকৃতি-প্ৰকৃতি, আকাৰ-ৰূপ। 'কুল হু আল্লাহ'—( কোৰাণৰ বাণী )—কোৱা আল্লাহ একমেৱাদ্বিতীয়ম, স্বয়ম্ভু। পাক্জাত—পবিত্ৰ। উম্মত—শিষ্য, দাস। গুণাহগাৰ—পাপী। বখ্ছোতা—ক্ষমা কৰোতা। গফুৰ—ক্ষমাদান কৰোতা।

**জিকিৰৰ ভাৱাৰ্থ ঃ—**

ইছলাম ধৰ্মাৱলম্বীসকলৰ ধৰ্মবিশ্বাসৰ ( ইমান ) এইটো এটা প্ৰধান মানি লবলগীয়া কথা। এই বিশ্বাসৰ মূল কথা এনেধৰণৰ —

আল্লাহ বা স্ৰষ্টা নিৰাকাৰ, নিৰঞ্জন, একমেৱাদ্বিতীয়ম। তেওঁ কাৰো সন্তানো নহয়, কাৰো পিতাও নহয়। তেওঁৰ কোনো ভাই-ককাই বা সমকক্ষ সহচৰো নাই। আল্লাই মানুহৰ জীৱনৰ পথ নিৰ্দেশ কৰিবৰ কাৰণে হজৰত মোহম্মদৰ যোগে কোৰাণ অৱতীৰ্ণ কৰিছে। এই কোৰান ত্ৰিশটা খণ্ডৰ গ্ৰন্থ। আল্লাই আকাশ-পৃথিৱী, গ্ৰহ-নক্ষত্ৰ, প্ৰাণী-জীৱ আৰু মানুহৰ সৃষ্টি কৰিছে। সকলো প্ৰাণী আৰু জীৱৰ কাৰণে তেৱেঁই আহাৰৰ যোগান ধৰিছে। তেৱেঁই পৃথিৱীৰ শুকান মাটিক তিয়াবৰ কাৰণে আকাশৰপৰা বৰষুণ দিয়ায়। তেওঁৰ নিৰ্দেশতেই সূৰ্য, চন্দ্ৰ আদি গ্ৰহ-নক্ষত্ৰবোৰে নিজ নিজ কক্ষপথত পৰিভ্ৰমণ কৰে। পৃথিৱীৰ মানুহ আৰু অন্য জীৱ-জন্তুৰ কাৰণে তেৱেঁই শস্য আৰু ফল-মূলৰ যোগান ধৰে।

মানুহে জীৱনত বহুত পাপ, অপকৰ্ম আদি কৰে। এনেক্ষেত্ৰত শুদ্ধ অন্তৰেৰে ক্ষমা বিচাৰিলে আল্লাই মানুহৰ পাপক ক্ষমা কৰে।

পৰম বিশ্বাসেৰে একমেৱাদ্বিতীয়ম আল্লাৰ ওপৰত আস্থা ৰাখি জীৱন-

যাপন কৰিলে মানুহে মুক্তি লাভ কৰিব পাৰে। ইয়াৰ কাৰণে সকলো সময়তে নিৰাকাৰ, নিৰঞ্জন আল্লাৰ নাম সুঁৱৰি থাকিলে মানুহ বিপথে নাযায়। নাম-ধৰ্মই সহজ আৰু সাৰ্বজনীন ধৰ্ম।

ঘোষা :—'মনুৰাই, মনুৰাই' নাম ললে নেহেৰায়।

ভাবাৰ্থ :—সাধাৰণ মানুহৰ কাৰণে নানা অনুষ্ঠান আয়োজনেৰে ধৰ্ম কাৰ্য সমাধান কৰাতকৈ একান্ত বিশ্বাসেৰে আল্লাৰ নাম ধ্যান কৰাটোৱেই সহজ পুণ্যৰ কাম। নামৰ কোনো হৰণ-ভগন নাই। অন্তৰত দ্বিধাহীন বিশ্বাস ৰাখি মুখেৰে আল্লা বা ঈশ্বৰৰ নাম সুঁৱৰি থাকি এটা শুদ্ধ, সাত্ত্বিক জীৱন-যাপন কৰিব পাৰিলে, ধৰ্ম-কৰ্ম, শাস্ত্ৰবিধি নজনা লোকেও পৰিত্ৰাণ পাব পাৰে। নাম ললে নেহেৰায়, অন্য ধন-সম্পত্তিৰ দৰে নাম-ধনক কোনেও চুৰ কৰি নিব নোৱাৰে। নামক জুয়েও পুৰিব নোৱাৰে। ই পানীতো ডুব নাযায়। নাম অক্ষয়, অব্যয় পৰম সম্পদ।

চন্দ্ৰ-সূৰ্য, গ্ৰহ-নক্ষত্ৰ, ৰ'দ-মেঘ সকলোৰে এজনেই স্ৰষ্টা-আল্লাহ। খণ্ডপূজা নকৰি, অখণ্ড অসীমৰ পূজাহে কৰিব লাগে।

শব্দাৰ্থ :—কলিমা—কলমা, আল্লাৰ নাম স্মৰণ কৰা বা নাম লোৱা। জিকিৰ কৰা। বিচ্‌মিল্লা (হ্)—আল্লাৰ নামত।

মুছলমানসকলে যি কোনো কাম কৰিবলৈ লওতে প্ৰথমে বিচ্‌মিল্লাহ বা আল্লাৰ নামত (আৰম্ভ কৰিছো) বুলি কৈ লয়।

চোভানাল্লা—সকলো প্ৰশংসাৰ অধিকাৰী আল্লাহ। তেওঁ মহান। কৰিমাল্লা—আল্লাহ দয়ালু, করুণাময়। বোন্দৰা (?)—হয়তো 'বান্দা' বা 'দাস' বা 'ভক্ত' শব্দৰ অপভ্ৰংশ।

ঘোষা :—'মন ভাই, মন ভাই, নাম ললে নেহেৰায়।'

শব্দাৰ্থ :—নূৰে মোহম্মদী—নূৰ-জ্যোতি। মোহম্মদৰ জ্যোতি বা হজৰত মোহম্মদে প্ৰচাৰ কৰা ঐশজ্ঞানৰ বাণী (কোৰাণৰ বাণী)। পয়দা—জন্ম, জন্মদান কৰা। দুনী—দুনীয়া, সংসাৰ। আদম চফিউল্লা

—আল্লাৰ সৃষ্টি প্ৰথম মানৱ (Adam)। **ইমাম**—নেতা, ধৰ্ম পৰিচালনাৰ গুৰু। **দমৰ-পয়দাছী**—দম, উশাহ-নিশাহ। **পয়দাছী**—পয়দায়িছ-জন্ম, উশাহ-নিশাহ লৈ জীয়াই থকা মানুহ। **চিজ**—বস্তু।
চাৰিটি চিজ—ক্ষিতি, অপ, তেজ, মৰুত।
মাটি, পানী, বায়ু, জুই।

**আব**—পানী। **আতছ**—জুই। **খাক**—মাটি। **বাদ**—বায়ু। **মোকাম**—স্থান। **এৰিকন**—উদ্দেশ্য, লক্ষ্য।

**ভাৱাৰ্থ**:—মানুহৰ পঞ্চভৌতিক দেহা বায়ু, মাটি, পানী, জুইৰে গঠিত হৈছে। ইয়াৰ মাজতেই প্ৰাণ আৰু আত্মাৰ অৱস্থান। প্ৰতিটো ভূতে নিজ নিজ নিয়ম মতে নিজ কাম কৰি যায়, প্ৰত্যেকৰে স্থান আৰু প্ৰকৃতি সুকীয়া সুকীয়া। মানৱ দেহাৰ মাজত এই পঞ্চভূতৰ অৱস্থানে মানুহৰ জন্ম আৰু বংশবৃদ্ধিত সহায় কৰিছে। কিন্তু সকলোৰে স্ৰষ্টা আল্লাহ। তেওঁৰ ইচ্ছা অনুসৰিয়েই মানুহৰ পঞ্চভৌতিক দেহা বৰ্তি আছে। আল্লাই সকলো পূজা আৰাধনাৰ পাত্ৰ আৰু গৰাকী।

ঘোষা :—আল্লা খোদাৰ বুজ্ৰুক গান ঔ
মনুবাই, তোমাৰ বুজ্ৰুকগান।

**শব্দাৰ্থ**:—**বুজৰুকগান**—মাহাত্ম্য। **নুৰ**—জ্যোতি, ঐক্য জ্যোতি। **জাহিৰ**—প্ৰকাশ্য। **বাতিন**—গোপন, গুহ্য, অপ্ৰকাশ্য। **ছৰা**—ছৰিয়ত ধৰ্মীয় অনুষ্ঠান, ৰীতি-নীতি। **তহকিক**—সত্য, পৰম নিত্য।

হজৰত মোহম্মদৰ পূৰ্বৰ মহাপুৰুষ মূছা, দাউদ, ঈছা ( যীশুখৃষ্ট ) আদিলৈ অৱতীৰ্ণ হোৱা ঐশী গ্ৰন্থসমূহ। **ফোৰকাম, কোৰাণ**—হজৰত মোহম্মদলৈ অৱতীৰ্ণ হোৱা ঐশীবাণী—কোৰাণ। **মোমিন**—ধৰ্মবিশ্বাসী, একেশ্বৰবাদী ধৰ্মাত্মা। **অজু**—ৰজু-ৰীতি অনুসৰি হাত, মুখ, ভৰি আদি ধোৱা কাৰ্য। **গোছল**—স্নান, গা-ধোৱা। **আলিম**—জ্ঞানী, বিশেষজ্ঞ, ধৰ্মশাস্ত্ৰৰ পণ্ডিত। **ইলিম**—ইলম্-বিদ্যা, শিক্ষা। **কালাম**—আল্লাৰ বাণী, কোৰাণৰ যোগে বিতৰণ কৰা তত্ত্বকথা বা জ্ঞান। **গোমোৰা**—

গোম্ৰাহ দিগভ্ৰান্ত, বিপথে যোৱা। **লাহুত, নাচুত, জবৰুত, মলকুত**—আধ্যাত্মিক সাধন মাৰ্গৰ বিভিন্ন স্তৰ—ভৌতিক, আধি-ভৌতিক, দৈৱীক আদি স্তৰ। **লাহুত**—দেহাৰ লোপ সাধন। **নাচুত**—নৰ-দেহাৰ স্তৰ। নৰ-স্বভাৱ। **জবৰুত**—সৰ্বশক্তিৰ স্থান, স্বৰ্গ (The world of omnipotence)। **মলকুত**—মলক্—দেৱতা, দেৱলোক, আধ্যাত্ম জগত। **কলবুদ**—শৰীৰ, দেহা।

**ভাবাৰ্থঃ**—পঞ্চভূতেৰে হৈছে মানুহৰ নৰদেহা। আত্মজ্ঞানহে প্ৰকৃত জ্ঞান। পুথিগত জ্ঞানে মানুহক সৃষ্টি আৰু স্ৰষ্টা সম্পৰ্কে পূৰ্ণ জ্ঞান দিব নোৱাৰে। নৰদেহাৰ প্ৰকৃত স্বৰূপ বুজিব পাৰিলে মানুহে পাৰ্থিৱ জগতৰ ৰহস্য-ভেদ্ কৰি আধ্যাত্ম লোকৰ ৰহস্য উপলব্ধি কৰিব পাৰে। দেহতত্ত্বৰ তাৎপৰ্য বুজিব পাৰিলে শিক্ষা-দীক্ষা নথকা মানুহেও গভীৰ আধ্যাত্মলোকৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হব পাৰে। যিমানেই সুন্দৰ নহওক মানুহৰ শৰীৰ নশ্বৰ, ই স্থায়ী নহয়। যুগে যুগে সত্য সাধক মহাপুৰুষসকলে মানুহৰ দেহ আৰু আত্মাৰ সম্পৰ্কৰ কথা, সৃষ্টি আৰু স্ৰষ্টাৰ সম্পৰ্কৰ কথা বুজাই আহিছে। হজৰত মূছাৰ (তৌৰাত), হজৰত দাউদৰ ইঞ্জিল, হজৰত ঈছাৰ বাইবেল আদি অৱতীৰ্ণ গ্ৰন্থৰ শেষত হজৰত মোহম্মদলৈ কোৰাণ অৱতীৰ্ণ হৈছিল। মানুহৰ দেহ আৰু আত্মাৰ সম্পৰ্ক, মানুহ আৰু মানুহৰ স্ৰষ্টাৰ সম্পৰ্কৰে ৰহস্য উদ্ঘাটন কৰি আহিছে।

আত্মজ্ঞানৰ সাধনাই সৰ্বলোকৰ সকলো জ্ঞানৰ অৰ্থ বুজাৰ সহজ উপায়।

**যোৰা ঃ**—নামে গঙ্গাজল
সৱলৈ কোমল,
বৈ আছে হৃদয়ৰ মাজে।

**ভাবাৰ্থঃ**—এই জিকিৰ গীতটোত নাম-মাহাত্ম্য বৰ্ণনা কৰা হৈছে। এজন হিন্দু মানুহৰ কাৰণে গঙ্গাজল যেনে পবিত্ৰ, আল্লাৰ নামো সেইদৰে এজন প্ৰকৃত মুছলমান ভকতৰ কাৰণে পবিত্ৰ। কিন্তু কেৱল মুখেৰে

নাম ললেই নহয়, হৃদয়েৰে নাম লব লাগে। তেহে সাধনাত সিদ্ধি লাভ কৰিব পৰা যায়। সংসাৰী মানুহে সংসাৰ ছাট, বেহাই ভাগৰি-জুগৰি 'নামত' আশ্ৰয় লয় আৰু তাৰ যোগেদি আত্মাৰ শান্তি বিচাৰি পায়।

দ্ৰষ্টব্য ঃ—এই জিকিৰ গীতটোৰপৰা এটা কথা স্পষ্টভাৱে বুজা যায় যে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে নামৰ যি মাহাত্ম্য প্ৰচাৰ কৰিছিল আৰু হৰি নামৰ যোগে যিদৰে মানুহৰ পথ নিৰ্ণয় কৰিছিল, এই জিকিৰতো 'নামৰ' বা 'নাম-ধৰ্ম'ৰ প্ৰয়োজনৰ কথা খোলাখুলিকৈয়ে কোৱা হৈছে।

শঙ্কৰদেউ জীয়াৰী,
মাধৱদেউৰ বোৱাৰী
বহেপুৰ নগৰত ঘৰ।
বহেপুৰ নগৰৰ
ৰসক নমাই আনি
দিলে সকলোতে বাটি।

ঘোষা ঃ—'হক নামে কলিমা,
পাক নামে পীড়।'

শব্দাৰ্থ ঃ—বলি আদম—আদমৰ সন্তান, মানুহ। আখেৰি ৱক্ত— অন্তিম কাল, মৃত্যুৰ সময়। মুৰ্ছিদ—আধ্যাত্মিক গুৰু।

ভাবাৰ্থ ঃ—এই জিকিৰটো দেহবিচাৰ গীতৰ সুৰীয়া। সাধাৰণ মাটি-পানীৰে মানুহৰ শৰীৰ গঠিত, অহংকাৰে শোভা নেপায়। গৰ্ব, অহংকাৰে মানুহৰ পতন ঘটায়। সংসাৰত যিমানেই উচ্চপদ লাভ কৰক, কোনোৱেই মৰণৰ হাত সাৰিব নোৱাৰে। মুক্তিপথৰ সন্ধান কৰিবলৈ বিচাৰিলে সদ্‌গুৰুৰ ওচৰত শিক্ষা-দীক্ষা গ্ৰহণ কৰিব লাগে। মৃত্যুৰপৰা কোনোৱেই ৰক্ষা নাপায়, পাব নোৱাৰে।

ঘোষা ঃ—'চাৰি বেদে গিয়ানকে কয় ও আল্লা'!

ভাবাৰ্থ ঃ—মানুহৰ ঐহিক, পাৰলৌকিক জ্ঞানৰ সাৰমৰ্ম বেদত নিহিত হৈ আছে। কিন্তু বেদৰ জ্ঞান অৰ্জন কৰাটো সাধাৰণ কথা নহয়।

চাৰি বেদে জ্ঞানৰ কথাকে কয়, যদিও সেই জ্ঞান আয়ত্ত কৰাটো সহজ সাধ্য নহয়। কেৱল বেদ পাঠ কৰিলেই বেদজ্ঞান লাভ কৰা নেযায়।

প্ৰকৃত তত্ত্বজ্ঞান বা আধ্যাত্মিক জ্ঞানৰ অধিকাৰী হবৰ কাৰণে প্ৰকৃত সদ্‌গুৰুৰ কাষ চাপিব লাগে। জ্ঞানান্বেষী সাধকৰ অবিহনে মানুহ (বেদ) জ্ঞানৰ অধিকাৰী হব নোৱাৰে। এনে জ্ঞান লাভৰ কাৰণে হজৰত আবদুল্লাৰ পুত্ৰ হজৰত মোহম্মদৰ নিচিনা জ্ঞানৰ আশ্ৰয়ৰ প্ৰয়োজন। বাটে-পথে, হাবিয়ে-জংগলে জ্ঞান পৰি নাথাকে, সাধনাতহে সিদ্ধিলাভ হয়।

যোষা ঃ—নিয়ত ৰমেজানৰ খোদাইতে খাটনি,
মোমিনে লৈবা জানি।

শব্দাৰ্থ ঃ—বেহাজল কোৰাণ—এই কোৰাণ। তামাম—সকলো। ইমাম—নেতা। তবক—স্তৰ, ভুবন, পৃথিৱী। মুৰ্ছিদ—দীক্ষাগুৰু। আৱৰে চায়াল—পানীৰ সন্তান, ৰক্ত সন্তান। আৰছ—স্বৰ্গ, আল্লাৰ আসন থকা স্বৰ্গলোক। গোৱাহ—গাৱাহ, সাক্ষী। আজৰাইল—যমদূত, মৃত্যুৰ দেৱতা। ফৰিয়াদ—অনুৰোধ, আবেদন। ইক্লিম—ইহলোক।

ভাবাৰ্থ ঃ—মানুহৰ পঞ্চভৌতিক দেহাৰ কেতিয়া কেনেকৈ অৱসান ঘটে কোনোৱে কব নোৱাৰে। মানুহৰ সীমাবদ্ধ জ্ঞানে জন্ম-মৃত্যুৰ ৰহস্য ভেদ কৰিব নোৱাৰে। জীৱন, মৃত্যু আৰু মৃত্যু পৰৱৰ্তী আত্মাৰ অৱস্থান আৰু শেষ মোক্ষ বা নাজাত বা মুক্তিৰ বিষয়ে মানুহৰ জ্ঞান সীমাবদ্ধ। কোৰাণে উদ্‌ঘাটন কৰা এই জটিল সত্যবোৰৰ গূঢ় অৰ্থ বুজি পাবৰ কাৰণে জ্ঞানীগুৰুৰ ওচৰত জ্ঞানৰ সাধনা কৰিব লাগে।

মৃত্যুৰ দূত আজৰাইলে মানুহৰ জীৱ দেহাৰপৰা উলিয়াই নিয়ে বুলি কোৱা হয়। কিন্তু যমদূতে ( আজৰাইলে ) কেনেকৈ কেতিয়া মানুহৰ জীৱন কলৈ লৈ যায়, আজিও কোনেও বুজিব নোৱাৰিলে। ছহৰ বা মানৱাত্মাৰ পুনৰুত্থান আগতে দেহাৰপৰা নি ইক্লিন, চিজ্জীন আদি অদৃশ্য

লোকত আত্মাক ৰখা হয় বুলি কোৱা হয়। কিন্তু তাৰ প্ৰকৃত অৱস্থানৰ বিষয়ে মানুহৰ জ্ঞানে ৰহস্যভেদ কৰিব নোৱাৰে।

জন্ম-মৃত্যুৰ এইবোৰ ৰহস্য ভেদ কৰাটো মানুহৰ জ্ঞানৰ সীমাৰ বাহিৰৰ কথা। একমাত্ৰ সৰ্বজ্ঞ, সৰ্বনিয়ন্তা, অনন্ত, অসীম আল্লাৰ পৰম জ্ঞানৰ ওচৰত আত্মসমৰ্পণৰ বাহিৰে জন্ম-মৃত্যুৰ ৰহস্য ভেদ কৰাৰ শক্তি মৰণশীল মানুহৰ নাই। সেই একমেৱাদ্বিতীয়ম পৰম স্ৰষ্টাৰ করুণা অবিহনে সৃষ্টি ৰহস্যৰ অৰ্থ কেৱে পাব নোৱাৰে। তদুপৰি সেই পথৰ চিনাকি দিব পাৰে—জ্ঞানী-গুণী সাধক-গুৰুজনেহে। আনে সেই জ্ঞানৰ সন্তেদ দিব নোৱাৰে। স্ৰষ্টা, সৃষ্টি ৰহস্যৰ জ্ঞানৰ অধিকাৰী। মানুহে কেৱল সন্ধানহে কৰিব পাৰে।

---